ISSN 2450-0546

# অভিব্যক্তি

পঞ্চম বৰ্ষ, ২০১৭ চন

মহিলা কোষ, অসম কলেজ শিক্ষক সংস্থা

# Abhibyakti

Annual Journal Vol. V, 2017 :: Women's Cell, ACTA, Assam



*Editors*
Amiya Patar
Dr. Kabita Choudhury

সম্পাদকদ্বয়
অমিয়া পাটৰ
ড° কবিতা চৌধুৰী

## 'অভিব্যক্তি' সম্পাদনা সমিতি, ২০১৭

### উপদেষ্টা


ড° ক্ষীৰেশ্বৰ বৰা


তুলসী দাস


নৰেন চাংমাই


বিশ্বজিৎ ভুঞা


ববিতা দাস

### সম্পাদিকাদ্বয়


অমিয়া পাটৰ


ড° কবিতা চৌধুৰী

### সদস্য


ত্রিবেনী শইকীয়া


প্রতিমা মহন্ত


পাৰুল ভুঞা


বিপুল চক্রৱর্তী


দেৱপ্রসাদ গগৈ


দাদুল বৰা

# অভিব্যক্তি

# ABHIBYAKTI

ISSN 2450-0546

পঞ্চম সংখ্যা, ২০১৭ চন

অসম কলেজ শিক্ষক সংস্থা, মহিলা কোষ

প্রতি,

_______________________

_______________________

*সম্পাদকদ্বয়*

অমিয়া পাটৰ

ড০ কৰিতা চৌধুৰী

**ABHIBYAKTI :** An Annual Journal, ACTA, Women's Cell edited by Amiya Patar & Dr. Kabita Choudhury and published by Tulshi Das, General Secretray, Assam College Teachers Association, ACTA House, Solapar Guwahati : 781008.

# অভিব্যক্তি
# ABHIBYAKTI

ISSN 2450-0546

পঞ্চম সংখ্যা, ২০১৭ চন

## সম্পাদনা সমিতি

উপদেষ্টা—
ড° ক্ষীৰেশ্বৰ বৰা, সভাপতি অসম কলেজ শিক্ষক সংস্থা
তুলসী দাস, সাধাৰণ সম্পাদক, অসম কলেজ শিক্ষক সংস্থা
নৰেন চাংমাই, প্ৰাক্তন সভাপতি, অসম কলেজ শিক্ষক সংস্থা
বিশ্বজিৎ ভূঞা, প্ৰাক্তন সাধাৰণ সম্পাদক, অসম কলেজ শিক্ষক সংস্থা
ববিতা দাস, প্ৰাক্তন আহ্বায়িকা, মহিলা কোষ, অসম কলেজ শিক্ষক সংস্থা

সম্পাদকদ্বয়—
অমিয়া পাটৰ, আহ্বায়িকা, মহিলাকোষ, অসম কলেজ শিক্ষক সংস্থা
ড° কবিতা চৌধুৰী, উপ-সভাপতি, মহিলা কোষ, অসম কলেজ শিক্ষক সংস্থা

সদস্য—
প্ৰতিমা মহন্ত, পাৰুল ভূঞা, ড° অনুৰাধা চৌধুৰী, বিপুল চক্ৰৱৰ্তী, দেৱপ্ৰসাদ গগৈ, দাদুল বৰা, ত্ৰিবেণী শইকীয়া

মুদ্ৰণ—
ক্ৰান্তিকাল প্ৰকাশন
এম. জি. ৰোড, নগাঁও

## উচৰ্গা

বুদ্ধিদীপ্ত চেতনা আৰু সংগ্ৰামী সত্বাৰে
অসম কলেজ শিক্ষক সংস্থাক জন্ম দিয়া আৰু
সংস্থাক বৌদ্ধিক ইতিহাসত প্ৰতিষ্ঠিত কৰা
যিসকল সতীৰ্থ নিয়তিৰ আহ্বানত কায়িকভাৱে
আমাৰ মাজৰ পৰা হেৰাই গ'ল
সেইসকলৰ পৱিত্ৰ স্মৃতিত 'অভিব্যক্তি'ৰ
পঞ্চম সংখ্যাটি উচৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি
'অভিব্যক্তি', ২০১৭ বৰ্ষ



# অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি আৰু সম্পাদকৰ একাষাৰ



কোৱা হয় একমাত্র 'জৈৱিক' পাৰ্থক্যৰ বাহিৰে নাৰী-পুৰুষৰ মাজত কোনো পাৰ্থক্য নাই। আদিম কালত মানৱে যেতিয়া অঘৰী হৈ জীৱন কটাইছিল নাৰীয়েই পোন প্ৰথম কৃষিকৰ্ম আৰু গাৰ্হস্থ্য জীৱনৰ পাতনি মেলিছিল। ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে বৈদিক যুগত নাৰীৰ স্থান আছিল ওপৰত। মধ্যযুগৰ মন স্থিতিৰ কালতহে এই স্থানৰ ম্লান পৰিছিল। আধুনিক যুগত নাৰীয়ে পুৰুষৰ সমানেই সমাজৰ সকলো ক্ষেত্ৰত আগবাঢ়ি আহিছে। আজি মহিলাসকলৰ মাজত চিকিৎসক, অভিযন্তা, বিজ্ঞানী, ৰাজনীতিক, শিক্ষক, গৱেষক সমাজ সংগঠক, আইনজ্ঞ আদি আশাতীতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আমাক এখন মহিলাৰ দ্বাৰা পৰিচালিত বিশ্ব লাগে বুলিও ধ্বনি উঠিছে।

অসম কলেজ শিক্ষক সংস্থাৰ ভূমিষ্ঠ হৈছিল ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ দুবছৰ আৰু ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰ ঠিক এবছৰৰ পিছত অৰ্থাৎ ১৯৪৯ চনত। অসম কলেজ শিক্ষক সংস্থাত আশাকৰা মতে মহিলাৰ উপস্থিতি আৰু সহযোগিতা পাতল হোৱাৰ দিশটোৰ প্ৰতি লক্ষ্য কৰি বঙাইগাঁৱত অনুষ্ঠিত ৫৩তম অধিৱেশনত মহিগলাসকলক উদ্‌গণি দিয়াৰ মানসেৰে মহিলাৰ বাবে এটি সুকীয়া কোষ গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। পিছত ২০১১ চনত দুলীয়াজানত অনুষ্ঠিত হোৱা সংস্থাৰ ৫৮ তম বাৰ্ষিক অধিৱেশনত সংস্থাৰ সংবিধান সংশোধন কৰি ইয়াত ২৩ নম্বৰ অনুচ্ছেদ এটি অতিৰিক্তভাৱে সন্নিৱিষ্ট কৰি মহিলা কোষক সাংবিধানিকভাৱে স্বীকৃতি প্ৰদান কৰা হ'ল। তদুপৰি মহিলাকোষৰ কেন্দ্ৰীয় কমিটিৰ সদস্যাসকলৰ ভোটাধিকাৰ বিষয়টোও বৰ্তমান উত্থাপিত হৈছে।

জন্মলগ্নৰে পৰা মহিলা কোষে সংস্থাৰ কাম-কাজ বিভিন্ন দিশত আগবঢ়াই নিয়াত সক্ৰিয়ভাৱে আত্মনিয়োগ কৰি আহিছে। এইবাৰো মহিলা কোষৰ উদ্যোগত কেইবাটাও লেখত ল'বলগীয়া কাম হাতত লৈ সফলভাৱে সম্পন্ন কৰা হৈছে। তাৰ ভিতৰত গোৱালপাৰাৰ কৃষ্ণাই অঞ্চলত ৰাভা জনজাতীয় মহিলাসকলক লৈ মহিলা সবলী কৰণ শীৰ্ষক কৰ্মশালা, ছাত্ৰীসকলৰ আত্ম সুৰক্ষাৰ বাবে আইনী আৰু শাৰীৰিক সজাগতা সম্পৰ্কীয় কৰ্মশালা আদি অনুষ্ঠিত কৰা হৈছে। আৰ্ন্তজাতিক নাৰী দিৱস আৰু মহিলা অভিৱৰ্তন আদি অনুষ্ঠিত কৰা হৈছে। তদুপৰি মহিলাকোষৰ মুখপত্ৰ অভিব্যক্তি প্ৰকাশৰ উপৰি নাৰী সম্পৰ্কীয় তথ্য সমৃদ্ধ এখনি গ্ৰন্থও প্ৰকাশ কৰা হৈছে।

মহিলা কলেজ শিক্ষয়িত্ৰীৰ বাবে এটি সুকীয়া কোষ গঠন কৰি সাংবিধানিক মৰ্যাদা প্ৰদান কৰা হৈছে যদিও বাঞ্ছা কৰামতে এতিয়াও ইয়াৰ সাংগঠনিক ভিত্তি আৰু কাম-কাজ মজবুত কৰিবলৈ বহু বাকী আছে। গোট, মণ্ডল আৰু কেন্দ্ৰীয় স্তৰত মহিলা কোষৰ উত্তৰণৰ বাবে যথেষ্ট কৰিবলগীয়া সাংগঠনিক কাম আছে। আশা কৰিছোঁ মহিলা কোষৰ মুখপত্ৰ 'অভিব্যক্তি' আৰু সংস্থাৰ দ্বাৰা প্ৰকাশিত অন্যান্য বুলেটিন, আলোচনী আদিত এই সন্দৰ্ভত বিস্তাৰিত আলোচনা-বিলোচনা হওক। এই আশাৰে...।

দিনাংক - ২৭-০১-২০১৮

ড° ক্ষীৰেশ্বৰ বৰা
সভাপতি

তুলসী দাস
সাধাৰণ সম্পাদক

অসম কলেজ শিক্ষক সংস্থা

# সম্পাদকীয়

অসম কলেজ শিক্ষক সংস্থাৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ অধ্যাপিকাসকলক এক বিশেষ মঞ্চ দিবৰ বাবে এখনি মুখপত্ৰ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হয়। ২০১৩ চনত পৰীক্ষামূলকভাৱে কেৱল একহাজাৰ কপি প্ৰকাশ কৰা হৈছিল। ২০১৪ চনত ISSN নম্বৰৰ বাবে আবেদন জনাই ISSN নম্বৰ সন্নিৱিষ্ট কৰা হয় আৰু অসম কলেজ শিক্ষক সংস্থাৰ সকলো সদস্যই পাব পৰা সংখ্যক প্ৰকাশ কৰা হয়।

অভিব্যক্তিৰ এইটো পঞ্চম সংখ্যা। এই সংখ্যাত ভালেকেইটা গৱেষণাধৰ্মী প্ৰবন্ধ-পাতি সন্নিৱিষ্ট কৰা হৈছে।

প্ৰজ্ঞাৰ সাধনা বৌদ্ধিক জগতৰ এক পৰম্পৰা। ইয়াৰ দ্বাৰাহে এখন সুস্থ সমাজ গঢ়ি উঠিব পাৰে। উচ্ছৃংখল পৰিৱেশ মষিমূৰ কৰি প্ৰজ্ঞাক আধাৰ হিচাপে ল'ব পাৰিলে সমাজ উপকৃত হয়। শিক্ষকসকল কেৱল ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষাৰ মাজতে আৱদ্ধ নহয়। তেওঁলোকে নজনাকৈ তেওঁলোক সমাজৰ একোজন অভিভাৱক হৈ পৰে। এজন প্ৰকৃত অভিভাৱক হ'বলৈ অভিজ্ঞতাৰ প্ৰয়োজন। প্ৰজ্ঞাৰ সাধনাই প্ৰকৃত অভিভাৱকত্ব দান কৰে। মন, মগজু আৰু হৃদয়ৰ কৰ্ষণ কৰি প্ৰজ্ঞাৰে প্ৰজ্বলিত হোৱা জনেহে সমাজৰ প্ৰগতিৰ সন্ধান দিব পাৰে।

আশাকৰো এই সংখ্যাৰ অভিব্যক্তিত প্ৰকাশ পোৱা বিষয়সমূহে সমাজ উত্তৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

অভিব্যক্তিৰ পঞ্চম সংখ্যাটি প্ৰকাশ কৰাৰ ক্ষেত্ৰত যিসকল লেখক-লেখিকাই সহযোগিতা আগবঢ়ালে সেইসকল লেখক-লেখিকালৈ ধন্যবাদ জনালোঁ। লেখনিসমূহৰ দ্বাৰা সাহিত্য-সংস্কৃতি, অৰ্থনীতি, শিক্ষা, সমাজ, নাৰী সৱলীকৰণ ইত্যাদি বিভিন্ন দিশ সন্নিৱিষ্ট কৰা হৈছে।

অভিব্যক্তিখনিৰ সম্পাদনাৰ কাম-কাজত সক্ৰিয় সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি ড° ক্ষীৰেশ্বৰ বৰা, সাধাৰণ সম্পাদক তুলসী দাস, প্ৰাক্তন সভাপতি নৰেন চাংমাই, প্ৰাক্তন সম্পাদক বিশ্বজিৎ ভূঞা আৰু মহিলা কোষৰ প্ৰাক্তন আহ্বায়িকা ববিতা দাসে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জনালোঁ। তদুপৰি সম্পাদনা সমিতিৰ সদস্য হিচাপে সহায়-সহযোগ কৰা সদস্য-সদস্যাসকললৈ আন্তৰিক ধন্যবাদ জনালোঁ।

অভিব্যক্তিখনিৰ প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰা বাবে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক তুলসী দাসক বিশেষভাৱে ধন্যবাদ জনালোঁ। অভিব্যক্তিৰ ছপাৰ দায়িত্ব গ্ৰহণ কৰা ক্ৰান্তিকাল প্ৰকাশনৰ কৈলাশ ৰাজখোৱালৈ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

সদৌ শেষত অভিব্যক্তিখনিৰ সম্পাদনাৰ ক্ষেত্ৰত ৰৈ যোৱা ত্ৰুটি-বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

কৃতজ্ঞতাৰে—

**ড° কবিতা চৌধুৰী** **অমিয়া পাটৰ**

সম্পাদকদ্বয়, **অভিব্যক্তি** পঞ্চম সংখ্যা
মহিলা কোষ
অসম কলেজ শিক্ষক সংস্থা

সূচীপত্ৰ—


- অসমীয়া উপন্যাসত জনজাতীয় সমাজ আৰু নাৰী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' আৰু ড° ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'মিৰি জীয়ৰী'ৰ বিশেষ উল্লিখনেৰে— ⏭ **কৰবী গগৈ** ।। ১
- ৰাণী সাধনী নাৰী জাতিৰ বাবে স্বাভিমানৰ উজ্বল নিদৰ্শন ⏭ **অৰুণ বৰুৱা** ।। ৫
- মিতালী ফুকনৰ জীৱনীমূলক উপন্যাস আইদেউ ঃ কালৰ মাহাত্ম্য ⏭ **ড° মঞ্জু লস্কৰ** ।। ৯
- অসমীয়া সাহিত্যলৈ মহিলা লিখকৰ অৱদান ⏭ **স্বপ্না গগৈ** ।। ২৩
- পিতৃতন্ত্ৰ ঃ বৰ্তমান প্ৰাসঙ্গিকতা ⏭ **ড° স্বপ্না নাথ** || ২৭
- জ্যোতিৰ্ময়ী অভিনেত্ৰী মাকণ দত্ত, মোহিনী ৰাজকুমাৰী আৰু ধৰ্মেশ্বৰী গগৈ বৰা ⏭ **ড° থুনু কলিতা** ।। ৩০
- মামণি ৰয়চম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' ঃ এটি আলোচনা ⏭ **অমিয়া পাটৰ** ।। ৩৬
- ধুবুৰী জিলাৰ সাহিত্য চৰ্চা ঃ এটি চমু অৱলোকন ⏭ **ড° গীতা সৰকাৰ** ।। ৪৩
- Growth and Development of Education in Assam and Women ⏭ **Jogesh Changmai** ।। ৫০
- Importance of Co-Curricular activities in Human Life ⏭ **Rupa Chetry** ।। ৫৬
- The Issue of Women Empowerment and Indira Goswami's the Bronze Sword of Thengphakhri Tehsildar: A Postcolonial Reading ⏭ **Dr.Anuradha Chaudhuri** ।। ৫৯
- Human Rights Education and Women Empowerment : Where does India Stand ? ⏭ **Saiki Talukdar** ।। ৬৫
- Witch Hunting, Patriarchy and Religious Sanction : The case of Bodos of Assam ⏭ **Parvin Sultana** ।। ৬৯
- Female Work Participation and Gender Division of Labour – A theoretical perspective ⏭ **Chhanda Biswas** ।। ৭৩
- অসম কলেজ শিক্ষক সংস্থাৰ মহিলা কোষৰ আহ্বায়িকাৰ প্ৰতিবেদন ⏭ **অমিয়া পাটৰ** ।। ৭৮

# অসমীয়া উপন্যাসত জনজাতীয় সমাজ আৰু নাৰী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘ঈয়াৰুইঙ্গম’ আৰু ড° ৰজনীকান্ত বৰদলৈৰ উপন্যাস ‘মিৰি জীয়ৰী’ৰ বিশেষ উল্লিখনেৰে—

**কৰবী গগৈ**

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,* হাৰ্হি মহাবিদ্যালয়

**অৱতৰণিকা ঃ**

সমাজ অধ্যয়নৰ আটাইতকৈ উৎকৃষ্ট আহিলা উপন্যাসে অতিক্ৰম কৰা এশটা বছৰৰ ভিতৰত ইয়াৰ সমৃদ্ধিত অৰিহণা আগবঢ়োৱা আৰু জনজাতীয় সমাজক পটভূমি হিচাপে লৈ লিখা কেইবাখনো উপন্যাস আছে। উপন্যাস যিহেতু বাস্তৱ আধাৰিত কলাত্মক গদ্য সাহিত্য গতিকে সাহিত্যৰ জৰিয়তে একোটা জাতিৰ-জনগোষ্ঠীৰ সামাজিক সাংস্কৃতিক দিশৰ প্ৰতিফলন ঘটে। অসমীয়া উপন্যাসত আৰম্ভণি কালৰপৰা বৰ্তমানলৈকে নাৰীৰ বিভিন্ন সামাজিক, সাংস্কৃতিক দিশ প্ৰতিফলিত হৈ আহিছে। তদুপৰি নাৰীৰ আবেগ-অনুভূতি, চিন্তাধাৰা, সামাজিক লোকাচাৰ, সাংস্কৃতিক জীৱনৰ বিভিন্ন কৰ্মৰাজি এই সাহিত্যত অংকন কৰা হয়। জনজাতীয় সমাজক লৈ লিখা তেনে দুখন উপন্যাস হ’ল- ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘ঈয়াৰুইঙ্গম’ আৰু ড° ৰজনীকান্ত বৰদলৈৰ ‘মিৰি জীয়ৰী’। এই দুখন উপন্যাসে অসমীয়া সাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। দুয়োখন উপন্যাসতে নাৰী চৰিত্ৰসমূহে বিশেষ ভূমিকা পালন কৰিছে আৰু উপন্যাস দুখনত পৃথকে পৃথকে নগা সমাজ আৰু মিচিং সমাজৰ দুখন ছবি প্ৰতিফলিত কৰিছে।

**‘ঈয়াৰুইঙ্গম’ত প্ৰতিফলিত সমাজ আৰু নাৰী ঃ**

অসমীয়া উপন্যাস সাহিত্যক অসমৰ বাহিৰত চিনাকি কৰি দিয়া আৰু অসমীয়া পাঠক সমাজত বিৰল সমাদৰ লাভ কৰা উপন্যাস ‘ঈয়াৰুইঙ্গম’ হ’ল এখন ৰাজনৈতিক উপন্যাস। নগা বিদ্ৰোহ ইয়াৰ বিষয়বস্তু। দ্বিতীয় মহাযুদ্ধই থান-বান কৰি থৈ যোৱা নগাসকলৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ গ্লানি, অনিশ্চয়তা, হা-হুতাশ আৰু তাৰে ওপৰত ভিত্তি কৰি উঠা নগাসকলৰ মনত উদয় হোৱা জাতীয় চেতনাই উপন্যাসখনৰ পৃষ্ঠভূমি। সামাজিক উপন্যাসত আশা কৰা ধৰণে ইয়াত

ব্যক্তিগত প্ৰেম-কাহিনীৰ আভাস নাই যদিও নায়ক ৰিশ্বাঙৰ মাজেদি আংশিক ব্যক্তিগত এক কাহিনী দেখা যায়। আংশিক বুলি এই কাৰণেই কোৱা হৈছে যে, ৰিশ্বাঙৰ জীৱন অধিকাৰ কৰি আছে নিজৰ গাঁওখন, নগা জাতি আৰু মানৱ জাতিৰ মঙ্গল চিন্তাই। নগা সমাজৰ পটভূমিত কাহিনীটো সংস্থাপিত কাৰণে উপন্যাসখনত নগা সমাজ জীৱনৰ সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। জনজাতীয় জীৱনৰ অন্যতম বৈশিষ্ট্য ডেকা চাং আৰু গাভৰু চাং, য'ত গাঁৱৰ ডেকা-গাভৰুসকলে সুৰক্ষিতভাৱে কটায়। গাভৰু চাং নগা সমাজৰ অন্যতম বৈশিষ্ট্য। জাপানী সৈন্যৰ লগত থাকি পতিতাৰ স্থান পোৱা চাৰেংলাক ৰিশ্বাঙে গাঁওবুঢ়াৰ সন্মতি সাপেক্ষে গাভৰু চাঙত আশ্ৰয় দিছে।

ঘৰৰ পৰা পথাৰলৈকে জীৱন যুঁজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা টাংখুল নগা সমাজৰ নাৰীসকলে বাৰমাহে বন কৰে, বহি নাথাকে। অন্যান্য জনজাতিৰ দৰে তেওঁলোকেও ওখ পাহাৰত ঝুম খেতি কৰে। কঠোৰ পৰিশ্ৰম কৰি নগা সমাজে জীৱন নিৰ্বাহ কৰে। ইয়াৰ উদাহৰণ ফানিটফাঙৰ মাক। তেৱোঁ বোকা খচি ভূঁই ৰুৱে, যুদ্ধ নিবিচাৰে, বিচাৰে শান্তি। যুদ্ধই শান্তিপ্ৰিয় নগা জীৱনলৈ কঢ়িয়াই অনা অসন্তুষ্টিৰ কথা চাৰেংলাৰ এষাৰ কথাৰ মাজেদি জানিব পাৰোঁ।

"সেউজীয়া ভূঁই হাতত তুলি বোকাত লেও লৈ থকা এই খেতিয়কবোৰেই যেন পৃথিৱীৰ প্ৰাণ আৰু আনন্দৰ উৎস, এইখন পৃথিৱী পাহৰি মানুহে যুদ্ধ কৰে কোন সতে?" (পৃঃ ৩২)

মদ জনজাতীয় জীৱনৰ এৰাব নোৱাৰা বস্তু। ঘৰতে চাউলৰ পৰা তৈয়াৰী মদক বিভিন্ন জনজাতিয়ে বিভিন্ন নামেৰে নামকৰণ কৰিছে। এই জনজাতীয় সমাজত বিভিন্ন উৎসৱ-অনুষ্ঠানত মদ নহ'লে নহয়। 'য়ু' নহ'লে টাংখুল নগাৰ জীৱনত পূৰ্ণতা নাথাকে— "তাৰ পাছত য়ুৰ টেকেলিটো সোহা চুঙা এডালেৰে সৈতে আগবঢ়াই দিলে। নাজেকে তাৰ শকত গাটো বৰ চালপীৰাখন জুৰি বহিল আৰু ঙাঠিঙখুইকো য়ু পিবলৈ মাতিলে।" 'য়ু' ব্যৱহাৰ টাংখুল নগা সমাজৰ এটা পৰম্পৰাগত ৰীতি। উপন্যাসখনত উৎসৱ-পাৰ্বণৰ বিস্তৃত বিৱৰণ পোৱা নাযায় হয়তো উপন্যাসখনত চিত্ৰিত হোৱা অস্থিৰ ৰাজনৈতিক বাতাবৰণেই ইয়াৰ কাৰণ। সেয়ে হ'লেও টাংখুল নগাসকলে পালন কৰা উৎসৱৰ ভিতৰত কৃষি উৎসৱেই প্ৰধান। উপন্যাসখনত খেতি চপোৱা উৎসৱৰ কথা উল্লেখ আছে। ইয়েংমাচৰ হিয়াত তেনে উৎসৱৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে— "তাৰ মনটোৱে এতিয়াও আটিবক লৈ হাবিলৈ গৈ নুনিপকা পাৰিবলৈ, চিটিকা পাতি চৰাই ধৰিবলৈ, 'মংলা থা' উৎসৱত নাচিবলৈ আৰু গাভৰু চাঙত গৈ চুপতি মাৰিবলৈ লক্‌লকাই থাকে।" (পৃঃ১৩৬) খৃষ্টান ধৰ্মইও টাংখুল সমাজলৈ পৰিবৰ্তন আনিছে। সেয়েহে পুৰণি ৰীতি-নীতি অধিকাৰ কৰিছে নতুনে। খৃষ্টান ধৰ্মৰ প্ৰসাৰৰ লগে লগে টাংখুল সমাজত গা-ধন লোৱাৰ ক্ষেত্ৰত শিথিলতা আহি পৰিছে। একে ফৈদৰ নহ'লে ল'ৰা-ছোৱালীৰ পচন্দক নগা সমাজত অগ্ৰাধিকাৰ দিয়াৰ নিয়ম প্ৰচলিত আছে। বিধবা বিবাহৰ ক্ষেত্ৰত সামাজিক নিষেধ নাই যদিও পতিতাৰ ক্ষেত্ৰত সমাজ বৰ কঠোৰ সেয়েহে অবাঞ্চিতভাৱে দৈহিক শুচিতা হেৰুৱাই জাপানী সৈন্যৰ ৰক্ষিতা হোৱা চাৰেংলা সমাজৰ চকুত পতিতা, পত্নীৰ মৰ্যাদাৰে তাইক গ্ৰহণ কৰাৰ প্ৰশ্ন উঠিবই নোৱাৰে বুলি উচ্চ শিক্ষিত ডেকা ৰিশ্বাঙেও বুজিছে।

মৌখিক সাহিত্যত চহকী টাংখুল নগাসকলৰ সমাজত বিভিন্ন গীত-মাত, সাধু কথাৰ প্ৰচলন আছে। উপন্যাসখনত ঔপন্যাসিক ভট্টাচাৰ্যদেৱে নগাসকলৰ জনবিশ্বাস সম্পৰ্কে এক সুন্দৰ চিত্ৰ দাঙি ধৰিছে। গাঁৱত জ্বৰ হ'লে, আই ওলালে নগাসকলে ঔষধ, চিতাৰ সলনি মেইবাৰ (বেজ) হতুৱাই জৰা-ফুকা কৰোৱাইছিল আৰু এনেদৰে ৰোগ নিৰাময় হ'ব বুলি তেওঁলোকে আশা কৰিছিল। নাজেকৰ মৃত্যুত পালন কৰা নিয়ম কানুনবোৰৰ যোগেদি টাংখুল সমাজত প্ৰচলিত লোকবিশ্বাসৰ এখন ছবি দাঙি ধৰিছে। টাংখুলসকলে বিশ্বাস কৰে যে মানুহৰ মৃত্যুৰ পাছত সেই মৃতকৰ দেহৰ পৰা ওলাই যাওঁতে আত্মাই সাধাৰণতে পখিলা আৰু মৌ-মাখিৰ ৰূপ লয়। সেয়েহে নাজেকৰ মৃত্যুৰ পাছত মৃতদেহ থোৱা কোঠাটোত মৌ-মাখি এটা দেখি ঙাঠিঙখুয়ে সেইটো নাজেকৰ আত্মা বুলি কৈছে।





**'মিৰি জীয়ৰী' উপন্যাসত প্ৰতিফলিত সমাজ আৰু নাৰী ঃ**

ড° ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসত এহাল মিচিং ডেকা-গাভৰুৰ প্ৰণয় কাহিনীৰ মাজেৰে সমাজৰ আনন্দ উৎসৱ, পূজা-পাৰ্বণ, নদীৰ লগত থকা তেওঁলোকৰ প্ৰাণৱন্ত সম্পৰ্ক আদি দিশবোৰ সুন্দৰভাৱে ফুটাই তোলা হৈছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাৰে 'মিৰি জীয়ৰী' সোৱণশিৰি বালিৰ পৰা বুটলি অনা এচপৰা কেঁচা সোণ'। নদীক কেন্দ্ৰ কৰি জনজাতীয় জীৱনৰ আধাৰত লিখা সামাজিক উপন্যাস হিচাপে 'মিৰি জীয়ৰী' প্ৰথম উপন্যাস। 'মিৰি জীয়ৰী' উপন্যাসৰ সমাজখন মূলতঃ ঊনবিংশ শতিকাৰ শিক্ষাৰ পোহৰ নোপোৱা সোৱণশিৰি পাৰৰ মিৰি সমাজ। প্ৰকৃতাৰ্থত 'মিৰি জীয়ৰী' এখন আঞ্চলিক উপন্যাস আৰু এটা অঞ্চলৰ সমাজ-সংস্কৃতিৰ দলিল। মিৰিসকলে জীৱিকা নিৰ্বাহৰ বাবে খেতিকেই বাছি লয়। ধান তেওঁলোকৰ প্ৰধান খেতি আৰু ভাত প্ৰধান আহাৰ। তেওঁলোকে শালি আৰু আহু দুয়োবিধ ধানৰেই খেতি কৰে। খাদ্যৰ লগত তেওঁলোকে নদীৰ মাছ, শাক-পাচলি আৰু ফল-মূল খায়। সমাজত পুৰুষ-নাৰী উভয়ে সমানে কাম কৰে। উপন্যাসখনত নায়ক জংকি আৰু পানেই একেলগে পথাৰত ধান ৰখিছে, চৰাই খেদিছে। পৰিয়ালটোৰ সমূহীয়া খেতিৰ উপৰি ব্যক্তিগত খৰচৰ বাবে পুৰুষ-মহিলা বা ডেকা-গাভৰুৱে নিজাববীয়াকে সৰিয়হ আদিৰ খেতি কৰে। ইয়াৰ নিদৰ্শন আমি 'মিৰি জীয়ৰী' উপন্যাসত এনেদৰে দেখা পাওঁ— "পাঁচোজনী গাভৰুৱে নিজ হাতে কৰা ভূঁই ৰখিবলৈ গৈছিল আৰু এতিয়া গধূলি হোৱাত ঘৰলৈ ফিৰি আহিছে। .... মিৰি গাভৰুহঁতে পৰিয়ালটোৱে কৰা মাটিত বাজেও নিজে নিজে এহালিচা বা দুহালিচা মাটিত কোৰ মাৰি সৰিয়হ বয়। সেইদৰে সৰিয়হ বেছি যি ধন পায় সেই ধনেৰে তেল-সেন্দুৰ কিনি পিন্ধে (৫ম অধ্যায়)। মিৰিসকলে গাহৰি, কুকুৰা আদি জীৱ-জন্তু খাদ্য আৰু উপাৰ্জনৰ কাৰণে পালন কৰে। ধানৰ পৰা তৈয়াৰী আপং তেওঁলোকৰ প্ৰিয় পানীয় আৰু বিভিন্ন উৎসৱ-পাৰ্বণত ই অপৰিহাৰ্য।

মিৰি সমাজত হিন্দু ধৰ্ম আৰু জনজাতীয় পূজা-বিধিৰ প্ৰচলনৰ আভাস আমি দেখা পাওঁ। বহাগ বিহুৰ সময়ত মিৰি ডেকা-গাভৰুৱে ঘৰে ঘৰে গৈ বিহু কৰি পইচা গোটায় আৰু কাতিমহীয়া নৰাছিগা বিহুত সেই ধনেৰে গাহৰি-কুকুৰা কিনি মদে-মাংসই ভোজ-ভাত খায়। সেই সময়ত পালন কৰা 'ৰাতিসেৱা' সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত পকা ভকতসকলৰ ধৰ্মাচাৰ, গীত-মাত, আশীৰ্বাদ, দেও লম্ভা দেওধাইৰ ভৱিষ্যত বাণী আদি সকলো বিলাকৰে সুন্দৰ বিৱৰণ উপন্যাসখনিত দেখা যায়। মঙ্গল চোৱা নাইবা স্বপ্নফল বিশ্বাস কৰা আদিক অন্ধবিশ্বাস যেন অনুমান হ'লেও সকলোৰে জীৱনত এনে কিছুমান মুহূৰ্ত আহে যেতিয়া সেইবোৰৰ সাৰ্থকতা মানি ল'বলৈ বাধ্য হ'ব লাগে। "আমি সকলো ডেকা-গাভৰু ভালে থাকিমনে? বুলি কৰা প্ৰশ্নৰ উত্তৰত ওঁ থাকিবি, কিন্তু এটা বেয়াও আছে" বোলা কথাই উপন্যাসৰ ঘটনাৰ ওপৰত দৈৱৰ প্ৰভাৱৰ ইঙ্গিত দিয়ে। সপোনৰ প্ৰভাৱৰ কথাও উপন্যাসৰ দুঠাইত স্পষ্ট হৈ আছে। উপন্যাসখনিত বিভিন্ন উৎসৱ চৰগ পূজা, জ্বৰৰ পূজা আদি উৎসৱ আৰু কাৰ্সিং-কাৰ্টান, মণ্ডবে, চিনেক, দহমুখ, দঙকং, লৌজি-লেইতাং মুগলীং-মিৰেমা আদি দেৱ-দেৱীৰ উল্লেখ আছে। বিহুৰ সময়ত মিৰি ডেকা-গাভৰুৰ মাজত প্ৰেম বিনিময় হয়। বিয়াৰ ক্ষেত্ৰত কইনাৰ গা-ধন দিয়াৰ লগতে শহুৰেকৰ ঘৰত দুবছৰ গাৰে খাটি দিব লাগে। ইয়াকে জোঁৱাই খটা বোলে। উপন্যাসৰ জংকি, পানেই আৰু কুমুদৰ ক্ষেত্ৰত এনে সামাজিক ৰীতি-নীতি প্ৰতিফলিত হৈছে। তদুপৰি কুমুদৰ বাপেকে তামেদৰ ঘৰত ছোৱালী খুজিবলৈ 'সৰুভাৰ' পেলাইছে (ষষ্ঠ অধ্যায়, পৃ-৪৬)। মিৰি সমাজৰ মুখিয়ালজনক গাম বোলে। পৰ্বতীয়া গাছি-মিৰিসকলৰ নিয়ম-কানুন ভৈয়ামৰ মিৰিতকৈ কঠোৰ আৰু অপৰাধৰ শাস্তি বিধানো নিষ্ঠুৰ। আলোচ্য উপন্যাস 'মিৰি জীয়ৰী'ৰ নায়ক জংকি আৰু নায়িকা পানেইক গাছি-মিৰিৰ শাসক প্ৰধান বাৰেগামে মৃত্যুদণ্ড বিহিছে।

মিৰি গাভৰুৱে নৰা-জাংফাই, গোমচেঙৰ চোলা, মুগাৰ ৰিহা-মেখেলা পিন্ধে। পুৰুষসকলে ধুতি-পাগুৰি পৰিধান কৰে, ডিঙিত সোণ পোৱালৰ মণি পিন্ধে। উপন্যাসৰ দ্বিতীয় অধ্যায়ত মিৰিসকলৰ সাজপাৰ, আ-অলংকাৰৰ বিষয়ে উল্লেখ আছে।

**সামৰণি ঃ**

অসমীয়া উপন্যাসে এটা শতিকাৰ অধিক সময় অতিবাহিত কৰিছে। এই সুদীৰ্ঘ পৰিক্ৰমাত ভালেমান সমস্যা, সংঘাত উপন্যাসৰ মাজলৈ আহিছে আৰু ইয়াৰ কলাগত দিশটোৱেও ভালেখিনি সমৃদ্ধি লাভ কৰিছে। আলোচ্য প্ৰবন্ধটোত ঔপন্যাসিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেখেতৰ বহুপঠিত আৰু সমাদৃত উপন্যাস 'ইয়াৰুইংগম'ত ভিন্ন দৃষ্টিকোণেৰে টাংখুল নগা সমাজৰ এখনি নিখুত ছবি দাঙি ধৰাৰ কথা উল্লেখ কৰা হৈছে। দ্বিতীয় মহাযুদ্ধৰ প্ৰৱল ঢৌৱে পৃথিৱীৰ আন প্ৰান্তৰ দৰে নগা সমাজকো স্পৰ্শ কৰি গৈছিল আৰু যিয়ে নগাসকলৰ সামাজিক আৰু অৰ্থনৈতিক জীৱন জোকাৰি বিপৰ্যস্ত কৰি থৈ যায়।

জনজাতীয় জীৱনধাৰাক সাহিত্যলৈ আদৰি অনা অন্যতম উপন্যাস হ'ল ড° ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাস। উপন্যাসখনিৰ জৰিয়তে মিচিং সমাজত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাস, কুসংস্কাৰ, অৰ্থলোভ, স্বাৰ্থপৰতা, একুৰীয়া আদি স্বভাৱৰ কথা বৰ্ণনা কৰা হৈছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) ভট্টাচাৰ্য, বীৰেন্দ্ৰকুমাৰ ঃ 'ইয়াৰুইংগম' এল বি এছ পাব্লিকেশ্যন, গুৱাহাটী, চতুৰ্থ প্ৰকাশ, ১৯৮৫

২) কটকী, প্ৰফুল্ল ঃ স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, চতুৰ্থ সংস্কৰণ, ২০১১

৩) হাজৰিকা, জ্যোতিৰেখা ঃ (সম্পা) সাহিত্য জিজ্ঞাসা, প্ৰথম প্ৰকাশ, ২০০১

৪) ডেকা হাজৰিকা, কৰবী ঃ অসমীয়া সাহিত্যৰ ৰূপ-ৰস, প্ৰথম প্ৰকাশ, ১৯৮৬

৫) শইকীয়া, পূৰ্ণনন্দ ঃ সাহিত্য কানন, প্ৰথম প্ৰকাশ, ২০০৪

৬) ঠাকুৰ, নগেন (সম্পা) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, দ্বিতীয় প্ৰকাশ, ২০১২

৭) অসম সাহিত্য সভা ঃ ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ, দ্বিতীয় প্ৰকাশ, ১৯৯৬

৮) হাজৰিকা, পৰীক্ষিত ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাস (প্ৰথম খণ্ড), প্ৰথম প্ৰকাশ, ১৯৯৪





# ৰাণী সাধনী নাৰী জাতিৰ বাবে স্বাভিমানৰ উজ্বল নিদৰ্শন

**অৰুণ বৰুৱা**

*লেখক, সহকাৰী অধ্যাপক,* মৰাণ মহিলা মহাবিদ্যালয়

বৰ্তমানলৈকে অসমীয়া সমাজখনৰ অগ্ৰগতিত নাৰীৰ ভূমিকা অতুলনীয়। প্ৰাচীন কালৰে পৰা মমতাময়ী, মহীয়সী নাৰীসকলে সমাজখন সকলো দিশৰ পৰাই সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত অতি উল্লেখনীয় আৱদান যোগাই আহিছে। তাহানিতে অসমীৰ বুকুত ৰাণী সাধনী, জয়মতী, মূলাগাভৰু, নাং ব্ৰক গাভৰু, চাওচিং কুঁৱৰী, ৰমণী গাভৰু, ফুলেশ্বৰী কুঁৱৰী, ৰাণী কুৰঙ্গনয়নী আদিয়ে জন্ম লাভ কৰি নাৰীৰ ত্যাগ আৰু সাহসৰ স্বৰ্ণাভ ইতিহাস ৰচনা কৰি থৈ গৈছে। বিভিন্ন ৰাজতন্ত্ৰৰ শাসন কালত জন্মা এইসকল মহীয়সী নাৰীৰ অৱদান ইতিহাসৰ পাতত সদায় মচিব নোৱৰাকৈ লিপিবদ্ধ হৈ আছে। শিক্ষা-দীক্ষা, কলা-সংস্কৃতি, সাহিত্য-বিজ্ঞান, ৰাজনীতি, সমাজ সংগঠন আদিৰ ক্ষেত্ৰতো অসমীয়া নাৰীৰ অৱদান সদায় চিৰস্মৰণীয় হৈ আছে। পৰৱৰ্তী সময়ত জন্ম লাভ কৰা কনকলতা, আইদেউ সন্দিকৈ, নিৰ্মলপ্ৰভা বৰদলৈ, নলিনীবালা দেৱী, চন্দ্ৰপ্ৰভা শইকীয়ানী, মামনী ৰয়চম গোস্বামী আদি মহীয়সী নাৰীৰ আৱদান সমাজৰ বিভিন্ন দিশৰ উত্তৰণত মন কৰিবলগীয়া।

অসমৰ ইতিহাসত নিজৰ বৰ্ণিল জীৱনেৰে স্বৰ্ণাভ কৰি যোৱা ৰাণী সাধনী চুতীয়া জাতিৰ গৌৰৱৰ ধ্বজা হৈ জিলিকি আছে আৰু ভৱিষ্যতেও থাকিব। সাধনীৰ ত্যাগ আৰু আদৰ্শ কেৱল চুতীয়া জাতিৰ কাৰণেই নহয়, সমগ্ৰ নাৰী জাতিৰ সৰ্বকালৰ বাবেই স্বাভিমানৰ উজ্বল নিদৰ্শন। ব্যক্তিবাদী আৰু বস্তুবাদী চিন্তা-চেতনাত সৰ্বস্ব সপি দিয়া আজিৰ অধিকাংশ নাৰীৰ কাৰণে চুতীয়াৰ ৰাণী সাধনীৰ ত্যাগ, দেশপ্ৰেম, জাতিপ্ৰেম আদি সাঁথৰ যেনেই লাগিব কিন্তু ইতিহাসৰ পাতত খোদিত হৈ থকা এনেবোৰ বীৰাংগণা নাৰীৰ আদৰ্শই দেশ-জাতি-সমাজক সদাই অনুপ্ৰাণিত কৰি আহিছে আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈকে উদ্বুদ্ধ কৰি যাব। ৰাণী সাধনীৰ দৰে প্ৰত্যুৎপন্নমতি বীৰাংগণা নাৰীৰ জাতীয় চেতনাৰ বুকুত অসমীয়া জাতিৰ ঐতিহাসিক দেশপ্ৰেমবোধৰ পৰিচয় পত্ৰ লোকাই আছে। প্ৰবিত্ৰ অসম ভূমিক বহু কেইগৰাকী মহীয়সী তথা বীৰাংগণা নাৰীয়ে দেশ আৰু জাতিপ্ৰেমৰ স্বাৰ্থত দি যোৱা আত্মবলিদানৰ কাহিনীয়ে ধন্য কৰিছে। এই সকল মহীয়সী তথা বীৰাংগণা নাৰীৰ স্বদেশ আৰু স্বজাতিৰ হকে আগবঢ়োৱা চৰম আত্মত্যাগে অসম মাতৃক যুগ যুগান্তলৈকে ধন্য কৰিব। জাতি-জনগোষ্ঠীৰ অপূৰ্ব মিলনভূমি অসমৰ খিলঞ্জীয়া চুতীয়া জনগোষ্ঠীৰ শেষৰ গৰাকী মহীয়সী তথা বীৰাংগণা নাৰী আছিল ৰাণী সাধনী। যি গৰাকী ৰাণীয়ে দেশপ্ৰেমৰ চৰম নিদৰ্শন বুকুত বান্ধি আহোম ৰজাৰ প্ৰস্তাৱিত ৰাজকীয় জীৱনক তুচ্চ জ্ঞান কৰি স্বদেশ আৰু স্বজাতিৰ স্বাভিমান ৰক্ষাৰ স্বাৰ্থত এক অতুলনীয় চানেকীৰে আত্মহননৰ পথ বাছি লৈ খোদিত কৰি গ'ল চুতীয়া জাতিৰ স্বৰ্ণিল ইতিহাস। যি ইতিহাসৰ বুকুত চুতীয়া জাতিৰ শৌৰ্য-বীৰ্যৰ সূৰ্য সৰ্বকালৰ বাবে প্ৰোজ্বল হৈ থাকিব।

বুৰঞ্জীৰ মতে চুতীয়া জাতিৰ প্ৰথমজন ৰজা জয়পাল আৰু শেষৰ জন ৰজাৰ নাম আছিল নীতিপাল। চুতীয়া সকলে

১১১১ পৰা ১৪৪৫ শকলৈকে ৰাজত্ব কৰিছিল বুলি তথ্য পোৱা যায়। ধীৰ নাৰায়ণ আছিল চুতীয়াৰ অষ্টম জন ৰজা। চুতীয়া ৰজা সকলৰ ভিতৰতে তেওঁ বৰ ধৰ্মপ্ৰিয় আৰু সত্যবাদী আছিল। বহুদিন ৰজা ধীৰ নাৰায়ণ নিঃ সন্তান হৈ থাকিবলগীয়া হৈছিল। ইষ্ট দেৱতাক বহু বছৰ পূজা সেৱা কৰাৰ পাছত তেওঁৰ এটি কণ্যা সন্তানৰ জন্ম হয়। সাধি সাধি পোৱা কাৰণে নাম থলে সাধনা। ৰূপে গুণে জাকতজিলিকা ৰাজকণ্যা সাধনী এদিন স্বাভাৱিক ধৰণেই ডাঙৰ হ'ল। ৰজা ধীৰ নাৰায়ণে নিজ কণ্যা গাভৰু হৈ অহা দেখি উপযুক্ত পাত্ৰ বিচাৰি চিন্তাত পৰিবলৈ ধৰিলে। এনেকৈ মনে মনে ৰজা ধৰ্মধ্বজপালে বিবাহ উপযুক্ত কণ্যাৰ কথা ভাবি-চিন্তি থাকোতেই শদিয়াৰ ৰাজ কোঁৱৰৰ মৰিশালিৰ ওচৰেদি পাৰ হৈ যাওঁতে খৰকৈ অহা-যোৱা কৰি থকা এটা বনৰীয়া কেৰ্কটুৱা দেখা পালে। ঠিক তেনেতে তেওঁৰ মনত এটা অদ্ভুত চিন্তাই বাঁহ বান্ধিলে। ৰজাই লগে লগেই ঘোষণা কৰিলে যে যিজন ৰাজকুমাৰে মৰিশালিৰ ওপৰত বগাই ফুৰা বনৰীয়া কেৰ্কটুৱাটো একেপাট কাঁড়েৰে বিন্ধিব পাৰিব তেওঁলৈকে ৰাজকণ্যা সাধনীক বিয়া দিব। কথা মতেই কাম ৰজাই ৰাজপৰিয়ালৰ সকলোৰে লগত আলোচনা কৰি ৰাজ্যৰ বাহিৰে ভিতৰে কণ্যাৰ সয়ম্বয়ৰ কথা ঘোষণা কৰি দিলে। এদিন ৰজাৰ ঘোষণা মতেই নিৰ্দিষ্ট দিনত ৰাজকণ্যা সাধনীৰ সয়ম্বয়ৰ অনুষ্ঠিত হ'ল। দেশ-বিদেশৰ বহুতো সুন্দৰ সুন্দৰ ৰাজকুমাৰ আহি সয়ম্বৰ স্থলিত উপস্থিত হ'লহি। নিৰ্দিষ্ট সয়ম্বৰ অনুষ্ঠিত হ'ল। এজন এজনকৈ উপস্থিত ৰাজকুমাৰে শদিয়াৰ মৰিশালিৰ টীপত ঘূৰি ফুৰা বনৰ বনৰীয়া কেৰ্কটুৱাটো একে পাট কাঁড়েৰে বিন্ধিবৰ কাৰণে প্ৰচেষ্টা চলাই গ'ল। সময় পাৰ হৈ যোৱাৰ লগে লগে তাত উপস্থিত থকা ৰাইজৰ মনত তীব্ৰ কৌতুহলৰ সৃষ্টি হ'ল। কাৰণ ইজনৰ পাছত সিজন ৰাজকুমাৰে নিৰ্দষ্ট লক্ষ্যত উপনীত হোৱাত চৰম ব্যৰ্থ হৈছে। এটা সময়ত উৎকণ্ঠাই শীৰ্ষ পৰ্যায় পালেগৈ যেতিয়া কোনো এজন ৰাজকুমাৰেই লক্ষ্য ভেদ কৰিব নোৱাৰিলে। তেনে পৰিস্থিতিত বিমূৰত পৰিল ৰজা ধৰ্মধ্বজপাল, শেষত উপায়ন্ত হৈ তেওঁ সয়ম্বৰৰ চৰ্ত শিঠিল কৰিবলৈ বাধ্য হ'ল আৰু ঘোষণা কৰিলে যদি কোনো সাধাৰণ ধনুৰ্ধৰেও বনৰীয়া কেৰ্কটুৱাটো একে পাট কাঁড়েৰে শৰবিদ্ধ কৰিব পাৰে তেন্তে সাধনী ৰাজকণ্যাক লাভ কৰিবলৈ সক্ষম হ'ব। তেনেতে সয়ম্বৰ স্থলিত এটা অঘটন ঘটিল। সৰুৰে পৰা চিকাৰত পাৰ্গত নিতাই নামৰ সাধাৰণ চুতীয়া বংশজাত লৰা এটাই আগুৱাই গৈ একে পাট শৰেৰে বনৰীয়া কেৰ্কটুৱাটো মাটিত বগৰাই দিলে। ঘটনাৰ ক্ৰমঃ দেখি সকলো ৰাজকুমাৰৰ মুখৰ মাত হেৰাল। সয়ম্বৰৰ উৎকণ্ঠাৰ অন্ত পেলাই ৰজা ধৰ্মধ্বজপালে সকলোৰে নীৰৱতা ভংগ কৰি পুণৰ ঘোষণা কৰিলে ৰাজকীয় পণ ৰক্ষা কৰি তেওঁ ৰাজ কণ্যা সাধনীক সাধাৰণ চুতীয়া বংশজাত নিতাই লৈকে বিয়া দিব। অৱশেষত কাৰ্যত সেয়াই হ'ল। নিতাইনামৰ চিকাৰত পাৰ্গত লৰাটোলৈকে ৰাজ কণ্যা সাধনীক ৰাজাই বিয়া দিলে। ভাগ্যৰ বিড়ম্বনাত ৰাজকণ্যা সাধনীয়ে সাধাৰণ চুতীয়া বংশজাত নিতাই লগতেই বিয়াত বহি জীৱন অতিবাহিত কৰিবলৈ বাধ্য হ'ল। নিজৰ জীৱনৰ সম্পৰ্কে সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত ৰাজ কণ্যা সাধনীৰ ইচ্ছা-অনিচ্ছাৰ কোনো গুৰুত্ব নাথাকিল। সয়ম্বৰ স্থলিত সমবেত হোৱা দেশ-বিদেশৰ সুন্দৰ ৰাজকুমাৰসকল নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'ব নোৱাৰি ব্যৰ্থ হৈ হতাশ মনেৰে অহা বাটেৰে ঘূৰি যাবলৈ বাধ্য হ'ল।

পৰৱৰ্তী সময়ত নিতাইয়েই নীতিপাল নাম লৈ চুতীয়া ৰাজ্যৰ ৰজা হয়। ৰজা ধৰ্মধ্বজপালে বিয়াৰ কেইবছৰ মানৰ পাছত জীয়েক জোঁৱায়েকৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰি বাণপ্ৰস্থী হয়। যাবৰ পৰত তেওঁ চুতীয়া ৰাজ্যৰ কুবেৰ প্ৰদত্ত সম্পদ কেইপদৰ লগতে ঐতিহাসিক সকলো শৌৰ্য-বীৰ্য সাধনী আৰু নীতাইৰ হাততেই এৰি যায়। কিন্তু দুৰ্ভাগ্যজনক ভাৱে চুতীয়া ৰাজ্যৰ বিড়ম্বনা তেতিয়াৰ পৰাই আৰম্ভ হ'বলৈ ধৰে। ৰাজকাৰ্যৰ কোনো অভিজ্ঞতা নথকা নীতাইৰ হাতত চুতীয়া ৰাজ্যই ক্ৰমান্বয়ে বিপৰ্যৰৰ সন্মুখীন হ'বলৈ ধৰিলে। ৰজা নীতিপালে ৰাজকাৰ্যতকৈ অধিক মাছ ধৰা, পশু বা অন্যান্য চিকাৰতহে মগ্ন থাকিবলৈ ললে । তদুপৰি নীতিপালে ৰাজবিষয়া সকলৰ লগত কোনো আলোচনাত নবহে আৰু বিষয়াৰ হাক বচনক কোনো ধৰণৰ গুৰুত্ব নিদিয়া হ'ল। চকুৰ আগতে নীতিপালে এনেকৈ চুতীয়া ৰাজ্যৰ বেলি যোৱাৰ ইতিহাস ৰচিবলৈ ধৰিলে। ৰজাৰ এনেবোৰ আচৰণত বিষয়া





বৰ্গও ভীষণ অসন্তুষ্ট হৈ উঠিল আৰু ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ ধৰিলে। আনহাতে ৰজাইও এনে বিদ্ৰোহৰ উমান পাই পুৰণা বিষয়া সকলক আঁতৰাই তেওঁলোকৰ ঠাইত নতুন বিষয়াৰ নিযুক্তি দিলে। অনভিজ্ঞ তথা নতুন বিষয়া সকলৰ হাতত পৰি চুতীয়া ৰাজ্যৰ দুৰ্দশা দুগুণে বৃদ্ধি পাবলৈ ধৰিলে। ৰাজনৈতিক অস্থিৰতাই চুতীয়া ৰাজ্যলৈ চৰম অশান্তি আৰু বেমেজালি নমাই আনিলে। ৰাজকাৰ্যত ৰাণী সাধনীয়ে স্বামী নীতিপালক বিভিন্ন দিশত সহায় কৰিছিল যদিও মন্ত্ৰী-বিষয়া সকলে এগৰাকী নাৰীৰ হস্তক্ষেপ কোনো কাৰণতে মনে প্ৰাণে মানি ল'ব পৰা নাছিল। এই লৈও তেওঁলোকৰ মাজত সংঘাত ঘনীভূত হৈ পৰিছিল। আভ্যন্তৰীণ কণ্ডলে ৰাজ্যখনক দিক্ ভ্ৰান্ত কৰি পেলাইছিল।

১৫২৩ খৃঃ ত আভ্যন্তৰীণ অন্তঃকণ্ডলৰ সুযোগ লৈ আহোম ৰজা চুহুংমুঙে বুঢ়াগোঁহাই আৰু বৰগোঁহাইৰ অধীনত এক বিশাল বাহিনী চুতীয়া ৰাজ্যক আক্ৰমণৰ বাবে প্ৰেৰণ কৰিলে ।আহোম ৰজাই এইবাৰ চুতীয়া ৰাজ্য আক্ৰমণৰ কাৰণ পূৰ্বতকৈ কিছু সুকীয়া আছিল। তেওঁলোকৰ আক্ৰমণৰ মূল লক্ষ্য আছিল অনিন্দ্য সুন্দৰী ৰাণী সাধনী আৰু চুতীয়া ৰাজ্যৰ কুবেৰ প্ৰদত্ত ঐশ্বৰিক ৰাজ সম্পদ সোণৰ মেকুৰি, ঢাল-তৰোৱাল হস্তগত কৰা। সুযোগসন্ধানী আহোমৰ লগত ডিব্ৰু নৈৰ পাৰত হোৱা যুদ্ধত চুতীয়া সকলে পৰাস্ত হৈ প্ৰায় ৫০০০ সৈন্য হেৰুৱালে। ইয়াৰ পাছত বিজয়ী আহোম সকলে পিছে পিছে চুতীয়া সকলক খেদি যোৱাত ৰজা নীতিপালে উপায়বিহীন হৈ আহোম ৰাজ্যলৈ মিত্ৰতাৰ প্ৰস্তাৱ প্ৰেৰণ কৰিলে। কিন্তু আহোম ৰজাই চৰ্তসাপেক্ষে এই প্ৰস্তাৱক নাকচ কৰিলে। যেতিয়ালৈকে চুতীয়া ৰাজ্যৰ কুবেৰ প্ৰদত্ত ঐতিহ্যপূৰ্ণ ৰাজ সম্পদ নাপায় তেতিয়ালৈকে সন্ধি সম্ভৱ নহয় বুলি কোৱাত পুণৰ দুয়ো পক্ষৰ মাজত যুদ্ধ চলিল। এইবাৰ আহোম সৈন্য বাহিনীয়ে চুতীয়া ৰাজ্যৰ ৰাজধানী শদিয়া অধিকাৰ কৰি কৌশলেৰে চন্দ্ৰনগিৰি পৰ্বত পৰ্যন্ত আক্ৰমণ কৰিলে য'ত তেওঁলোকে বহু চুতীয়া সৈন্য আৰু ৰজা নীতিপালকো হত্যা কৰিবলৈ সক্ষম হ'ল। অৱশেষত স্বামীৰ মৃত্যুৰ পাছত ৰাণী সাধনীক আহোম সৈন্যৰ হাতত আত্মসমৰ্পণৰ আদেশ তথা সুযোগ দিয়া হ'ল। প্ৰৱল সাহসী আৰু নৈতিকতাৰ প্ৰতীক ৰাণী সাধনীয়ে আহোম সেনাপতিৰ অভিপ্ৰায় সহজে বুজি উঠিলে আৰু সেয়ে মুক্তিৰ অন্য কোনো পথ নেদেখি আহোম ৰজাৰ বৈষয়িক সম্ভোগৰ গৰাকী হোৱাতকৈ দেশ-জাতি-সমাজৰ সততা আৰু সংগ্ৰামৰ নিদৰ্শন হৈ সতীত্ব ৰক্ষা কৰি বীৰাংগণাৰ বেশেৰে আত্মত্যাগকে শ্ৰেয়ঃ বুলি গ্ৰহণ কৰিলে। সাধনীয়ে শেষ পৰিস্থিতিত বুকুত কুবেৰ প্ৰদত্ত অলৌকিক সম্পদ কেইপদ বান্ধি চন্দ্ৰনগিৰি পৰ্বতৰ পৰা জপিয়াই আত্মহত্যা কৰিলে। ৰাণী সাধনীৰ এনে আত্মত্যাগৰ অনন্য কাহিনীয়ে কেৱল চুতীয়া জাতিৰেই নহয় সমগ্ৰ নাৰী জাতিৰ বাবেই নৈতিকতা, গৌৰৱ আৰু স্বাভিমানৰ চিৰ জাগ্ৰত প্ৰতীক হৈ জিলিকি ৰৈছে সৰ্বকালৰ বাবে। ৰাণী সাধনীয়ে চন্দ্ৰনগিৰি পৰ্বতৰ পৰা জপিয়াই আত্মহত্যা কৰাৰ পাছত ৰজা চুহুংমুঙে সমগ্ৰ চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল কৰিলে আৰু উক্ত নতুন অঞ্চলটো প্ৰশাসনৰ বাবে শদিয়াখোৱা গোঁহাই নামৰ এটা নতুন পদৰ সৃষ্টি কৰি প্ৰশাসনৰ দায়িত্ব ন্যস্ত কৰিলে। এই পদত নিযুক্ত প্ৰথম জন শদিয়াখোৱা গোহাঁই হ'ল যুদ্ধ জয়ৰ সেনাপতি ফ্ৰাচেংমুন বৰগোঁহাই।

ৰাণী সাধনী বুৰঞ্জীৰ পাতত জিলিকি থকা এটা উজ্বল নক্ষত্ৰই কেৱল নহয়, নাৰী সমাজৰ কাৰণে স্বাভিমানৰ শক্তিশালী নিদৰ্শন। আজিৰ নাৰী সমাজে ৰাণী সাধনীৰ স্বাভিমানৰ এই আদৰ্শক অন্তৰে গ্ৰহণ কৰিব পাৰিলে নিশ্চিতভাৱে আমি এখন সুন্দৰ মানৱ সমাজ প্ৰতিষ্ঠা কৰিব পাৰিম। দেশ-জাতিৰ স্বাভিমান ৰক্ষাৰ বাবে এগৰাকী নাৰীৰ চৰম ত্যাগৰ নিদৰ্শন বিশ্ব ইতিহাসৰ বুকুতো বিৰল। ইচ্ছ কৰা হ'লে ৰাণী সাধনীয়ে আহোম ৰজাৰ ৰাজকীয় তথা লোভনীয় প্ৰস্তাৱ গ্ৰহণ কৰি ৰাণীৰ মৰ্যাদাৰে বিলাসী জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন কিন্তু তেখেতে নিজৰ জীৱনতকৈ দেশ-জাতিৰ স্বাভিমান উৰ্ধত বুলিহে বিবেচনা কৰিলে। এগৰাকী ৰাণীৰ পক্ষে এনে ত্যাগ কল্পনাতীত। ৰাণী সাধনীয়ে দেশ প্ৰেমৰ চানেকিৰে সেই অসম্ভৱ কামকে সম্ভৱ কৰি থৈ গ'ল। সম্প্ৰতি বিশেষভাৱে চৰ্চিত নাৰীৰ স্বাধীনতা, সৱলীকৰণ আদি ধাৰণাসমূহে নাৰী সমাজক আগুৱাই নিবলৈ সক্ষম হৈছে যদিও

সমাজৰ একাংশ নাৰীয়ে ইয়াক অপব্যাখ্যা বা অপপ্ৰয়োগৰ মাধ্যমেৰে কেতবোৰ জটিলতাও নমাই আনিছে। সেইসকলে নাৰীৰ স্বাধীনতা অথবা সৱলীকৰণ মানে নাৰীৰ অবাধ স্বাধীনতা বুলি গণ্য কৰিবলৈ লৈছে। যাৰ বিৰূপ প্ৰভাৱে নাৰী সমাজকো বিধ্বস্ত কৰিছে।

মানৱ সভ্যতা প্ৰতিষ্ঠা আৰু বিকাশত মহিলাৰ ভূমিকা অনন্য। আমাৰ গোটেই মানৱ সমাজখনৰ প্ৰায় আধা সংখ্যকেই মহিলা যদিও পুৰুষ প্ৰধান সমাজখনৰ দ্বাৰা মহিলা সকল সদায় শোষিত, পদলেহিত বঞ্চিত, লাঞ্চিত হৈ আহিছে। পৰম্পৰাগতভাৱে পুৰুষ প্ৰধান সমাজখনে মহিলাসকলক ভোগৰ সামগ্ৰী বুলি গণ্য কৰা পৰম্পৰা এতিয়াও শেষ হোৱা নাই। সামগ্ৰিকভাৱে চাবলৈ গ'লে সমাজত মহিলাই এতিয়াও পুৰুষৰ দৰে সকলো ক্ষেত্ৰতে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিবলৈ সুযোগ পোৱা নাই। ইয়াৰ মূলতে দায়ী হ'ল প্ৰচলিত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা, নিৰক্ষৰতা, ধৰ্মান্ধতা ইত্যাদি। এলান্ধুকলীয়া ৰীতি-নীতিয়ে পৰিচালিত আমাৰ সমাজখনে মহিলাসকলক বিভিন্ন ধৰণে পদলেহিত কৰি অহাৰ উপৰিও শোষণ-নিস্পেষণ, দমন কৰিবলৈ অনুমতি প্ৰদান কৰিছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ধৰ্মীয় বা সাংস্কৃতিক কাম-কাজত আমাৰ মহিলাসকলৰ প্ৰত্যক্ষ তথা সক্ৰিয় অংশ গ্ৰহণ এতিয়াও সাৰ্বজনীন হৈ উঠা নাই। তদুপৰি ধৰ্মান্ধতাই মহিলাসকলক বহু সম্প্ৰদায়ৰ মাজত দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে জীয়াই থাকিবলৈ বাধ্য কৰিছে।

*লেখক, সহকাৰী অধ্যাপক, মৰাণ মহিলা মহাবিদ্যালয়*
*ফোন - ৯৯৫৪৯৬০৫৪৩*





# মিতালী ফুকনৰ জীৱনীমূলক উপন্যাস আইদেউ ঃ কালৰ মাহাত্ম্য

**ড° মঞ্জু লস্কৰ**

(১)

এগৰাকী লেখিকা হিচাপে মিতালী ফুকনে ১৯৯৭ চনত 'নূপুৰ পিন্ধা বৰষুণ' নামৰ কাব্য সংকলনেৰে অসমীয়া সাহিত্য জগতত প্ৰৱেশ কৰে। ইয়াৰ পাছত ১৯৯৯ চনত 'কাৰগিলৰ বীৰ শ্বহীদ জিণ্টু গগৈ' (জীৱনী গ্ৰন্থ), ২০০১ চনত 'অস্তিত্ব' (গল্প সংকলন), ২০০৭ চনত 'অকণিহঁতৰ সাধু সংগ্ৰহ' (সম্পাদনা) আৰু ২০০৭ চনত 'কিশোৰ অপৰাধ আৰু ন্যায় প্ৰদান আইন' (অনুবাদ) গ্ৰন্থ প্ৰকাশ কৰে। প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী'ৰ নায়িকা আইদেউ সন্দিকৈৰ বিষয়ে লিখা 'আইদেউ' নামৰ 'গৱেষণামূলক উপন্যাসখন' অসমীয়া সাহিত্যলৈ লেখিকাৰ এক উল্লেখনীয় বৰঙণিৰূপে স্বীকৃত হৈছে। 'নন্দিনী' আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ হোৱা 'আইদেউ' উপন্যাসখন ২০০৩ চনত প্ৰথমবাৰ বীণাপাণি প্ৰকাশনৰ অভিজিৎ ভট্টাচাৰ্যই প্ৰকাশ কৰে আৰু ২০১০ চনত কৌস্তভ প্ৰকাশনে দ্বিতীয়বাৰ প্ৰকাশ কৰে।

১৯৯৬ চনত আইদেউ সন্দিকৈক লগ পাবলৈ মিতালী ফুকন গোলাঘাটৰ কমাৰগাঁৱৰ ওচৰৰ পানীদিহিঙীয়া গাঁৱলৈ গৈছিল। লেখিকাই আইদেউৰ অতীত আৰু বৰ্তমানৰ বহু তথ্য সত্যানুসন্ধানীৰ দৃষ্টিৰে উদ্‌ঘাটন কৰি সেই তথ্যবোৰক আধাৰ হিচাপে লৈ 'আইদেউ' উপন্যাসখন ৰচনা কৰিছে। আইদেউ উপন্যাসখন ৰচনাৰ নেপথ্যৰ কথা পিছলৈ আলোচনা কৰা হ'ব।

(২)

উপন্যাসখন বিচাৰ কৰিবলৈ যোৱাৰ বাটচ'ৰাত উপন্যাসখনত প্ৰকাশ পোৱা কাহিনীভাগ থোৰতে উল্লেখ কৰা প্ৰাসংগিক হ'ব—

গোলাঘাট জিলাৰ বোকাখাত মহকুমাৰ অন্তৰ্গত মহুৰা মৌজাৰ পানীদিহিঙীয়া নামৰ গাঁওখনত ১৯২০ চনৰ চ'ত মাহত আইদেউ সন্দিকৈৰ জন্ম হয়। নীলাম্বৰ সন্দিকৈ আৰু মালক্ষ্মী সন্দিকৈৰ প্ৰথম আৰু একমাত্ৰ কন্যা সন্তান আইদেউ সন্দিকৈ পৰিয়ালৰ আটাইৰে অতি মৰমৰ আছিল। কেশৱ সন্দিকৈ, জয়চন্দ্ৰ সন্দিকৈ আৰু মইনা সন্দিকৈ হ'ল আইদেউৰ সহোদৰ ভাতৃ।

সেই সময়খিনিত পানীদিহিঙীয়া অঞ্চলত এখনো পঢ়াশালী নথকাৰ কাৰণে আইদেউ সন্দিকৈয়ে আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয়। গোটেই জীৱনটোত পঢ়াশলীয়া শিক্ষাৰ অভাৱৰ বাবে তেওঁ যথেষ্ট মানসিক কষ্ট পাবলগীয়া হৈছিল। যি কি নহওঁক আইতাকৰ চেনেহ মিহলি শাসনৰ দ্বাৰা অনুশাসিত হৈ নিৰ্জু প্ৰকৃতিৰ আইদেৱে এদিন গাভৰু জীৱনত ভৰি থয়।

১৯৩৩-৩৪ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ নিচিনা ঠাইত ছবি নিৰ্মাণৰ প্ৰস্তুতি চলায়। চিনেমা নিৰ্মাণৰ ক্ষেত্ৰত তেওঁ আটাইতকৈ বেছিকৈ অভিনেত্ৰীৰ অভাৱত অসুবিধাত পৰিছিল। কিয়নো অসমীয়া ৰক্ষণশীল সমাজত ছোৱালীৰ বাবে সহ-অভিনয় নিষিদ্ধ আছিল। অভিনয় কৰা ছোৱালীক সমাজে নিন্দা কৰিছিল আৰু অভিনয় কৰা ছোৱালীৰ বাবে বিয়াৰ দুৱাৰ বন্ধ হৈ গৈছিল। জ্যোতিপ্ৰসাদে নিজে অভিনেত্ৰী বিচাৰি বহু ঠাইত অপমানিত হ'বলগীয়া হৈছিল। তেওঁক এই সমস্যাৰপৰা সহায় কৰিবলৈ আগবাঢ়ি আহিছিল, তেওঁৰ বন্ধু আৰু আইদেউৰ সম্বন্ধীয় ককায়েক ডিম্ব গোহাঁই নামৰ ব্যক্তি এজন। সম্বন্ধীয় ককায়েক হোৱাৰ অজুহাতত ডিম্ব গোহাঁয়ে আইদেউ সন্দিকৈৰ এখন ফটো তুলি জ্যোতিপ্ৰসাদক দেখুৱাইছিল। ফটো চাই আহোমগঢ়ী আইদেউৰেই জয়মতীৰ নাম ভূমিকাত অভিনয় কৰিবলৈ উপযুক্ত হ'ব বুলি ভাবি ডিম্ব গোহাঁইক আইদেউক অনাৰ দায়িত্ব দিয়ে।

আইদেউ আৰু ভায়েক কেশৱক 'পানীত ওপঙা ঘৰ' দেখুৱাম বুলি ডিম্ব গোহাঁয়ে তেওঁৰ লগত আহিবলৈ সন্মত কৰায় আৰু ধনশিৰিৰ বুকুয়েদি জাহাজেৰে আহি গামিৰিঘাটত নমায়। তাৰপৰা জ্যোতিপ্ৰসাদৰ বিলাতৰ গাড়ী 'চেভেৰলেট'ত উঠি ভোলাগুৰি চাহ বাগিচা পায়। সৰল স্বভাৱৰ আইদেৱে প্ৰথমে কথাটোৰ ওৰাদিহ পোৱা নাছিল। পিছত জয়মতীৰ অভিনয় কৰিব লাগিব বুলি গম পাই ভয়, শংকাত হতভম্ব হয়। বিশেষকৈ সমাজৰ চকুত নিন্দাৰ পাত্ৰী হোৱাৰ ভয়ত সমাজৰ গ্লানি, দুৰ্ব্যৱহাৰ আদিৰ কথা ভাবি কান্দি-কাটি ব্যাকুল হৈ ঘৰলৈ উলটি আহিবলৈ খাটনি ধৰে। আইদেউৰ অৱস্থা দেখি জ্যোতিপ্ৰসাদৰ ডিম্ব গোহাঁইৰ ওপৰত সন্দেহ হয়। তেওঁ ডিম্ব গোহাঁইক জেৰা কৰে আৰু গোহাঁয়ে স্বীকাৰ কৰে যে— আইদেউক নজনোৱাকৈ দেউতাকক মান্তি কৰাই জাহাজ চাবলৈ বুলিহে তেওঁক লৈ আনিছে। কথাটো গম পাই জ্যোতিপ্ৰসাদে ডিম্ব গোহাঁইক খং কৰে আৰু আইদেউৰ দেউতাক নীলাম্বৰ সন্দিকৈক মাতি পঠিয়ায়। শেষত জ্যোতিপ্ৰসাদ, ডিম্ব গোহাঁই আৰু দেউতাকৰ বুজনিত আইদেউৱে জয়মতী চৰিত্ৰত অভিনয় কৰিবলৈ প্ৰস্তুত হয়।

অভিনয়ৰ আও-ভাও নজনা আইদেউক অভিনয়ৰ 'ক' ফলা শিকাই জ্যোতিপ্ৰসাদে 'জয়মতী' চৰিত্ৰ ৰূপায়ণৰ বাবে সাজু কৰে। নানা অসুবিধাৰ মাজেৰে শ্বুটিং আৰম্ভ হয়। জ্যোতিপ্ৰসাদে শিকাই-বুজাই দিয়াৰ দৰে আইদেৱে অভিনয় কৰে। শ্বুটিং চলি থকা সময়খিনিত এদিনাখন আইদেউৰ জীৱনলৈ হঠাতে এটা সংকট আহে। সেইদিনাখন বিশেষ কাৰণত জ্যোতিপ্ৰসাদ শ্বুটিঙত উপস্থিত থাকিবলৈ নোৱাৰিলে। জয়মতীক গদাপাণিৰ বিষয়ে জেৰা কৰা এটা দৃশ্যত স্বামীৰ সম্ভেদ দিবলৈ অস্বীকাৰ কৰাৰ বাবে জয়মতীৰ চৰিত্ৰত অভিনয় কৰা আইদেউক সেইদিনা জেৰেঙা পথাৰত গাঁঠি হাজৰিকাৰ অভিনয় কৰা ফণী শৰ্মাই চমতাৰে সঁচাকৈ কোবাবলৈ লয়। চাবুকৰ কোবত আইদেউৰ পিঠিত বন্ধা ঢকুৱা ফাটি মঙহত লাগে আৰু ছাল ফাটি তেজ ওলাবলৈ ধৰে। ফলত আইদেউ মৃতপ্ৰায় হয়। শ্বুটিঙৰ কাম সামৰি আইদেউক 'চিত্ৰবন'লৈ লৈ যোৱা হ'ল। পিঠিৰ অসহ্য যন্ত্ৰণাত আইদেউ কান্দি-কাটি বাউলী হয়। ফলা পিঠিৰ বিষত বহুদিন আইদেউ চিকিৎসাধীন হৈ জ্যোতিপ্ৰসাদৰ নিজৰ বঙলাত থাকে। তেওঁক জ্যোতিপ্ৰসাদৰ খুৰীয়েকে আৰু পৰিয়ালৰ অন্যান্য লোকসকলে শুশ্ৰূষা কৰে। জ্যোতিপ্ৰসাদৰ তত্ত্বাৱধানত বিশ দিনমান চিকিৎসাধীন হৈ, তেওঁৰ পৰিয়ালৰ মানুহৰ মৰমৰ আপডালত আইদেউ লাহে লাহে সুস্থ হৈ উঠে। যদিয়ো





আইদেৱে অশেষ কষ্ট পালে, তথাপি কোনো দিন কাকো তেওঁ এই বিষয়ে কটু কথা নক'লে, দোষাৰোপ নকৰিলে নতুবা অভিযোগ নকৰিলে। কিছু সুস্থ হোৱাৰ লগে লগে আইদেৱে 'জয়মতী'ৰ বাকী থকা অভিনয়খিনি জ্যোতিপ্ৰসাদে বিচৰাৰ দৰে কৰে।

এটা সময়ত জয়মতীৰ শ্বুটিং শেষ হয়। আইদেউ সন্দিকৈ আৰু একেখন মৌজাৰ আন দুগৰাকী সহ-শিল্পী মোহনী (উল্লেখ যোগ্য যে, ঔপন্যাসিকাই মোহিনী ৰাজকুমাৰী নামটোৰ ঠাইত মোহনী ৰাজকুমাৰী বুলিহে উপন্যাসখনত উল্লেখ কৰিছে।) আৰু ব্ৰতেশ্বৰী ৰাজকুমাৰীৰ সৈতে নিজৰ ঘৰলৈ উলটি আহে। শ্বুটিং চলি থকা অৱস্থাত আইদেউৰ অজ্ঞাতে তেওঁলোকৰ ঘৰখনক সমাজে এঘৰীয়া কৰিছিল। ওচৰ-চুবুৰীয়াই কটু কথা আৰু ব্যঙ্গ-বাণেৰে নীলাম্বৰ সন্দিকৈ আৰু মালক্ষ্মীৰ কাণ থকা-সৰকা কৰি জীৱন দুৰ্বহ কৰি পেলাইছিল। ঘৰ পোৱাৰ লগে লগে আইদেউৱে জীৱনৰকঠিনতম পৰীক্ষাৰ সন্মুখীন হয়। মাকে কোনো কাৰণতে আইদেউক ক্ষমা কৰিব নোৱাৰিলে। সমাজ-বিবৰ্জিতা নাৰী হিচাপে আইদেউ চিহ্নিত হ'ল। আনকি মাক-বাপেকেও আইদেউক একেলগে থাকিবলৈ নিদি নিলগত সুকীয়াকৈ বাঁহৰ ঘৰ এটা সাজি থাকিবলৈ দিলে। সমাজে বহিষ্কাৰ কৰা আইদেৱে নিজৰ মাতৃৰ স্নেহ আৰু কৰুণাৰ পৰাও বঞ্চিতা হৈ অকলশৰীয়াকৈ জীৱন-যাপন কৰিবলগীয়া হ'ল। জয়মতী কথাছবিৰ নায়ক গদাপাণিৰ চৰিত্ৰত অভিনয় কৰা ফুলু বৰুৱাক 'বঙহৰদেউ' বুলি সম্বোধন কৰাটোৱেই আইদেউৰ অক্ষমনীয় অপৰাধ বুলি গণ্য কৰি সমাজে আইদেউক পতিতা নাৰী বুলি আখ্যা দিলে। জ্যোতিৰ জয়মতী আইদেউ সন্দিকৈ সমাজৰ দ্বাৰা নিৰ্বাসিত হ'ল। অসমীয়া কথাছবিত প্ৰথম মহিলা অভিনেত্ৰীৰ মুখ্য চৰিত্ৰত ৰূপদান কৰা আইদেউ সন্দিকৈয়ে অভিনয় কৰাৰ সোৱাদ বা সন্তুষ্টি ল'বলৈ নাপালে। বহু বছৰৰ পিছত নিজৰ ঘৰত দেখুওৱাৰ বাবেহে আইদেৱে ছবিখনৰ অংশ বিশেষ দেখা পালে। কিন্তু পৰিতাপৰ কথা প্ৰিণ্ট বেয়া হোৱাৰ বাবে আইদেউৱে নিজৰ অভিনয়খিনিয়ো সম্পূৰ্ণকৈ চোৱাৰ পৰা বঞ্চিত হয়।

আইদেৱে নিজৰ ঘৰখনত থাকিয়ো নিৰ্বাসিত জীৱন-যাপন কৰাৰ সময়ত তেওঁক সংগ দিয়া চেনেহৰ ভায়েক কেশৱ সন্দিকৈৰ বসন্ত ৰোগত পৰলোক প্ৰাপ্তি হয়। কেশৱৰ লগতে তেৰোঁ বসন্ত ৰোগত জীয়াতু ভুগিছিল। মৃত্যুৰ লগত যুঁজি থকা আইদেউক চোৰা-চিতা কৰিছিল এজন আদহীয়া ঘৰৰ বন কৰা লোকে। নিজৰ আত্মীয়-স্বজন আৰু সমাজৰ লোকে অৱহেলা কৰিছিল যদিও নিজৰ তেজ-মঙহৰ সম্বন্ধ নথকা ব্যক্তিজনে তেওঁক পৰিচৰ্যা কৰি জীয়াই থকাত সহায় কৰিছিল। আনকি নিৰ্বাসিত জীৱনত এই ব্যক্তিজনে আইদেউক বাঁহৰ কাঠি-কামিৰে পাচি, খৰাহী, চালনী, ডলা সাজিবলৈ শিকাই অৰ্থ উপাৰ্জনৰ পথ দেখুৱাই দিছিল।

নাৰীৰ সহজাত সকলোবোৰ গুণ আৰু সৌন্দৰ্য থকা সত্ত্বেও তেওঁক কেৱল অভিনয় কৰাৰ অপৰাধত অপৰাধী বুলি গণ্য কৰি সেই সময়ৰ ৰক্ষণশীল সমাজখনৰপৰা বিয়া কৰাবলৈ কোনো এজন অসমীয়া ল'ৰা ওলাই নাহিল। বহুত দিনৰ পিছত এদিন শিৱসাগৰৰপৰা ফুলু বৰুৱাই আইদেউক বিয়াৰ প্ৰস্তাৱ দিবলৈ আহিছিল। কিয়নো তেওঁ ঘূৰি ফুৰোতে বহুত ঠাইত আইদেউৰ দুৰৱস্থাৰ কথা শুনিবলৈ পাইছিল। বিশেষকৈ আইদেউক ঘৰৰ মূল ভেটিৰপৰা আঁতৰত গোহালিঘৰৰ কাষত সুকীয়াকৈ জুপুৰি এটা সাজি থাকিবলৈ দিয়া কথাই তেওঁক মৰ্মাহত কৰিছিল। তাতোকৈ তেওঁ সন্তাপ পাইছিল যেতিয়া তেওঁ গম পালে আইদেউক বিয়া কৰাবলৈ ল'ৰা নহাৰ কাৰণ তেওঁ স্বয়ং। টকীত গদাপাণিৰূপী তেওঁক 'বঙহৰ দেউ' বুলি সম্বোধন কৰাৰ বাবে আইদেউক কোনেও বিয়া কৰাবলৈ আগবাঢ়ি নহা বুলি শুনি তেওঁ সকলোৰে আগত আইদেউক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়ে। কিন্তু আইদেউৰ সমাজ আৰু সংসাৰৰ প্ৰতি সমূলি মোহ নাইকিয়া হৈছিল, মানুহৰ প্ৰতি আস্থা হেৰাই গৈছিল। আত্মনিৰ্ভৰশীল হৈ জীয়াই

থাকিবলৈ মানসিকভাৱে প্ৰস্তুত হোৱা আইদেউৱে নিঃসংকোচে ফুনু বৰুৱাৰ বিয়াৰ প্ৰস্তাৱ নাকচ কৰে।

তেওঁৰ প্ৰিয় মনুহবোৰ এজন এজনকৈ মৃত্যুৰ মুখত পৰে। প্ৰথমতে কেশৱ তাৰ পাছত দেউতাক আৰু মাকে চকু মুদে। এদিন আইদেউৰ ডাঙৰ ভায়েক জয়চন্দ্ৰই ঘৰ এৰি নিৰুদ্দেশ হয়। তেওঁৰ আটাইতকৈ প্ৰিয় জ্যোতিপ্ৰসাদেও কেন্সাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাবটি লয়।

কেতিয়াবা কেতিয়াবা আইদেউৰ খা-খবৰ ল'বলৈ মোহনী ৰাজকুমাৰী আৰু ব্ৰতেশ্বৰী ৰাজকুমাৰী আহিছিল। মোহনী ৰাজকুমাৰীয়ে সজোৱা অস্থায়ী মঞ্চত বিশ বছৰৰ পাছত পুনৰ আইদেৱে 'জয়মতী' চৰিত্ৰত ৰূপ দান কৰে। মাজে মাজে মোহনী ৰাজকুমাৰীয়ে খোলা বয়ন শিল্পৰ সূতাৰে ব্ৰতেশ্বৰীৰ সৈতে তাঁত লগাই ডাঙৰ ডাঙৰ ফুল বাচি বিক্ৰী কৰে। আনকো তাঁত ব'বলৈ, ফুল বাচিবলৈ শিকায়। এনেদৰে আইদেৱে প্ৰতিবন্ধকতা নেওচি আত্মনিৰ্ভৰশীল হৈ স্বাধীনচিতীয়া জীৱন-যাপন কৰিবলৈ লয়।

আইদেৱে জীৱনকালত অসমৰ সংস্কৃতিৰ পূজাৰীদ্বয় ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নাট্যপ্ৰবৰ ফণী শৰ্মা, ফুনু বৰুৱা, আব্দুল মালিক, ভূপেন হাজৰিকা আদি অনেক গুণী ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিল। সমাজৰ অৱহেলা, পৰিয়ালৰ অসহযোগিতাত জঁই পৰি নোযোৱাকৈ সমস্ত দুৰ্যোগক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি তেওঁ মূৰ তুলি জীয়াই থাকিল।

জীৱনৰ শেষৰ ফালে পৰিয়ালে তেওঁক গ্ৰহণ কৰিলে। সমাজেও আদৰি ল'লে। জীৱনৰ ভাটী বয়সত কিছু সচেতন ব্যক্তি, বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু চৰকাৰে আইদেউক শিল্পী হিচাপে স্বীকৃতি প্ৰদান কৰে। কোনো কোনোৱে আৰ্থিকভাৱে সহায় আগবঢ়ায়। বুৰঞ্জীপ্ৰসিদ্ধ মহাসতী জয়মতীক অভিনয়ৰে জীৱন দি জীয়াই ৰাখিবলৈ গৈ আইদেউৱে ফণী শৰ্মাৰ চমতাৰ কোব পিঠিত লৈ আজীৱন সমাজৰূপী জেৰেঙাৰ জয়মতী হ'ল— এই কৰুণ কাহিনীয়েই 'আইদেউ উপন্যাস'ৰ বিষয়বস্তু।

## (৩)

সাধাৰণতে উপন্যাসৰ বিদ্যায়তনিক আলোচনাত বিষয়বস্তু অনুযায়ী উপন্যাসৰ শ্ৰেণীবিভাগ কৰা হয়। যেনে— পৌৰাণিক উপন্যাস, ঐতিহাসিক উপন্যাস, সামাজিক উপন্যাস, ৰাজনৈতিক উপন্যাস, ৰোমাণ্টিক উপন্যাস, বাস্তৱবাদী উপন্যাস, চেতনা-স্ৰোত পদ্ধতিৰ উপন্যাস, চিত্ৰকল্পবাদী উপন্যাস, পত্ৰোপন্যাস, জীৱনীমূলক উপন্যাস, কাব্যধৰ্মী উপন্যাস, ডিটেকটিভ উপন্যাস, মনোবিশ্লেষণমূলক উপন্যাস ইত্যাদি। উপন্যাসক বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন কৰিলে অনেক বিভাগ লেথাৰি নিচিগাকৈ ওলাই থাকিব। আমাৰ আলোচনাত সেই বিষয়টোৰ বহল আলোচনাৰ প্ৰয়োজনীয়তা নিশ্চয় নাই। সেইবাবে সেই দিশটোৰ আলোচনাৰপৰা বিৰত থাকি পোনপটীয়াকৈ উপন্যাসৰ উক্ত বিদ্যায়তনিক শ্ৰেণীবিভাজনৰ এটা বিভাগ জীৱনীমূলক উপন্যাসৰ সংজ্ঞ্যাত্মক আলোচনাৰ আভাস এটাৰে আইদেউ উপন্যাসংখনৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ল।

জীৱনী হ'ল সঁচা মানুহৰ জীৱন-বৃত্তান্ত। সেই অৰ্থত সঁচা মানুহৰ জীৱনক অৱলম্বন কৰি ৰচনা কৰা উপন্যাসেই হ'ল জীৱনীমূলক উপন্যাস। কিন্তু জীৱনীমূলক উপন্যাস যিহেতু উপন্যাস, গতিকে কলাৰ খাতিৰত বহুতো সৰু-সুৰা কাল্পনিক কথাৰে সঁচা মানুহৰ জীৱন বৃত্তান্ত ৰূপায়ণ হ'ব লাগে। অৰ্থাৎ, জীৱনীমূলক উপন্যাসত কল্পনাৰ স্থান অনিবাৰ্য। মূল চৰিত্ৰ বা বিষয়ৰ নিৰ্মাণত, মূল চৰিত্ৰৰ পাৰিবাৰিক আৰু সামাজিক জীৱনৰ অঙ্কনত কল্পনাৰ ৰহণ লগাই কলাত্মক ৰূপত জীৱনীমূলক উপন্যাস এখন ৰচিত হয়।

বৰ্তমানলৈকে প্ৰায় ৩২ খনমান জীৱনীকেন্দ্ৰিক উপন্যাস প্ৰকাশ পাইছে। অসমীয়া জীৱনীকেন্দ্ৰিক উপন্যাস ৰচনা কৰাৰ ক্ষেত্ৰত মহিলা ঔপন্যাসিক পিছ পৰি থকা নাই।





বৰ্তমানলৈকে প্ৰকাশিত জীৱনীকেন্দ্ৰিক অসমীয়া উপন্যাস কেইখনমান হ'ল—

| ক্ৰমিক নং | প্ৰকাশৰ চন | উপন্যাসৰ নাম | উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ | ঔপন্যাসিকৰ নাম |
|---|---|---|---|---|
| ১ | ১৯৬৩ | ৰূপতীৰ্থৰ যাত্ৰী, ১ম খণ্ড | জ্যোতিপ্ৰসাদ আগৰৱালা | চৈয়দ আব্দুল মালিক |
| | ১৯৬৫ | ৰূপতীৰ্থৰ যাত্ৰী, ২য় খণ্ড | জ্যোতিপ্ৰসাদ আগৰৱালা | চৈয়দ আব্দুল মালিক |
| | ২০০১ | ৰূপতীৰ্থৰ যাত্ৰী, ৩য় খণ্ড | জ্যোতিপ্ৰসাদ আগৰৱালা | চৈয়দ আব্দুল মালিক |
| ২ | ১৯৭৬ | বণ্ডুকা বেহাৰ | মাধৱদেৱ | মেদিনী চৌধুৰী |
| ৩ | ১৯৮০ | বাঙীচাহেবা | ঝাঞ্চীৰ ৰাণী লক্ষ্মীবাঈ | বীৰেন বৰঠাকুৰ |
| ৪ | ১৯৮২ | ফেৰেংগাদাও | বিষ্ণুপ্ৰসাদ ৰাভা | মেদিনী চৌধুৰী |
| ৫ | ১৯৮৫ | উল্কাৰ পোহৰ | অম্বিকাগিৰী ৰায়চৌধুৰী | কুমুদ গোস্বামী |
| ৬ | ১৯৮৬ | ওমৰ খায়াম | ওমৰ খায়াম | প্ৰদীপ শইকীয়া |
| ৭ | ১৯৮৬ | জুয়ে পোৰা সোণ | ধীৰেণ দত্ত | চিদানন্দ শইকীয়া |
| ৮ | ১৯৮৭ | ধন্য নৰ তনু ভাল | শংকৰদেৱ | চৈয়দ আব্দুল মালিক |
| ৯ | ১৯৮৮ | মৃত্যু গছকি আনা .... | কনকলতা | বীৰেন বৰকটকী |
| ১০ | ১৯৮৯ | খোলাকটিৰ তাল | ব্ৰজনাথ শৰ্মা | মেদিনী চৌধুৰী |
| ১১ | ১৯৯৩ | যাকেৰি নাহিকে উপাম | শংকৰদেৱ | ড° লক্ষ্মীনন্দন বৰা |
| ১২ | ১৯৯৭ | সেহি গুণনিধি | মাধৱদেৱ | ড° লক্ষ্মীনন্দন বৰা |
| ১৩ | ১৯৯৯ | তোৰে মোৰে আলোকৰে যাত্ৰা | জ্যোতিপ্ৰসাদ আগৰৱালা | চন্দ্ৰপ্ৰসাদ শইকীয়া |
| ১৪ | ১৯৯৯ | প্ৰেম অমৃতৰ নদী | মাধৱদেৱ | চৈয়দ আব্দুল মালিক |
| ১৫ | ২০০০ | পদক্ষেপৰ প্ৰতিধ্বনি | আইদেউ সন্দিকৈ | অমৰেন্দ্ৰ বৰুৱা |
| ১৬ | ২০০২ | কল্যাণ খৰমান | বিষ্ণুপ্ৰদাস ৰাভা | বাবুল দাস |
| ১৭ | ২০০২ | সন্তান তুমি বিপ্লৱৰ | জ্যোতিপ্ৰসাদ আগৰৱালা | বাবুল দাস |
| ১৮ | ২০০২ | জীৱন নাটৰ ভাৱৰীয়া | ব্ৰজ শৰ্মা | বাবুল দাস |
| ১৯ | | গতি মতি ভকতি | মথুৰা দাস বুঢ়াআতা | ড° লক্ষ্মীনন্দন বৰা |
| ২০ | ২০১০ | যৈচন গগন বিয়াপি | গোপালদেৱ | ড° লক্ষ্মীনন্দন বৰা |
| ২১ | ২০১০ | ঠাকুৰ বাড়ীৰ কন্যা | প্ৰজ্ঞাসুন্দৰী দেৱী | সন্তোষ কুমাৰ কৰ্মকাৰ |

ইত্যাদি।

**মহিলা ঔপন্যাসিক**

| ক্ৰমিক | প্ৰকাশৰ চন | উপন্যাসৰ নাম | উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ | উপন্যাসিকৰ নাম |
|---|---|---|---|---|
| ১ | ১৯৯১ | স্বৰ্ণলতা | স্বৰ্ণলতা বৰুৱা | ড° তিলোত্তমা মিশ্ৰ |

| | | | | |
|---|---|---|---|---|
| ২ | ১৯৯৩ | অভিযাত্ৰী | চন্দ্ৰপ্ৰভা শইকীয়া | নিৰুপমা বৰগোহাঞি |
| ৩ | ২০০০ | জীৱন প্ৰেমৰ অতন্দ্ৰ অনল | অম্বিকাগিৰী ৰায়চৌধুৰী | শুচিব্ৰতা ৰায়চৌধুৰী |
| ৪ | ২০০৩ | আইদেউ | আইদেউ সন্দিকৈ | মিতালী ফুকন |
| ৫ | ২০০৯ | অগ্ৰগামিনী | ইন্দিৰা মিৰি | নিৰুপমা বৰগোহাঞি |
| ৬ | ২০০৯ | দেৱবালা | দেৱবালা চলিহা | মণিকুন্তলা ভট্টাচাৰ্য |
| ৭ | ২০১০ | মেৰেং | ইন্দিৰা মিৰি | অনুৰাধা শৰ্মা পূজাৰী |
| ৮ | ২০১০ | পোহৰ বিচাৰি | নিৰ্মলপ্ৰভা বৰদলৈ | অহল্যা গগৈ |
| ৯ | ২০১০ | মহাকবি | কালিদাস | ড° জয়শ্ৰী গোস্বামী মহন্ত |

ইত্যাদি

অসমীয়া জীৱনীকেন্দ্ৰিক উপন্যাস প্ৰকাশৰ ক্ষেত্ৰত 'প্ৰকাশ', 'প্ৰান্তিক', 'গৰীয়সী', 'সাতসৰী' আদি অনেক আলোচনীয়েও আগভাগ লৈছে। উল্লেখিত ভালেকইখন উপন্যাস গ্ৰন্থ আকাৰে প্ৰকাশ হোৱাৰ আগতে আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। বৰ্তমান জীৱনীমূলক উপন্যাসৰ জনপ্ৰিয়তা বৃদ্ধি হোৱাটো অসমীয়া সাহিত্যৰ বাবে অত্যন্ত গৌৰৱৰ কথা।

## (৪)

জীৱনীমূলক উপন্যাসৰ শিতানত সন্নিৱিষ্ট হ'ব পৰাকৈ মিতালী ফুকনৰ 'আইদেউ' এখন জীৱনীমূলক উপন্যাস হয়নে এয়াই আমাৰ আলোচনাৰ বিষয়।

সংবেদনশীলা ফুকনে ১৯৯৬ চনত অসমীয়া কথাছবি 'জয়মতী'ৰ নায়িকা আইদেউ সন্দিকৈৰ ঘৰলৈ গৈছিল এক আৱেগিক আকৰ্ষণত। সাধুকথাৰ নায়িকাৰ দৰে অনুভৱ হোৱা এইগৰাকী মহীয়সী নাৰীক স্বচক্ষে দেখি, স্পৰ্শ কৰি উলটি আহোতে তেওঁৰ মনৰ ভিতৰত তোলপাৰ কৰা কিছু প্ৰশ্নই আইদেউ সন্দিকৈক কাষৰপৰা আৰু বেছিকৈ জানিবলৈ আগ্ৰহী কৰি তুলিছিল। মিতালী ফুকনৰ ব্যক্তিগত অনুভৱৰ একাংশ তুলি দিয়া হ'ল—

'ইতিমধ্যে ভাৰতীয় চলচ্চিত্ৰৰ হীৰক জয়ন্তী বৰ্ষ পাৰ হৈ গ'ল। তদুপৰি ভাৰতবৰ্ষতে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ হৈ আছে যদিও এইগৰাকী অভিনেত্ৰীক সাক্ষাৎকাৰ, সন্মান জনোৱাৰ কথা চলচ্চিত্ৰৰ লগত জড়িত ব্যক্তি, লেখক, গুণী-জ্ঞানী ব্যক্তি, চৰকাৰেও আজিকোপতি চিন্তা নকৰিলে। এইটো আইদেউ সন্দিকৈৰ বাবেও দুৰ্ভাগ্যৰ কথা। তেনে মহোৎসৱসমূহত আইদেউক সম্বৰ্ধনা, সন্মান জনোৱা হ'লে সমগ্ৰ বিশ্বতে আইদেউৰ কথা জনাজাত হ'লহেঁতেন। সিদিনা এইগৰাকী নাৰীৰ ওচৰৰ পৰা উভতি আহোতে তেখেতে বৰ্ণনা কৰা যন্ত্ৰণাময় দিনবোৰৰ কথা ভাবি এক বুজাব নোৱৰা যন্ত্ৰণা অনুভৱ কৰিছিলো। তেৰ বছৰীয়া কিশোৰী আইদেউগৰাকীৰ কথা ভাবি শিহৰিত হৈছিলো। সিদিনাই মনতে তেখেতৰ সংগ্ৰামময় কষ্টৰে ভৰা জীৱনৰ ওপৰত এখন উপন্যাস লিখিম বুলি সিদ্ধান্ত লৈছিলো।'[১]

মিতালী ফুকনে মনেৰে লোৱা সিদ্ধান্তক বাস্তৱত ৰূপ দিবলৈ আইদেউৰ ওচৰলৈ প্ৰায় 'ডেৰ বছৰ দিন' অহা-যোৱা কৰিছিল। 'আইদেউ'ৰ জীৱনকালত তেওঁৰ লগত হোৱা সাক্ষাৎকাৰ আৰু আৱেগিক স্মৃতিজড়িত কাহিনী উপন্যাসখনত যে লিপিবদ্ধ কৰিছে সেই কথাও মিতালী ফুকনে স্পষ্টকৈ এনেদৰে উল্লেখ কৰিছে—





'আটাইতকৈ ডাঙৰ সমস্যা হ'ল মূল নায়িকা আইদেউ সন্দিকৈৰ সাক্ষাৎ গ্ৰহণ কৰাটো। বহুতো স্মৃতিজড়িত কাহিনী উপন্যাসখনত সন্নিৱিষ্ট হৈছে। যিবিলাক সময়, সুবিধা, পৰিৱেশ চাই লিপিবদ্ধ কৰিব লগা হৈছিল। জীৱনৰ অধিকাংশ সময় মৰম, আদৰ নোপোৱা আইদেউ সন্দিকৈ কেতিয়াবা কথা কওঁতে মাজে মাজে ইমানেই আৱেগিক হৈছিল যে সৰু ছোৱালীৰ দৰে হুক্-হুকাই কান্দিছিল। মিঠাই আনিছনে নাই বুলি অভিমানো কৰিছিল। কেতিয়াবা মিঠাইৰ টোপোলা লৈ আনন্দ মনৰে নিজৰ কথা কৈছিল। কেতিয়াবা কথাবিলাক কৈ তেখেত বৰ নিৰাশ হৈ পৰিছিল। মোৰনো বুঢ়ীজনীৰ কাহিনী লিখি কি লাভ হ'ব, কোনে পঢ়িব ? বুলি কথা ক'বলৈ মন নকৰিছিল।'[২]

উদ্ধৃতাংশ লক্ষ্য কৰিলে আমাৰ মনত দুটা দিশ স্পষ্ট হ'ব— প্ৰথমটো হ'ল মিতালী ফুকনৰ অনুসন্ধিৎসু মন আৰু দ্বিতীয়টো হ'ল উপন্যাসখনত আইদেউৰ জীৱনৰ সত্য ঘটনাক আধাৰ হিচাপে লৈ পাঠকক অৱগত কৰোৱাৰ সৎ প্ৰচেষ্টা। মিতালী ফুকনৰ দ্বিধা জড়িত কিছু কথাৰ উল্লেখ 'আইদেউ' উপন্যাসৰ পদূলিমুখত এনেদৰে আছে—

'.... এগৰাকী জীৱন্ত নাৰীৰ কাহিনী লিপিবদ্ধ কৰাটো কঠিন কাম। কাৰণ ইয়াত কাৰোবাৰ মতানৈক্য, আলোচনা, সমালোচনা থাকিবই। তদুপৰি আইদেউৰ চৰিত্ৰৰ লগত জড়িত হৈ আছে অসমৰ সংস্কৃতিৰ পূজাৰীদ্বয়— জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভাৰ লগতে ফণী শৰ্মাৰ দৰে নাট্যকাৰ, মোহনী ৰাজকুমাৰী, ফুনু বৰুৱা আদিৰ দৰে চৰিত্ৰ সমূহ। তাতে 'জয়মতী' হ'ল প্ৰথম অসমীয়া চিনেমা। গতিকে জ্যোতিপ্ৰসাদ আগৰৱালা, আইদেউ সন্দিকৈক প্ৰমুখ্য কৰি সেই সময়ৰ প্ৰায়বিলাক চৰিত্ৰৰ ওপৰত লিখা কাহিনী, প্ৰবন্ধ আদি সংগ্ৰহ কৰি অধ্যয়ন কৰিবলগীয়া হৈছিল। সত্যানুসন্ধান কৰিবলৈ গৈ অপ্ৰিয় কথা কিছুমানো লিপিবদ্ধ কৰিবলগীয়া হৈছিল। তদুপৰি বাদানুবাদৰ পৰা ৰক্ষা পাবলৈ টেপ ৰেকৰ্ডাৰৰ সহায় লৈছিলোঁ। কথাবোৰ গৱেষণাৰ দৰে।'[৩]

উক্ত কথাখিনিৰ আধাৰত জীৱনীমূলক উপন্যাসৰ বৈশিষ্ট্যবোৰ কিমান দূৰ 'আইদেউ' উপন্যাসত ফুটি উঠিছে সেই কথা বিচাৰ কৰাত সহজ হ'ব। গৱেষণামূলক কথা বা তথ্যবোৰক আধাৰ কৰি ঔপন্যাসিকাই উপন্যাসৰ কাহিনীভাগ আগবঢ়াই লৈ গৈছে। আইদেউৰ জীৱন কথাক উপন্যাসৰ দৰে সুখপাঠ্য কৰিবলৈ আৰু উপন্যাসৰ ৰূপত সজাবলৈ প্ৰয়োজন হোৱা কল্পনাক অতি সংযতভাৱে ফুকনে প্ৰয়োগ কৰিছে। যাৰবাবে উপন্যাসখন উপন্যাসীকৃত জীৱনী নহৈ জীৱনীমূলক উপন্যাস হৈছে। তেওঁ লক্ষ্য ৰাখিছে আইদেউৰ জীৱনৰ কোনো তথ্যই যাতে কল্পনাৰ আতিশয্যত বিকৃত ৰূপ নাপায়। কল্পনাৰ বোল সনা কেইটামান চৰিত্ৰই ঠাই নোপোৱা নহয়— গুৰাইড, ইংৰাজ চাহাব আদি চৰিত্ৰই কাহিনীৰ বাস্তৱতাক উপেক্ষা কৰা নাই। বিশেষকৈ জ্যোতিপ্ৰসাদৰ খুৰীয়েক তেনে এটা চৰিত্ৰ। জ্যোতিপ্ৰসাদৰ মনৰ কথাবোৰ বাস্তৱ জীৱনৰ লগত সংগতি ৰাখি ঔপন্যাসিকাই কল্পনাত বোল সানি ব্যক্ত কৰিছে। উপন্যাসখনৰ চৰিত্ৰৰ মুখত ব্যৱহৃত সংলাপবোৰ মূল চৰিত্ৰৰ মুখৰ প্ৰকৃত বক্তব্য নহয়। উপন্যাসখনৰ ক'ৰবাত ক'ৰবাত সঁচা মানুহগৰাকীৰ জীৱন-বৃত্তান্তত কলাৰ খাতিৰত বহুতো সৰুসুৰা কাল্পনিক কথাৰ অৱতাৰণাৰে সুখপাঠ্য কৰা হৈছে। দৃষ্টান্ত স্বৰূপে উপন্যাসখনৰ দ্বিতীয় অধ্যায়ৰ কিয়দংশ তুলি দিয়া হ'ল—

'আইদেউ যিমানেই ডাঙৰ হৈ আহিছিল সিমানেই তাইৰ কিছুমান কামত বাধা আহি পৰিছিল। বিশেষকৈ নদীৰ পাৰলৈ গধূলি সময়ত যোৱাটো বন্ধ হৈছিল। দৰা-কইনা খেলা, লুকা-চুৰি, দৌৰা-দৌৰি খেলা কৰাটোও আইতাকে বন্ধ কৰি দিছিল। পিছলৈ গাভৰু হ'ল বুলি ফাকু খেলাটোও বন্ধ হৈছিল। অনবৰতে অমুক নকৰিবি, অ'লৈ নাযাবি, ত'লৈ নাযাবি বুলি সকলোৰে মুখত বাধাৰ বাক্য শুনি আইদেউ আচৰিত হৈছিল। গাভৰু হোৱা মানেই যেন লক্ষ্মণ ৰেখা এডাল আঁকি লোৱাহে। আইতাকে কেতিয়াবা তাইক ওচৰত বহুৱাই কৈছিল— 'তোৰ বয়সত মই আৰু তোৰ মাৰ আনৰ ঘৰৰ বোৱাৰীয়েই

হৈছিলোঁ। ওৰণিৰ তলত থাকি এখন ঘৰ চলোৱাৰ লগতে ল'ৰা-ছোৱালী ডাঙৰ কৰিছিলোঁ। তই এনেদৰে থাকিবলৈ পাইছ। আমি ইমানদিনে থাকিবলৈ নাপালোৱেই। আমি চাদৰ-মেখেলা নিজে বৈ উলিয়াই পিন্ধিছিলো। তোকো এতিয়া তাঁত ব'বলৈ শিকাব লাগিব। অ'লৈ-ত'লৈ গৈ থাকিব নালাগে। ভাল ল'ৰা পালে মাৰে-বাপেৰে বিয়া দিম বুলিও কৈছে মোক। গতিকে আই, তই কেশৱহঁতৰ লগত খেলা-ধূলা কৰিবলৈ এৰি দি ডাঙৰ ছোৱালীৰ দৰে থাকিবি।[৪]

(৫)

'আইদেউ' উপন্যাসৰ কাহিনীভাগ ঔপন্যাসিকাই সৰ্বমুঠ আঠচল্লিশটা (চুটি-দীঘল) অধ্যায়ত বিন্যস্ত কৰিছে। কৌস্তুভ প্ৰকাশনে ২০১০ চনত প্ৰকাশ কৰা 'আইদেউ'ৰ মুঠ পৃষ্ঠা সংখ্যা ২৫১।

উপন্যাসখনৰ প্ৰথম অধ্যায়ত অশীতিপৰ আইদেউয়ে নিজৰ ঘৰৰ চোতালত হুইল চেয়াৰত বহি প্ৰজেক্টৰত দেখুওৱা 'জয়মতী' ছবিখন চাই চাই অতীত ৰোমন্থন কৰা দৃশ্যৰে কাহিনী ভাগে বাট খুলিছে। তৃতীয় অধ্যায়ৰ পৰা পঁচিশ অধ্যায়লৈকে তেৰবছৰীয়া কিশোৰী আইদেউৰ সহজ-সৰল জীৱনলৈ অকস্মাতে অহা নাটকীয় পৰিৱৰ্তনৰ জীৱন্ত বৰ্ণনা আছে। কেনেকৈ সম্বন্ধীয় ককায়েক ডিম্ব গোহাঁয়ে 'পানীত ওপঙি থকা ঘৰ' (জাহাজ) চাবলৈ ফুচুলাই লৈ গৈ জ্যোতিপ্ৰসাদৰ ভোলাগুৰিস্থিত 'চিত্ৰবন ষ্টুডিঅ' পোৱাইছিলগৈ আৰু অজলা আইদেউৱে কেনেকৈ নিজে নজনাকৈ, নিবিচৰাকৈ ভৱিষ্যতৰ বাবে ঐতিহাসিক হ'বলগীয়া বিশেষ কেইটামান দিনৰ (এছোৱা সময়ৰ) সক্ৰিয় ভূমিকাত অৱতীৰ্ণ হ'বলগীয়া হৈছিল তাৰ সাৱলীল বৰ্ণনা আছে। পঁচিশটা অধ্যায়ত আইদেউৰ জীৱনৰ অতীত আৰু তেওঁ কিছুদিনৰ বাবে এৰি অহা দিনৰ গাঁওখন পৰিয়ালটোৰ বিষয়ে সবিশেষ জনাৰ সুবিধা ঔপন্যাসিকাই পাঠকক দিছে। আইদেউৰ মাজে-সময়ে নিজৰ ঘৰলৈ মনত পৰাৰ সুবিধালৈ তেওঁৰ ঘৰ পৰিয়াল আৰু গাঁওখন পশ্চাৎ অৱলোকন বা পশ্চাৎদৃষ্টিপাত (fleshback) পদ্ধতিৰে ঔপন্যাসিকাই দাঙি ধৰিছে।

মনকৰিবলগীয়া, ঔপন্যাসিকাই উপন্যাসখনৰ প্ৰথমভাগত 'জয়মতী' কথাছবিৰ বাবে আখৰা কৰি থকা মুহূৰ্ত বা সময়খিনি, কথাছবিখনত ঠাই পোৱা গীতবোৰ, নৃত্যৰ অনুশীলন, শ্বুটিং লোৱা ঠাই আৰু পৰিৱেশ আৰু চিত্ৰবন ষ্টুডিঅ নিৰ্মাণ বা প্ৰস্তুতিৰ কথা আইদেউৰ দৃষ্টিৰে কৌশলেৰে বৰ্ণনা কৰিছে। বিশেষকৈ 'জ্যোতি চিত্ৰবন'ত 'মুহূৰ্ততে সজোৱা ষ্টুডিঅ'ত মাঘমাহৰ প্ৰথম দিনটোত জ্যোতিৰ দেউতাক পৰমানন্দ আগৰৱালাই ক্লেপষ্টিক দি আৰম্ভ কৰা প্ৰথম মহুৰতৰ এখনি সজীৱ ছবি উপন্যাসিকাই দাঙি ধৰি উপন্যাসখনক অন্য এটা মাত্ৰা প্ৰদান কৰিছে। কথাখিনি স্পষ্ট হ'বৰ বাবে তলত কিয়দংশ তুলি দিয়া হ'ল—

'ইতিমধ্যে ষ্টুডিঅ' সজোৱাৰ কাম শেষ হৈছিল। নামকৰণ কৰা হ'ল 'জ্যোতি চিত্ৰবন'। মুহূৰ্ততে সজোৱা ষ্টুডিঅ'ৰ ভিতৰত ৰাজপ্ৰসাদটো দেখি সকলো আচৰিত হ'ল। মহুৰতৰ কাম কৰিবলৈ সকলো যা-যোগাৰ কৰা হ'ল। জ্যোতিয়ে ফুনু বৰুৱা আৰু আইদেউক এবাৰ নিজেই চাই শুভেচ্ছা জনালে। জ্যোতিয়ে বাৰে বাৰে আইদেউক ভয় নকৰিবলৈ কৈ জ্যোতিয়ে কোৱাৰ দৰে কৰিবলৈ ক'লে। আইদেৱে জ্যোতিৰ ভৰি চুই সেৱা এটা কৰিলে। জ্যোতিয়ে অভয় দি আশীৰ্বাদ দিলে। জ্যোতিয়ে দেউতাক পৰমানন্দ আগৰৱালাক ক্লেপষ্টিক দিবলৈ ক'লে। ইতিমধ্যে লাহোৰৰ পৰা অহা ফৈজী ভাতৃদ্বয় শব্দগ্ৰহণৰ বাবে নিৰ্দিষ্ট স্থানত সাজু হৈ ৰ'ল। কেমেৰামেন ভূপাল শংকৰ মেহতাই কেমেৰা ফিট কৰি জ্যোতিক ইংগিত দিলে। জ্যোতিয়ে দেউতাকে ক্লেপষ্টিক দিয়াৰ আগতে কৰিবলৈ আগবঢ়া পৱিত্ৰ উদ্দেশ্যৰ বিষয়ে দুআষাৰ ক'লে। মাঘৰ প্ৰথম দিনটোতে আৰম্ভ কৰিবলৈ লোৱা পৱিত্ৰ কামটোৰ বাবে সকলোৱে আশীৰ্বাদ বিচাৰিলে।

গদাপাণি ৰূপত ফুনু বৰুৱা আৰু জয়মতীৰ ৰূপত আইদেউ সন্দিকৈয়ে তেওঁলোকৰ প্ৰথম মহুৰত শ্বট আৰম্ভ কৰিলে।

**জয়মতী** ঃ প্ৰিয়তম মোৰ, নিজৰ নিমিত্তে এখুদমানো ভাবি, মই আপোনাৰ লগত যাবলৈ প্ৰস্তাৱ কৰা নাই। আপোনাৰ লগত থাকি আপোনাৰ সকলো আপদ-বিপদত সহায়কাৰিণী হ'ব পাৰিম, এই আশাত এই প্ৰস্তাৱ। প্ৰিয়তম! আপোনাৰ গলগ্ৰহ হ'বলৈ জয়াৰ ইচ্ছা নাই। আপোনাৰ সুখ আৰু মংগলৰ বাহিৰে জয়াৰ নিজৰ সুখৰ কথা জয়াই নাভাবে, আপুনি জানে।

**গদাপাণি** ঃ জানো মই ভালকৈ জানো। তোমাৰ সৈতে বিচ্ছেদৰ কথা ভাবিলে মোৰ থৰযুগুতি গুচে। কিন্তু জয়া, মই গোটেই অৱস্থাটো ভাবি চাইছোঁ। যদি মোৰ যোৱাটোৱেই ঠিক, তেন্তে আন উপায় নাই।'[৫]

ঊনৈশ অধ্যায়ত ফণী শৰ্মাই গাঁঠি হাজৰিকাৰ চৰিত্ৰৰ ৰূপায়ণ কৰিবলৈ গৈ জয়মতী ৰূপী আইদেউক সঁচা-সঁচিকৈ চমতাৰে কোবাই অচেতন কৰি পেলোৱা কথাখিনিৰ বৰ্ণনা আছে।[৬]

ঔপন্যাসিকাই কাহিনীৰ লগত সংগতি ৰাখি জ্যোতিপ্ৰসাদৰ বিদেশী মডেলৰ চেভেৰলেট গাড়ীখন আৰু তেজপুৰত থকা 'পকী'ৰ প্ৰসংগও কৌশলেৰে আনিছে এনেদৰে— '....জ্যোতিৰ বিদেশী মডেলৰ চেভেৰলেটত উঠি ফুৰিবলৈ যোৱাটো আইদেউৰ সপোন সপোন লাগিল। তেজপুৰৰ বিভিন্ন ঠাই গাড়ীৰে চাই আইদেউহঁত পকীত সোমালহি। প্ৰকাণ্ড পকী ঘৰটোত সোমাই আইদেউ শিহৰিত হ'ল। জ্যোতিয়ে আইদেউক ঘৰটোৰ বিষয়ে কৈ গ'ল।

জ্যোতিৰ ককাক হৰিবিলাস আগৰৱালাই ৰাজস্থান আৰু আগ্ৰাৰ দালানৰ আৰ্হিত এই প্ৰকাণ্ড পকী ঘৰটো নিৰ্মাণ কৰিছিল। ষাঠী ফুট ওখ ঘৰটোৰ মুঠ কোঠা দহটা। পকীৰ প্ৰতিটো ৰুমেই আটকধুনীয়া সামগ্ৰীৰে সজোৱা। হৰিবিলাস আগৰৱালাই বেলজিয়ামৰ পৰা অনা জাৰ, ব্ৰহ্মদেশৰ পৰা বাখৰ খটোৱা শৰাই, সোণ-পানী চৰোৱা ছাটি, মাৰ্বলৰ সিংহাসন আদিৰে প্ৰতিটো কোঠাই জিক্‌মিকাই আছিল। এই অপূৰ্ব মনোৰম ঘৰটো দেখি আইদেউৰ আচৰিত লাগিল। ইমান ধুনীয়া জক্‌মকাই থকা ঘৰ আইদেৱে আগতে দেখিয়েই পোৱা নাছিল। জ্যোতিৰ দেউতাকে এই ঘৰটোত সংগীত সাধনা কৰিছিল। এটা সময়ত পকী হৈ পৰিছিল সুৰৰ দেউল। জ্যোতিয়ে বহু দেশপ্ৰেমমূলক গান ইয়াতেই লিখিছিল, সুৰ দিছিল।'[৭]

মনকৰিবলগীয়া কথা এয়ে যে উপন্যাসখনৰ কাহিনীভাগৰ লগত চেভেৰলেট আৰু পকীৰ পোনপটীয়া সম্বন্ধ নাথাকিলেও উপস্থাপনৰ কলা-কৌশলে কাহিনীভাগক এই অংশ ওপৰঞ্চি যেন লগাৰ সলনি সোণত সুৱগাহে চৰাইছে আৰু ই কাহিনী কথনত লেখিকাৰ পাৰদৰ্শিতাৰ পৰিচয় দিছে। 'আইদেউ'ৰ ছাব্বিশ অধ্যায়ৰ পৰা চৌত্ৰিশ অধ্যায়লৈকে আইদেউৰ জীৱনৰ অভিশপ্ত দিনবোৰৰ দিনপঞ্জী আছে। চৌত্ৰিশ আৰু পয়ত্ৰিশ অধ্যায়ত আছে মহাত্মা গান্ধীৰ নেতৃত্বত দেশৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা দেশপ্ৰেমীসকলৰ কথা। পঁয়ত্ৰিশ অধ্যায়ৰ পৰা আঠচল্লিশ অধ্যায়লৈকে আইদেউৰ জীৱনলৈ লাহে লাহে অহা সুস্থিৰতা, পাৰিবাৰিক আৰু সামাজিক অৱহেলাৰ সলনি সামান্য স্বীকৃতিৰে সহজ হৈ পৰিবলৈ ধৰা জীৱন এটাৰ বৰ্ণনা কৰিছে। বিশেষকৈ মোহনী ৰাজকুমাৰী আৰু ব্ৰতেশ্বৰী ৰাজকুমাৰীৰ সাহসতে মূৰ দাঙি পুনৰ অভিনয় জগতত প্ৰৱেশ কৰিবলৈ আইদেউ কেনেকৈ প্ৰস্তুত হৈছিল সেই বিষয়ে বিশ্বাসযোগ্যভাৱে ঔপন্যাসিকাই দাঙি ধৰিছে।

(৬)

'আইদেউ' উপন্যাসৰ কাহিনীভাগত নিঃসন্দেহে 'আইদেউ'ৱে মুখ্য স্থান পাইছে। কিয়নো আইদেউৰ জীৱনৰ আধাৰত এই উপন্যাসখন মিতালী ফুকনে ৰচনা কৰিছে। আইদেউৰ মাক মালক্ষ্মী, দেউতাক নীলাম্বৰ সন্দিকৈ, ভায়েক কেশৱ, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তেওঁৰ খুৰীয়েক, মোহনী ৰাজকুমাৰী, ব্ৰতেশ্বৰী ৰাজকুমাৰী, স্বৰ্গজ্যোতি, ডিম্ব গোহাঁই, ফণী শৰ্মা, বিষ্ণুৰাভাকে আদি কৰি অনেক চৰিত্ৰৰ সমাৱেশ উপন্যাসখনত হৈছে। ঔপন্যাসিকাই আইদেউৰ চৰিত্ৰটোৰ মানসিক দ্বন্দ্ব অতি স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। মাক মালক্ষ্মীৰ কঠোৰতা, দেউতাকৰ উপায়হীন অৱস্থা, ভায়েক কেশৱৰ অকাল মৃত্যু, সমাজৰ অৱহেলা আৰু

ককৰ্থনাই আইদেউক জীয়াই জীয়াই মাৰি পেলাইছিল। নানান দুৰ্যোগৰ মাজত পুনৰ জী উঠা আইদেউৰ মনৰ জগতত কি ঘটি আছে সেই বিষয়ে যেন লেখিকা সজাগ। আইদেউৰ অন্তৰ্জগতৰ দ্বন্দ্বৰ লগত পাঠকক একাত্ম কৰিবলৈ লেখিকাই পূৰ্ণ সুযোগ লৈছে। পঁয়ত্ৰিশ অধ্যায়ত ফুকনৰ কলমত প্ৰকাশ পোৱা আইদেউৰ মনৰ জগতৰ সংগোপন কথাখিনি উল্লেখ কৰা হ'ল—

'....হঠাতে আইদেৱে নিজৰ কথা ভাবিলে। টকী কৰিবলৈ নোযোৱা হ'লে তায়ো এতিয়া এখন ঘৰৰ লখিমী বোৱাৰী হৈ ঘৰখন ধৰিলেগৈহেঁতেন। ল'ৰা-ছোৱালী, সংসাৰ চম্ভালি কাৰোবাৰ আদৰৰ বোৱাৰী হ'লহেঁতেন, কাৰোবাৰ বাবে নবৌ, খুৰীদেউ, মামীদেউ আৰু কাৰোবাৰ বাবে মৰমৰ মাক হ'লহেঁতেন। সিহঁতে পঢ়ি-শুনি ডাঙৰ মানুহ কেনেকৈ হ'ব আইদেৱে দিনে-ৰাতিয়ে চিন্তা কৰিলেহেঁতেন ইত্যাদি বহুত কথা মুহূৰ্ততে ভাবি পেলালে। নিজৰ শৰীৰটো আইদেৱে নেদেখা বস্তু চোৱাৰ দৰে চালে। শৰীৰৰ প্ৰতিটো ভাঁজতে হাত বুলালে। ক'তো খুত নাই। কিন্তু তথাপিও গাত কলংকৰ ছাপ। সেই ছাপ গংগাত গা-ধুই আহিলেও যেন চাফা নহয়। শৰীৰৰ লগত একাকাৰ হোৱা এই কলংকৰ দাগ আইদেউৰ চিৰ লগৰী। সেই কলংকিত দাগেই আইদেউক এগৰাকী লখিমী বোৱাৰী, মাতৃ হোৱাত বাধা দিলে। তাৰ বাবে কোন দায়ী। আইদেৱে নিজেই নিজকে প্ৰশ্ন কৰিলে। মাক-দেউতাক, ডিম্ব গোহাঁই, সমাজখন নে তাইৰ শ্ৰদ্ধাৰ জ্যোতি ককাইদেউ! নাই তাৰ বাবে জ্যোতি ককাইদেউ দায়ী হ'বই নোৱাৰে। তাইৰ বাবে জ্যোতি ককাইদেউ ভগৱান সদৃশ। তেন্তে কোন? তাইৰ মাক-দেউতাক নেকি? নাই তাই যাৰ সৃষ্টিত এই পৃথিৱীৰ মুখ দেখিলে সেই সৃষ্টিকৰ্তা মাক-দেউতাকক দায়ী কৰিব নোৱাৰে। তেতিয়া হ'লে ডিম্ব ককাইদেউ ইয়াৰ বাবে দায়ী নেকি? পানীত ওপঙি থকা ঘৰ দেখুৱাবলৈ নিও বুলি ফুচুলাই জ্যোতিৰ জয়মতী বনালেগৈ। কোনো দিন টকীৰ নাম নুশুনা, অভিনয়ৰ বিষয়ে নজনা, ফটো দেখি নোপোৱা আঁকৰী আইদেউজনীক অভিনেত্ৰী বনালেগৈ। নাই ডিম্ব ককাইদেউ তাইৰ গাত লগা কলংকৰ দাগটোৰ বাবে দায়ী হ'ব নোৱাৰে। ডিম্ব ককাইদেউৰ বাবে তাই জ্যোতিপ্ৰসাদৰ দৰে মহান ব্যক্তিজনক লগ পালে। নহ'লে তাই কেতিয়াও সেইজন মানুহক লগ নাপালেহেঁতেন। তেনে এজন মানুহৰ সান্নিধ্য পাবলৈ ভাগ্য লাগিব। সেই ভাগ্য তাই ডিম্ব ককাইদেউৰ বাবেই পালে। গতিকে ডিম্ব ককাইদেউক তাই দোষিব নোৱাৰে। কোনো যদি দোষী নহয় তেতিয়া হ'লে সমাজখনেই দায়ী। নাই তাই সমাজখনকো দোষ দিব নোৱাৰে। যিখন সমাজত তাই জন্মৰ পৰা আছে; সেইখন সমাজৰ দৃষ্টিত তাই চকুৰ কুটা, দাঁতৰ শূল হ'লেও তাই দোষ দিব নোৱাৰে। এই দোষ তাইৰ নিজৰ। তাইৰ কপালৰ দোষ। সেইখন কপাল মাক-দেউতাক, ডিম্ব গোহাঁই, জ্যোতি ককাইদেউ অথবা সমাজখনে বনোৱা নাছিল। সেইখন কপাল সৃষ্টিকৰ্তাৰ সৃষ্টি। সেইজন সৃষ্টিকৰ্তাই তাৰ বাবে দায়ী। মুহূৰ্ততে আইদেৱে বহুত কথা ভাবি পেলালে।'[৮]

আৱেগিক মুহূৰ্তত আইদেউৰ মনৰ পৰ্দাত কথাছবিৰ দৃশ্যৰ দৰে একো একোটা চৰিত্ৰৰ আহ-যাহ ঘটিছে। উদ্ধৃতাংশ লক্ষ্য কৰিলে দেখা যায় অতি সচেতনভাৱে উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ আইদেউৰ দ্বাৰা তদানীন্তন সমাজৰ কেইটামান বাস্তৱ বা সঁচা চৰিত্ৰক কলংকিত হোৱাৰ পৰা লেখিকাই নিৰাপদ দূৰত্বলৈ লৈ গৈছে। আনকি সেইসময়ৰ সমাজখনকো কঠোৰভাৱে সমালোচনা বা দোষাৰোপ নকৰি আইদেউৱে ভাগ্যৰ দোষ বুলি মানি লোৱাইছে। জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, ডিম্ব গোহাঁই, ফণী শৰ্মা, ফুনু বৰুৱা, মোহনী ৰাজবংশীকে আদি কৰি তদানীন্তন সমাজৰ মানুহবোৰৰ প্ৰতি তিক্ততা প্ৰকাশ নকৰোৱাৰ বাবে 'আইদেউ' চৰিত্ৰত ভাৰসাম্য দেখুৱাব পাৰিছে। এনেক্ষেত্ৰত আইদেউ জুইত পোৱা সোণৰ দৰে সন্তোষজনকভাৱে উত্তীৰ্ণ হৈছে।

উপন্যাসৰ কাহিনীৰ প্ৰয়োজনত কম পৰিসৰত ঠাঁই





পোৱা চৰিত্ৰবোৰো জীৱন্ত আৰু স্পষ্ট ৰূপত প্ৰকাশ পাইছে। উপন্যাসখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ চৰিত্ৰৰ বহুমাত্ৰিক দিশবোৰ আইদেউৰ মুখেৰে কোৱাইছে— '....আপুনি হেনো কবিতা, গীত, নাটক লিখে। তদুপৰি আপুনি হেনো বগা চাহাবক খেদা আন্দোলনো কৰিছে। মহাত্মা গান্ধী অসমলৈ আহোঁতে আপোনাৰ ঘৰত থাকি গৈছে। (পৃঃ ২৯)

উপন্যাসখনত জ্যোতিপ্ৰসাদৰ বিয়া (উক্ত গ্ৰন্থ ১৮৪-১৮৫ ) আৰু কেন্সাৰ বেমাৰত মৃত্যু (পৃঃ ২০৬) ৰ খবৰো আছে। চিনেমাৰ পৰিচালক জ্যোতিপ্ৰসাদৰ মাজত থকা উদাৰতা, চেনেহপৰায়ণতাৰ বিষয়ে প্ৰকাশ কৰাৰ লগতে দায়িত্বশীল তত্ত্বাৱধায়ক স্বৰূপেও ঔপন্যাসিকাই ফুটাই তুলিছে।

ফণী শৰ্মাই কান্দি কান্দি আইদেউৰ ওচৰত ক্ষমা খোজা (পৃঃ ১৭৪), মোহনী ৰাজকুমাৰীয়ে আলি বন্ধোৱা, ঠিকাদাৰী কাম কৰা, বজাৰ চলোৱা কাম, মহুৰাঘাট আৰু নামটেমেৰা ঘাটৰ লেচী লোৱা, পাউণ্ড চলোৱা, কানি মহল চলোৱা, সুলভমূল্যৰ দোকান চলোৱা (পৃঃ ২০০) আদি কাম কৰাৰ লগতে অস্থায়ী মঞ্চ সাজি সহ-অভিনয়েৰে 'জয়মতী', মূলা গাভৰু, সাৱিত্ৰী-সত্যবান, পিয়লি ফুকন, চক্ৰধ্বজ সিংহ (পৃঃ ২০৫) আদি নাটক কৰোৱা আৰু সেই নাটকবোৰত আইদেউকো অভিনয় কৰিবলৈ উৎসাহ যোগোৱা আদি অনেক কথা 'আইদেউ'ত আছে। উপন্যাসখনত ফুনু বৰুৱাই আইদেউক বিয়াৰ প্ৰস্তাৱ (পৃঃ ১৮৭) দিয়াৰ কথাও আছে। আনকি চৈয়দ আব্দুল মালিক (পৃঃ ২১৪-২১৬), ভূপেন হাজৰিকাকে (পৃঃ ২১৮-২২০) আদি কৰি তেওঁ লগ পোৱা অনেক ব্যক্তিৰ খবৰো দিছে। পদুম বৰুৱাৰ 'গংগা চিলনীৰ পাখি'ত আইদেৱে অভিনয় কৰাৰ কাহিনীও লিপিবদ্ধ কৰিছে (পৃঃ ২২২)। ৰবীন্দ্ৰ ভৱনত চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই প্ৰদান কৰা তাম্ৰ ফলক আৰু সম্বৰ্ধনা পত্ৰ (পৃঃ ২৩৮) আৰু ছাত্ৰ সন্থাৰ (পৃঃ ২৩৯-২৪০) সহযোগিতাৰ বিষয়েও উপন্যাসখনত উল্লেখ আছে। এইখিনিতে 'গুৱাইড' চৰিত্ৰৰ বিষয়েও উল্লেখ কৰিব পাৰি। আইদেউৰ বিপদৰ বন্ধু আৰু আত্মনিৰ্ভৰশীলতাৰ কঠোৰ সংগ্ৰামত সোঁহাত হৈ সকলো সময়তে সহায় কৰা উক্ত চৰিত্ৰটোৱে তদানীন্তন সমাজৰ তথাকথিত উচ্চ-বংশ, জাত-পাত, ধৰ্ম আৰু অৰ্থনৈতিক শক্তিত কৈ মানৱীকতা যে ওপৰত এই কথা সাব্যস্ত কৰিছে। লেখিকাৰ উদ্দেশ্যও এই ক্ষেত্ৰত সফল হৈছে। মুঠতে জীৱনীমূলক উপন্যাসখনত সামাজিক ইতিহাসৰ আহিলাবোৰ কলাসন্মতভাৱে অংগীভূত হৈছে আৰু ইয়াৰ প্ৰধান চৰিত্ৰবোৰো জীৱন্ত আৰু স্পষ্ট হৈছে।

উপন্যাসখনৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সুন্দৰকৈ কৰা পৰিৱেশৰ বৰ্ণনা। উদাহৰণ হিচাপে ক'ব পৰা যায়— দ্বিতীয় অধ্যায়ত ফাগুন মাহৰ (পৃঃ ১৪-১৫), বাৰ অধ্যায়ত পুহমাহৰ (পৃঃ ৬৭), পঁয়ত্ৰিশ অধ্যায়ত প্ৰাকৃতিক দৃশ্যৰ (পৃঃ ১৯৬), আঠত্ৰিশ অধ্যায়ত আহিন মাহৰ (পৃঃ ২১৩) সুন্দৰ বৰ্ণনা আছে।

ঔপন্যাসিকাই মাজে মাজে কাব্যধৰ্মী বাক্যৰ প্ৰয়োগেৰে উপন্যাসখন সুখপাঠ্য কৰি তুলিছে। নমুনা গোটাচেৰেক দিয়া হ'ল—

'গাভৰু হোৱা মানেই যেন লক্ষ্মণ ৰেখা এডাল আঁকি লোৱাহে!' *পৃঃ ১৬*

'ডাঠ কুঁৱলীৰ মাজত আকাশ ফালি কণীৰ কুহুমৰ দৰে বেলিটো ওলাই আহিছে।' *পৃঃ ২০*

'বেলিটো কণীৰ কুহুমটোৰ দৰে কমলা ৰঙৰ হৈ ডুবু ডুবু হৈছে।' *পৃঃ২৫*

'লাহে লাহে ৰঙচুৱা বেলিটো আকাশখনৰপৰা যেন খহি পৰিব। বেলিটোৱে সদায়েই এটা নতুন জীৱন আৰম্ভ কৰি শেষ কৰাটো বৰ আচৰিত কথা। ৰাতিপুৱা উদয় হোৱা মানে যেন জন্মহে লয়। তাৰ পিছত মানুহৰ দৰে শৈশৱ, কৈশোৰ, যৌৱনকালৰ পিছত বৃদ্ধ হয় আৰু কিছুসময়ৰ আগতে দেখা দৃশ্যটোত যেন বেলিটোৰ মৃত্যু হয়।' *পৃঃ ২৫-২৬*

'সেয়া যেন ৰোৱনীৰ গোছৰ সুৱাগমণি, মাণিকী-মাধুৰীৰ গৰ্ভৱতী গা।' *পৃঃ ২১০*

এনে অনেক কাব্যগন্ধী বাক্যই উপন্যাসখনক সুখপাঠ্য কৰিছে। ইয়াৰ উপৰিও খণ্ডবাক্য, জতুৱা ঠাঁচ আৰু ফকৰা-যোজনাৰ সুপ্ৰয়োগেৰে 'আইদেউ' সমৃদ্ধ।

'তাইৰ সমান নাই কাজী, এসেৰ কপাহেৰে বটে পাজি।' (পৃঃ ১৭)

'উঠন ছোৱালীৰ বঢ়া ভাত, পকা ধান ততালিকে কাট।' (পৃঃ ১৬৮)

'হেৰুৱা মাণিক বিচাৰি পোৱা' (পৃঃ ১৮০)
'দুখে কুলাই পাচিয়ে নধৰা' (পৃঃ ১৮৯)
'গাত টোপ পৰিবলৈ নিদিয়া' (পৃঃ ১৯০)
'কুকুৰে কাঁইট নোখোৱা' (পৃঃ ১৩৮)
'শেলে বিন্ধাদি বিন্ধা' (পৃঃ ১৮৮)
'চকুৰ কুটা দাঁতৰ শূল' (পৃঃ ১৯০)
'গংগাত গা ধুই অহা' (পৃঃ ১৯৭)
'মই কোন কুটা' (পৃঃ ২১০)
'লেদেনা উকটি মৰা' (পৃঃ ১৮২)
'কুৰি নহওঁতেই বুঢ়ী হোৱা' (পৃঃ ১৮০)
'সংগৰ চাউল খোৱা' (পৃঃ ২৪৩)
'গংগাত গা ধুলে পাপ আঁতৰে' (পৃঃ ১৯৭)
'চালে পানী কটা' (পৃঃ ১৯৫)
'হাড়ত দূবৰি বন গজা' (পৃঃ ২২৭) ইত্যাদি।

ঔপন্যাসিকাই অসমীয়া লোকজীৱনৰ বহুতো সংস্কাৰ, ৰীতি-নীতি, আহাৰ-বিহাৰ, খেল-ধেমালি, উৎসৱ, গহনা-গাঁঠৰি, লোক-বিশ্বাস, গালি-গালাজ ইত্যাদি প্ৰয়োজন সাপেক্ষে প্ৰাসংগিকতা ৰক্ষা কৰি উপন্যাসখনত প্ৰয়োগ কৰিছে। উদাহৰণ কেইটামান তুলি দিয়া হ'ল—

**লোক সংস্কাৰ ঃ** মতা মানুহৰ চকুলৈ চাই কথা নপতা (পৃঃ ২৯, পৃঃ ৬৩), শান্তি বিয়া (পৃঃ ৫০), ধৰম বিয়া (পৃঃ ১৬৮) ইত্যাদি।

**ৰীতি-নীতি ঃ** এঘৰীয়া কৰা (পৃঃ ১৩৩), সাতপুৰুষ উধাৰণি দিয়া (পৃঃ ১৩৫), পৰাচিত হোৱা (পৃঃ ১৫৫), চুৱা লগা (পৃঃ ১৫৯-১৬৫), যাত্ৰা নাস্তি (পৃঃ ১৬১) ইত্যাদি।

**আহাৰ ঃ** পিঠা, কলহ (সাজ পানী), হাঁহৰ মাংসৰ ভাজি, (পৃঃ ১২৮), লাওপানী (পৃঃ ৭৯), সান্দহ, পিঠাগুৰি, মুৰি, আখৈ (পৃঃ ৫১), ভাত (পৃঃ ৫২), চিৰা (পৃঃ ১২৬), তামোল-পাণ (পৃঃ ১৬৮) ইত্যাদি।

**খেল ধেমালি ঃ** হাদু-গুদু, লুকাচুৰি, একা-দুকা (পৃঃ ৫১), কণীৰ যুঁজ, ম'হৰ যুঁজ, তাছপাতত খুচুৰা পইচাৰে খেলা জুৱাখেল (পৃঃ ৬৬) ইত্যাদি।

**উৎসৱ ঃ** ভাওনা (পৃঃ ৪৩), বিহু (পৃঃ ৬৭-৭১, ১২৬, ১৩০) ইত্যাদি।

**গহণা গাঁঠৰি ঃ**

**পুৰুষৰ অলংকাৰ ঃ** কৰ্ণভূষা, মকৰ কুণ্ডল, লোকাপাৰ, বাজু, আঙঠি, মতাখাৰু, কীৰিটি, জাংফাই ইত্যাদি।

**তিৰোতাৰ অলংকাৰ ঃ** গামখাৰু, কংকন, ডলীয়া খাৰু, লেজেপতা, থুৰীয়া, বৰগৈলা, কেৰু, কাণফুল, কৰ্ণবালা, জোনবিৰি, দুগদুগী, সাতসৰী, চন্দ্ৰহাৰ, সোণৰ কংকালী (পৃঃ ৪৯) ইত্যাদি।

**লোকবিশ্বাস ঃ** 'ব্ৰহ্মপুত্ৰখন দেখি ইমান ডাঙৰ অ' বুলি নিচিঞৰিবি। তেতিয়া নদীয়ে হেনো বেয়া পায়' (পৃঃ ২৪) ইত্যাদি।

**খেল-ধেমালিৰ গীত ঃ**
ইমান ইমান পানী
গংগা ৰাণী
ইমান ইমান বোকা
চাহাব দাদা........।" পৃঃ ৭১)

**গালি-গালাজ ঃ** হাৰামী, নাতেসৰী, (পৃঃ ১৫৪) জহনী, মৰতী, মতা কালু (পৃঃ ১৬২), পাপিনী, শাক্ষিনী (পৃঃ ১৬৯) ইত্যাদি।

**বাচন-বৰ্তন ঃ** হাতীখুজীয়া বাটি, মাইহাং বাটি, দগ্‌দগী, লোটা, বেৰা কাঁহী, বান কাঁহী, (পৃঃ ৪৯) ইত্যাদি।

**কাপোৰ-কানি ঃ** কুহুমবুলীয়া, ৰেচম কাপোৰ, আঁচুফুলীয়া, সাতকঠীয়া, গাৰীঅলীয়া, ফুল দিয়া চেলেং, উকা চেলেং, বুটা দিয়া খনীয়া কাপোৰ, মেজাংকৰী, সূতাৰ চুৰীয়া, লতাফুল বছা পইজাৰ, পাটৰ আৰোৱান, পাটত চিত্ৰ-বিচিত্ৰ কাৰ্চ্চিপৰ বন কৰা দীঘলহতীয়া মাইকীচোলা, চাপকন (পৃঃ ৪৯), মোকচা (পৃঃ ৩০), চাদৰ-মেখেলা (পৃঃ ১৬), গামোচা (পৃঃ ১৭), কপাহী কাপোৰ (পৃঃ ৭৫) ইত্যাদি।





কুৰি শতিকাৰ দ্বিতীয় দশকৰ পৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈকে 'আইদেউ' উপন্যাসখনত অসমীয়া সমাজ-জীৱন, লোক-সংস্কৃতি, মাত-কথা, আচাৰ-নীতি, পৰম্পৰা ইত্যাদি দ'কৈ পোতখাই আছে। আঞ্চলিক বাস্তৱতাক কলাত্মকভাৱে প্ৰকাশ কৰা 'আইদেউ' হাড়ে-হিমজুৰে এখন অসমীয়া উপন্যাস।

## (৮)

জীৱনীমূলক গৱেষণাধৰ্মী উপন্যাসখনৰ কলাগুণ অব্যাহত ৰাখিবলৈ এজন লেখক যথেষ্ট সাৱধান হ'ব লাগে। মিতালী ফুকনে এই চেষ্টা অব্যাহত ৰাখিবলৈ যত্ন যে কৰিছে ইয়াত সন্দেহ নাই। তথাপি কেইটামান দুৰ্বল দিশ যে উপন্যাসখনত আছে সেই কথা উনুকিয়াই নিদিলে আলোচনাভাগ অসম্পূৰ্ণ হৈ ৰ'ব।

উপন্যাসখনৰ কোনো কোনো অংশৰ বৰ্ণনাৰ বাহুল্যই কাহিনীভাগলৈ শিথিলতা অনা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে উপন্যাসখনৰ ১৯৭-১৯৮ পৃষ্ঠাৰ কথাখিনি ল'ব পাৰি। লেখিকাই সকৰ্মক ক্ৰিয়াৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সাৱধান হোৱাৰ প্ৰয়োজনীয়তা আছে। বিশেষকৈ 'বনাই' শব্দটোৰ প্ৰয়োগ সঘনে কৰা দেখা গৈছে—

- পানীত ওপঙি থকা ঘৰ দেখুৱাবলৈ বুলি ফুচলাই জ্যোতিৰ 'জয়মতী' বনালেগৈ।
- ফটো দেখি নোপোৱা আঁকৰী আইদেউজনীক অভিনেত্ৰী বনালেগৈ।
- জ্যোতি ককাইদেউ অথবা সমাজখনে বনোৱা নাছিল। (উক্ত গ্ৰন্থ পৃঃ ১৯৮)
- পিঠা বনোৱাত সহায় কৰি দিয়া। (পৃঃ ১২৭) ইত্যাদি।

উপন্যাসখনত শব্দৰ প্ৰয়োগত এনে কেতবোৰ ভুল দেখিবলৈ পোৱা গৈছে। 'বনোৱা' শব্দটোৰ ঠাইত নিভাঁজ অসমীয়া কেইবাটাও যথোপযুক্ত শব্দ আছে।

◆ দ্ৰষ্টব্য ঃ মহেশ্বৰ নেওগ, নিকা অসমীয়া ভাষা (পৃঃ ৬৯-৭০)

পুথিখনত বৰ্ণাশুদ্ধি আছে। কেতিয়াবা কেতিয়াবা ক'ৰবাত এনে বৰ্ণাশুদ্ধিয়ে বাক্যৰ অৰ্থ প্ৰকাশত অন্তৰায় নোহোৱাকৈ থকা নাই। থাকিছিলিহি (পৃঃ ১৯৯), লুকুৱাই (পৃঃ ১৬৬), আপোনতা (পৃঃ ২২২), জিকিব (পৃঃ ১০৭), নোৱাৰিছে (পৃঃ ২১১) মাখিয়তী দীঘল বিচাৰি (পৃঃ ২২২), মযিমূৰ (পৃঃ ২১২), চিঠিটোত (পৃঃ ২২৭, ২৩৭, ২৩৯) ইত্যাদি শব্দৰ প্ৰয়োগ যথোপযুক্ত হোৱা নাই আৰু উপন্যাসৰ ভাব প্ৰকাশত এইবোৰে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। কেতবোৰ বানান ভুল হোৱাৰ বাবেও উপন্যাসখনৰ ৰসাস্বাদনৰ ক্ষেত্ৰত অন্তৰায় হৈছে। যেনে— নানটোনো (পৃঃ ১৯৯), দয়মতী (পৃঃ ১০৮) নতিদূৰ (পৃঃ ৭৭) সমূলি (পৃঃ ৯০) ইত্যাদি।

বিশেষকৈ 'তোষামোদ' (পৃঃ ২১০,২১১) শব্দটোৰ অৰ্থ হ'ল— চাটুবাক্য, ভালৰি লগোৱা কথা (flattery)। কিন্তু ঔপন্যাসিকাই এই শব্দটোৰ যথোপযুক্ত প্ৰয়োগ নকৰাত ক'বলৈ বিচৰা কথাখিনি স্পষ্ট হোৱা নাই যেন লাগে।

কেতিয়াবা বাক্য-ৰচনাত অসাৱধানতা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে তলত দাঙি ধৰা হ'ল—

'নিজৰ ছোৱালীৰ দৰে আইদেউক চকুপানী টুকি টুকি আইদেউৰ খোৱা-বোৱাত যত্ন ল'লে।' উক্তগ্ৰন্থ, পৃঃ ১৪৫।

## (৯)

**সামৰণি ঃ**

শ্ৰীমতী মিতালী ফুকনৰ 'আইদেউ'ক নাৰীৰ আপোন দুৰ্ভাগ্যক গ্ৰহণ কৰাৰ কাহিনী বুলি ক'ব পাৰি। অতীতৰ কলুষ-কালিমাখিনিৰ পৰা বৰ্তমানক মুক্ত কৰি ভৱিষ্যতলৈ অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত তেওঁৰ নিজা কোনো সক্ৰিয় ভূমিকা নাই। উপন্যাসৰ মূল চৰিত্ৰই ভাগ্যই যি দিছে, সমাজে যেনেদৰে বিচাৰিছে তেনেদৰে এটা অবাঞ্চিত-অৱহেলিত জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে। সেইসময়ত সাধাৰণ মানুহবোৰ আছিল কৌটিকলীয়া কুসংস্কাৰেৰে আচ্ছন্ন। চৌপাশৰ কুসংস্কাৰচ্ছন্ন

সমাজৰ লগত তালত তাল মিলাই উপন্যাসৰ নায়িকা 'আইদেৱে' জীৱনৰ অপূৰ্ব সময়বোৰ ক্ষয় নিয়ালে। সময় গতিশীল। কৌটিকলীয়া সংস্কাৰবোৰ ক্ৰমশঃ সময়ৰ লগে লগে শিথিল হ'বলৈ ধৰে। আইদেৱেও পৰিৱৰ্তনকামী সমাজখনৰ যথাৰ্থতা অনুধাৱন কৰিব পাৰিছে। লেখিকাই মানৱীয় জীৱনযাত্ৰাৰ স্বাস্থ্যকৰ সম্বন্ধৰ দ্বাৰা জীৱনৰ শেষ বিন্দুত উপনীত হোৱা আইদেউৰ মনত যথাকিঞ্চিৎ আনন্দ প্ৰদানেৰে উপন্যাসখনৰ সামৰণি মাৰিছে। উপন্যাসখন জীৱনীমূলক উপন্যাস হোৱাৰ লগতে ইয়াত ঐতিহাসিক অথবা নাৰী প্ৰসঙ্গৰ প্ৰাধান্যও আছে। ঔপন্যাসিকাৰ মনত যি কালচিত্ৰ পৰিস্ফুট হৈছে, কল্পনা আৰু বিচাৰ-বুদ্ধিৰে সেয়া সংগত আৰু কলাত্মক ৰূপত উপন্যাসখনত ফুটাই তুলিছে। অৱশ্যে, এই কথাও অস্বীকাৰ কৰিব নোৱাৰিলে যে লেখিকাই সেইকালৰ সমাজখনৰ অখণ্ড বা সামগ্ৰিক ৰূপটোৰ অন্বেষণ কৰি তাৰ সম্যক ৰূপ প্ৰদান কৰা হ'লে উপন্যাসৰ প্ৰসঙ্গই গভীৰ তাৎপৰ্য বহন কৰিবলৈ সমৰ্থ হ'লহেঁতেন। হ'লেও— মিতালী ফুকনৰ এই প্ৰচেষ্টা নিতান্ত প্ৰশংসনীয়। চৰ্চা অব্যাহত ৰাখিলে লেখিকাগৰাকীৰ কলমৰ পৰা নিশ্চয় উন্নত মানদণ্ডৰ উপন্যাস অসমীয়া ভঁৰালত সন্নিৱিষ্ট হ'ব। ❁


**সমল গ্ৰন্থ ঃ**

- দেৱী, জাহ্নৱী, 'অসমীয়া জীৱনীভিত্তিক উপন্যাস', প্ৰথম সংস্কৰণ, গুৱাহাটী, ২০০৫
- নেওগ, মহেশ্বৰ, 'নিকা অসমীয়া ভাষা', লয়াৰ্চ বুক্ ষ্টল ১৯৯৯
- বৰা, মহেন্দ্ৰ, 'সাহিত্য উপক্ৰমণিকা', ষ্টুডেণ্টচ ষ্ট'ৰচ ১৯৯০
- বৰুৱা, প্ৰহ্লাদ কুমাৰ, 'জোতি মনীষা', বনলতা, ১৯৯৭
- শৰ্মা, গোবিন্দ প্ৰসাদ, 'উপন্যাস আৰু অসমীয়া উপন্যাস', ভাৰতী বুকষ্টল, ১৯৯৫






# অসমীয়া সাহিত্যলৈ মহিলা লিখকৰ অৱদান


**স্বপ্না গগৈ**

*সহঃ অধ্যাপক, অসমীয়া বিভাগ,* হাৰ্হি মহাবিদ্যালয়


অসমীয়া সাহিত্যৰ বিকাশত মহিলা লেখকৰ বহু অৱদান আছে। উপন্যাস, চুটিগল্প, কবিতা, সাহিত্য সমালোচনা, ভ্ৰমণ সাহিত্য আদি অনেক দিশত অসমীয়া মহিলাসকলৰ বৰঙণি অনন্য। ভাৰতীয় সমাজত বিভিন্ন কাৰণত মহিলাসকলে সাহিত্য চৰ্চা দেৰিকৈ হৈছে। অসমীয়া সাহিত্যতো পলমকৈ সাহিত্যৰ পথাৰত খোজ দিয়া মহিলাসকল ক্ৰমাৎ শক্তিশালী হৈ উঠিছে।

অসমীয়া সাহিত্যৰ ইতিহাস খুঁচৰিলে পাওঁ শংকৰী যুগৰপৰাই মহিলা লেখকে কাব্যচৰ্চা কৰি আহিছে। পদ্মপ্ৰিয়া আই প্ৰথম মহিলা কবি। এখেত কেৱল অসমৰে নহয় সমগ্ৰ পূব ভাৰতৰে প্ৰথম মহিলা লেখিকা। আই পদ্মপ্ৰিয়া আছিল মাধৱদেৱৰ মৰমৰ শিষ্য গোপাল আতাৰ কন্যা। চৰিতপুথিত উল্লেখ থকা মতে তেঁৱেই মধ্যযুগৰ একমাত্ৰ মহিলা যিয়ে গীতপদ ৰচনা কৰি অসমীয়া সাহিত্যত এখন সুকীয়া স্থান দখল কৰি গৈছে। বৈষ্ণৱ আদৰ্শত বিশ্বাসী হৈ লিখিছিল—

পুত্ৰপতি ধন সবে অকাৰণ
যেন জলবিম্ব ভাসে
এই আছে নাই সব হ'ব ছাই
সকলো কালে গৰাসে।

পদ্মপ্ৰিয়াৰ গীতৰ ভাষা সৰল। মধ্যযুগত নাৰীৰ ওপৰত আৰোপিত অনেক বাধা বিঘিনি নেওচি তেখেতে যি গীতপদ লিখি থৈ গ'ল সিয়েই তেখেতক অসমীয়া সাহিত্যত যুগজয়ী কৰি ৰাখিছে।

বৈষ্ণৱ যুগৰ পিছতে অৰুণোদয় যুগত মিছনেৰী লেখিকা এলিজা ব্ৰাউন আৰু মিছেছ গাৰ্ণীয়ে কিছুসংখ্যক গ্ৰন্থ. প্ৰবন্ধ লিখিছিল। অৰুণোদয়ৰ প্ৰথম সম্পাদক নাথান ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনে শিশুৰ উপযোগীকৈ সাধুৰ পুথি, গণনা পুথি আদি ৰচনা কৰে। ব্ৰাউনৰ আন এখন গ্ৰন্থ 'ভূগোলৰ বিৱৰণ' প্ৰকাশ হয়। শ্ৰীমতী গাৰ্ণীয়ে বাংলা ভাষাৰ পৰা 'ফুলমণি আৰু কৰুণা' আৰু অল্ড টেষ্টামেণ্টৰ অনুবাদ কৰে। অৰুণোদয়যুগৰ আন এগৰাকী লেখিকা শ্ৰীমতী এছ. আৰ. ৱাৰ্ডৰ 'ইংৰাজী অসমীয়া শব্দকোষ' আৰু শ্ৰীমতী কাট্ৰাৰৰ 'ইংৰাজী অসমীয়া খণ্ডবাক্য কোষ' উল্লেখযোগ্য। অৰুণোদয়যুগতে প্ৰথম মহিলা ঔপন্যাসিকা পদ্মাৱতী দেৱী ফুকননীৰ 'সুধমাৰ উপাখ্যান' প্ৰকাশ পায়। ইয়াৰ পিছতে বিংশ শতিকাৰ বিশৰ আৰু ত্ৰিশৰ দশকত স্নেহলতা ভট্টাচাৰ্যৰ 'বীণা' আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'পিতৃ-ভিঠা' প্ৰকাশ পায়।

অৰুণোদয়যুগৰ পিছতে জোনাকীযুগতো অনেক মহিলা লেখকে সাহিত্য চৰ্চা কৰে। ইয়াৰ ভিতৰত উল্লেখযোগ্য মহিলা কবিসকল হ'ল ধৰ্মেশ্বৰী দেৱী বৰুৱানী। তেখেতৰ কবিতা পুথি কেইখন হ'ল 'ফুলৰ শৰাই' আৰু প্ৰাণৰ পৰশ'। তেওঁৰ

কবিতাৰ ঘাই লক্ষণ আছিল আধ্যাত্মিক প্ৰেম। অসমীয়া কবিতাৰ ইতিহাসত নলিনীবালা দেৱী যুগজয়ী নাম। তেখেতৰ কবিতাৰ প্ৰধান বৈশিষ্ট্যই হ'ল ভগৱৎ প্ৰেম। সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি যুগদেৱতা, জাগৃতি, অলকানন্দা, আৰু অন্তিমৰ সুৰ। 'অলকানন্দা' পুথিৰ বাবে প্ৰথম অকাডেমী বঁটা লাভ কৰিছিল। ইয়াৰ উপৰিও পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ জীৱনী 'স্মৃতিতীৰ্থ', 'বিশ্বদীপা' আৰু 'সৰ্দাৰ পেটেল' উল্লেখযোগ্য জীৱন চৰিত। আত্মজীৱনীমূলক পুথি 'এৰি অহা দিনবোৰ' আৰু প্ৰবন্ধ গ্ৰন্থ 'শান্তিপথ'। ভগৱৎ ভক্তিৰ সুৰ আৰু ৰহস্যবাদী দৰ্শনেৰে পৰিপুষ্ট কবিতাবোৰ আধ্যাত্মিক চেতনাৰে সিক্ত। নাটঘৰ, পৰমতৃষ্ণা, শেষ অৰ্ঘ্য কেইটামান জনপ্ৰিয় কবিতা।

জোনাকী যুগতে আত্মপ্ৰকাশ কৰা আন দুগৰাকী মহিলা কবি যমুনেশ্বৰী খাটনিয়াৰ আৰু সাৰদাবালা দাস। প্ৰথমগৰাকী কবিৰ 'অৰুণ' উল্লেখযোগ্য কাব্য সংকলন। আনহাতে দাসৰ তিনিখন কাব্য সংকলন কবিতাৰ হাৰ, কলিজাৰ সুৰ, কাকলি। কম সংখ্যক কবিতা লিখি আত্মপ্ৰকাশ কৰা কবিগৰাকীৰ এই কাব্যগ্ৰন্থসমূহ জোনাকী যুগৰ অন্যতম কৃতি। এই যুগতে দ্বিপান্বিতা চৌধুৰী, সুপ্ৰভা গোস্বামী আৰু সুধা বৰুৱাই কবিতা আৰু গল্প লিখি আত্মপ্ৰকাশ কৰিছিল।

অসমীয়া সাহিত্যলৈ মহিলা ঔপন্যাসিকৰ অৱদান যথেষ্ট। স্বাধীনতা পূৰ্বৰ স্নেহলতা ভট্টাচাৰ্য আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে উপন্যাসৰ ক্ষেত্ৰখনত সফলতাৰে আত্মপ্ৰকাশ কৰিছিল। এই সময়ছোৱাত আন মহিলা লেখকৰ নাম বিশেষভাৱে পোৱা নাযায়।

বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত মহিলা লেখকৰ অৱদান আশাপ্ৰদ হৈ পৰে। এই সময়ছোৱাৰ উল্লেখযোগ্য ঔপন্যাসিকা শুচিব্ৰতা ৰায়চৌধুৰীৰ কথা ক'ব লাগিব। তেখেতৰ 'বা-মাৰলি' এখন সামাজিক উপন্যাস। প্ৰণয়কেন্দ্ৰিক কাহিনীটো অবাস্তৱ আৰু বিসংগতি থকাৰ বাবে নতুনত্ব আনিব নোৱাৰিলে। হিৰণ্যময়ী দেৱী আন এগৰাকী ঔপন্যাসিক। তেখেতৰ উপন্যাস জীৱন সংগ্ৰাম, যুগৰ যাত্ৰী, 'এমুঠি আবিৰৰ ৰং' তিনিওখন উপন্যাসতে নাৰীৰ নিৰ্যাতন জাগৰণৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। এই সময়ছোৱাৰে আন এগৰাকী মহিলা ঔপন্যাসিক প্ৰণীতা দেৱী। তেখেতৰ 'ধনশিৰিৰ উচুপনি' সামাজিক উপন্যাস। তেখেতৰ দুখন অনুদিত উপন্যাস 'বাসনাৰ অতীত' আৰু 'জীৱনৰ লালসা'। উমা বৰুৱাৰ 'ছীয়েন নদীৰ ঢৌ' আৰু 'লুইতৰ পাৰে পাৰে' দুখন ৰোমান্টিক উপন্যাস। এই সময়ছোৱাৰে আন এগৰাকী ঔপন্যাসিকা মায়া দেৱী। তেখেতৰ তিনিখন উপন্যাস পোৱা যায়— 'চক্ৰবৎ পৰিবৰ্তন্তে', 'পৰিণতি' আৰু 'পদ্মাবৌ'।

বিংশ শতাব্দীৰ সপ্তম দশকত অসমীয়া উপন্যাস সাহিত্যলৈ অনেক মহিলা লিখকৰ আগমন ঘটিল। তেওঁলোক হ'ল নিৰুপমা বৰগোহাঞিও, নীলিমা দত্ত আৰু শক্তিশালী লেখিকা মামণি ৰয়ছম গোস্বামী। ইয়াৰ উপৰিও ৰুণু বৰুৱা, প্ৰবীণা শইকীয়া, চিত্ৰলতা ফুকন, অনু বৰুৱা, অমিয়া চক্ৰৱৰ্তী আদি। নিৰুপমা বৰগোহাঞিওয়ে কেৱল উপন্যাসেই নহয়, চুটি গল্পও যথেষ্ট সংখ্যক লিখিলে।

অসমীয়া সাহিত্যত নাৰীবাদী লেখিকা হিচাপে খ্যাত বৰগোহাঞিৰ উপন্যাসসমূহ হৈছে— সেই নদী নিৰৱধি, এজন বুঢ়া মানুহ, অন্তঃস্ৰোতা, দিনৰ পিছত দিন, হৃদয় এক নিৰ্জন দ্বীপ, ছাঁয়া আৰু ছবি, সামান্য-অসামান্য, কেক্‌টাছৰ ফুল, নামি আহে এই সন্ধিয়া, ভৱিষ্যতৰ ৰঙা সূৰ্য, চিনাকি-অচিনাকি, অন্য জীৱন, গোসাঁনী আই, একেই জোন একেই বেলি, ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ, অভিযাত্ৰী, পুৱাৰ পূৰৱী, সন্ধ্যাৰ বিভাস, ব্ৰহ্মাৰ অস্ত্ৰ, চম্পাৱতী, ইপাৰৰ ঢউ সিপাৰৰ এলবামত হেৰুৱা ছবি, পখী ঘূৰি যায়, নিজৰ পৰা নিলগত নাৰীৰ মুক্তি, নাৰী জীৱনৰ আশা-আকাংক্ষাৰ ছবি তেখেতৰ উপন্যাসৰ মূল উপজীব্য। তেখেতে কেৱল উপন্যাসেই নহয়, গল্প ৰচনাতো সিদ্ধহস্ত। তেখেতৰ গল্পপুথিসমূহ হ'ল— জীৱন আৰু ফেণ্টাচী, জলছবি, ইপাৰ সিপাৰ, খিৰিকি কাষৰ গছ, অনেক আকাশ, নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প; নিৰুপমা বৰগোহাঞিৰ গল্প সমগ্ৰ। বৰগোহাঞিৰ গল্পসমূহত নিম্ন মধ্যবিত্ত মানুহৰ দুৰ্দশা, নাৰী মনস্তত্ব, গভীৰ জীৱন বীক্ষা, ভাষাৰ সাৱলীলতা, বৰ্ণনাৰ প্ৰাঞ্জলতা লক্ষ্য কৰা যায়।

বৰগোহাঞিৰ পিছতে মামণি ৰয়ছম গোস্বামী অসমীয়া





উপন্যাস সাহিত্যৰ এগৰাকী শক্তিশালী লেখিকা। তেখেতৰ উপন্যাসসমূহ হৈছে— দাশৰথিৰ খোজ, চীনাবৰ সোঁত, নীলকণ্ঠী ব্ৰজ, বছিৰুদ্দিনৰ চকু, অহিৰণ, মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, নাঙঠ চহৰ, উদয়-ভানুৰ চৰিত্ৰ, জখমী যাত্ৰী, বৃদ্ধ সাগৰ, ধূসৰ গাইসা, মহম্মদ মুছা, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, ছিন্নমস্তাৰ মানুহটো, থেংফাখী তহচিলদাৰৰ তামৰ তৰোৱাল ইত্যাদি। আত্মজীৱনী— আধালেখা দস্তাবেজ। গোস্বামীৰ উপন্যাসবোৰ সুগভীৰ বিষাদবোধে মনপ্ৰাণ স্পৰ্শ কৰি যায়। তেখেতে কেৱল উপন্যাসেই নহয়, গল্পও লিখিছিল। গল্প সংকলনসমূহ হৈছে— চিনাকি মৰম, কইনা, হৃদয় এক নদীৰ নাম, নিৰ্বাচিত গল্প, প্ৰিয় গল্প, আভা গাৰ্ডেনাৰৰ আবেলি।

অষ্টম দশকত উপন্যাস লেখিকাৰ সংখ্যা তেনেই কম। অমলা শইকীয়াৰ 'দীৰ্ঘতম দিনটোৰ প্ৰতীক্ষা', 'চন্দন ধূপৰ সুবাস' আৰু লক্ষ্মীপ্ৰিয়া বৰদলৈৰ 'জালুকবাৰী' সুখপাঠ্য হৈ উঠিছিল।

আশীৰ দশকত ভুমুকি মৰা মিনতি চৌধুৰীৰ 'তেজৰ তলৰ বাঁহী', যমুনা শৰ্মা চৌধুৰীৰ 'শিখণ্ডী' উল্লেখযোগ্য উপন্যাস। অৰুন্ধতী দেৱীৰ 'পৰাজিতা নায়িকা', সুৰভি বৰগোহাঁইৰ 'বেদনা উচুপি ৰয়', মৃদুলা বৰাৰ 'চন্দ্ৰগ্ৰহণ', স্বৰ্ণ শইকীয়াৰ 'জুয়ে পোৰা সোণ', দীপিকা বৰুৱা 'ইপাৰ সিপাৰ' আদিত কেঁচা হাতৰ স্পৰ্শ পোৱা গ'ল।

যাঠিৰ দশকত আত্মপ্ৰকাশ কৰা এগৰাকী ঔপন্যাসিকা হ'ল নীলিমা দত্ত। তেখেতৰ আকাশবন্তি, 'শৈল শিখৰ' আৰু 'প্ৰাণশিখা' তিনিখন উল্লেখযোগ্য উপন্যাস। প্ৰবীণা শইকীয়াৰ 'উত্তৰায়ণ' আৰু 'সিংহ দুৱাৰ' দুখন উপন্যাস।

সত্তৰ আৰু আশীৰ দশকত একাধিক লেখিকাই আত্মপ্ৰকাশ কৰিছিল। অনু বৰুৱাৰ 'অস্ত তৰা', চিত্ৰলতা ফুকনৰ 'অশ্ৰুকন্যা', স্বৰ্ণবৰাৰ 'ডিয়ুং নদীৰ গীত' আৰু 'চিমচাং নদীৰ হাঁহি' উল্লেখযোগ্য।

অসমীয়া সাহিত্যত কেৱল উপন্যাসেই নহয় যথেষ্ট সংখ্যক গল্পও লিখিছে মহিলা গল্পকাৰে। সুধা বৰুৱা প্ৰথম গল্প লেখিকা। 'মিলন'ত তেখেতৰ প্ৰথমটো গল্প প্ৰকাশ পায়। তেখেতৰ একমাত্ৰ গল্প সংকলন 'জীৱনৰ প্ৰথম পুৱা'। ইয়াৰ পিছতে পদ্মকুমাৰী বৰগোহাঁইৰ গল্পপুথি 'মাধুৰী' আৰু সুপ্ৰভা গোস্বামীৰ 'লুইতৰ মোহ' উল্লেখযোগ্য। গল্প সাহিত্যত স্নেহ দেৱীয়ে যথেষ্ট সংখ্যক গল্প লিখিছে ৰামধেনুৰ পাতত। আন গল্প লেখিকাসকল হেছে— ফুল শইকীয়া, কুসুম কুমাৰী, দ্বিপান্বিতা চৌধুৰী, নীলিমা শৰ্মা, প্ৰবীণা শইকীয়া, অনিমা দত্ত, প্ৰণিতা দেৱী, আলিমুন্নিছা পিয়াৰ, চিত্ৰলতা ফুকন, ৰুণু বৰুৱা, ফুল বৰা, আৰতি দাস ইত্যাদি। গল্পসমূহত নাৰীৰ একান্ত সমস্যাসমূহ যেনে- যৌথ পৰিয়ালৰ সমস্যা, চাকৰিজীৱী নাৰীৰ সংঘাত, প্ৰেমৰ নতুন ধাৰণা আদি প্ৰকাশ পাইছে। সাম্প্ৰতিক সময়ৰ গল্প লেখিকাসকল হৈছে— অৰূপা পটঙীয়া কলিতা, মৌচুমী কন্দলি, ফুল গোস্বামী, বন্তি শেনচোৱা, মণিকুন্তলা ভট্টাচাৰ্য, পূৰৱী বৰমুদৈ, বন্দিতা ফুকন ইত্যাদি।

অসমীয়া সাহিত্যলৈ কবিতা, গীত, উপন্যাস আৰু শিশু সাহিত্যলৈ বৰঙণি আগবঢ়োৱা বিশিষ্ট কবি নিৰ্মলপ্ৰভা বৰদলৈ। তেখেতৰ কাব্য সংকলনসমূহ হ'ল 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ', 'সুদীৰ্ঘ দিন আৰু ঋতু', 'শব্দৰ ইপাৰে সিপাৰে', 'অমিতাভ শব্দ', 'নিৰ্মলপ্ৰভা বৰদলৈৰ নিৰ্বাচিত কবিতা আৰু বসন্তৰ এদিন'। 'সোণবৰণীয়া আই', 'সূৰুযমূখী ফুলেৰে', 'এই মেলাতে' গীতৰ পুথি। একমাত্ৰ উপন্যাস 'জলপদ্ম', আত্মজীৱনী- জীৱন জীৱন বৰ অনুপম। শিশু সাহিত্যিকৰূপে বৰদলৈৰ গ্ৰন্থসমূহ হ'ল— চিল চিল চিলা বাগী চিল মিলা, কথা সৰিৎসাগৰ, মন উৰণীয়া, অসমীয়া ওমলা গীত, সুৱদী গীত, সুৰীয়া গীত, সেউজী সেউজী এনেখন মৰমৰ দেশ, জিকি মিকিৰ কথা, ভ্ৰমণ কাহিনী— চেৰীফুলৰ দেশ জাপান। প্ৰবন্ধ সংকলন— অসমৰ লোক সংস্কৃতি, কাৰ্বি সমাজ সংস্কৃতিৰ এচেৰেঙা, দেৱী, সাহিত্য আৰু সংস্কৃতি, কবিতা আৰু প্ৰকৃতি, অসমীয়া চুটিগল্প, অসমৰ লোক কবিতা, শিৱ, সূৰ্য আদি।

আধুনিক সময়ৰ আন এগৰাকী কবি, গীতিকাৰ, ঔপন্যাসিক, শিশু সাহিত্যিক, সাহিত্য সমালোচক কৰবী ডেকা হাজৰিকা। কবিতা সংকলনসমূহ হ'ল— সুবাসিত যি যন্ত্ৰণা, মাটিৰপৰা মেঘলৈ, চুলি নাবান্ধিবা যাজ্ঞসেনী, পৰীৰ বাঁহী। সমালোচনামূলক গ্ৰন্থ— অসমীয়া কবিতা, অসমীয়া কবি আৰু কবিতা, অসমীয়া কবিতাৰ ৰূপছায়া, চৰ্যাপদ আৰু

বৰগীত, তুলনামূলক সাহিত্য আৰু অনুবাদ কলা। উপন্যাসমূহ হৈছে— অৰণ্যৰ ছাঁ, অনুপম, অৰুণা, কুসুম ইত্যাদি। গানৰ পুথি— এজাক সোণালী তৰা, গানৰ পখী ইত্যাদি। ভ্ৰমণ কাহিনী—নীলা সাগৰ আৰু সোণালী দেশ, সেউজীয়া চীন, গ্ৰীচ দেশৰ সূৰ্যমুখী দিন আৰু অপৰাজিতা ৰাতি।

বৰ্তমান সময়ৰ এগৰাকী শক্তিশালী ঔপন্যাসিক পূৰবৈ বৰমুদৈ। তেখেতৰ উপন্যাসসমূহ হৈছে— শান্তনুকুলনন্দন, গজৰাজ প্ৰেম আৰু বন্দীত্ব, ৰূপোৱালী নদী সোণোৱালী ঘাট। ইতিহাস, পুৰা কাহিনী, প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্ক, সমাজ জীৱনৰ বিভিন্ন চিত্ৰ উপন্যাসত প্ৰতিফলিত হৈছে।

ৰীতা চৌধুৰী সাম্প্ৰতিক সময়ৰ এগৰাকী গুৰুত্বপূৰ্ণ ঔপন্যাসিক। তেখেতৰ অকাডেমীপ্ৰাপ্ত উপন্যাস দেওলাংখুই। আন উপন্যাসসমূহ হ'ল— এই সময় সেই সময়, অবিৰত যাত্ৰা, তীৰ্থভূমি, পপীয়া তৰাৰ সাধু, মহাজীৱনৰ আধাৰশীলা, ৰাজীৱ ঈশ্বৰ, ৰাগমালকোশ, জলপদ্ম, হৃদয় নিৰূপায়, মাকাম আৰু মায়াবৃত্ত। ইতিহাস চেতনা, মধ্যযুগৰ অসমীয়া সমাজ, বিদেশী বহিষ্কাৰ আন্দোলন, চীন-ভাৰতৰ যুদ্ধ আদি বিচিত্ৰ ঘটনাৰ সমাবেশ ঘটিছে তেখেতৰ উপন্যসসমূহত।

এইশতিকাৰ আৰম্ভণিতে আত্মপ্ৰকাশ কৰা মণিকুন্তলা ভট্টাচাৰ্যই কেইবাখনো উপন্যাস লিখিছে। চৰাইখানা, মা মেকলে চাহাব আৰু বাঢ়েশোলৰ পিতা, বৰদোৱানী, অৰুন্ধতী, দেৱবালা ইত্যাদি।

সাম্প্ৰতিক সময়ত কেইবাগৰাকী ঔপন্যাসিকে উপন্যাস লিখি আছে। চন্দনা গোস্বামীৰ অকাডেমীপ্ৰাপ্ত উপন্যাস 'পাটকাইৰ সিপাৰে মোৰ দেশ' অনবদ্য সংযোজন। অনুৰাধা শৰ্মাপূজাৰী সাহিত্য আৰু সাংবাদিকতাৰ লগত জড়িত তেখেতৰ প্ৰথম উপন্যাস 'হৃদয় এক বিজ্ঞাপন' খুবেই জনপ্ৰিয়। নাহৰৰ নিৰিবিলি ছাঁ, বৰাগী নদীৰ ঘাট, চাহেব পুৰাৰ বৰষুণ, এজন ঈশ্বৰৰ সন্ধানত, ৰাগ-অনুৰাগ, সোণ হৰিণৰ চেকুৰ, নীল প্ৰজাপতি, কাঞ্চন আৰু মেৰেং। তেখেতৰ গল্প সংকলনসমূহ হৈছে— বসন্তৰ গান, এজন অসামাজিক কবিৰ বায়'গ্ৰাফি, কেথেৰিণাৰ সৈতে এটা নিৰ্জন দুপৰীয়া, ন মেনছলেগু। প্ৰবন্ধ সংকলন- কলিকতাৰ চিঠি, ডায়েৰি, অট'গ্ৰাফ, আমেৰিকান চৰাইখানাত সংবাদ, বসন্ত আৰু বন্ধু। সাম্প্ৰতিক সময়ত প্ৰতিষ্ঠিত ঔপন্যাসিক জুৰি বৰা বৰগোহাঞিঁ। তেখেতৰ 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী', 'নাংফা', 'লিড'লাম' আৰু শেহতীয়া উপন্যাস 'ভোক' খুবেই জনপ্ৰিয়তা অৰ্জন কৰিছে। মনালিছা শইকীয়াৰ 'নাৰ্চিছাচৰ চহৰ' জনপ্ৰিয় উপন্যাস।

সাম্প্ৰতিক অসমীয়া কবিতাৰ জগতলৈ অনেক মহিলা কবিয়ে অৱদান আগবঢ়াইছে। অনুপমা বসুমতাৰী এগৰাকী শক্তিশালী কবি। ৰূপালী ৰাতিৰ ঘাট, অনুভৱৰ বিষণ্ণ প্ৰান্তৰ, দূৰ আৰু প্ৰেমৰ মোহনা, জাকাৰান্দা সৰা এটা ৰাতি আৰু 'তোমাৰ শুভকামনাৰে' তেখেতৰ কাব্য সংকলন। অৰ্চনা পূজাৰী আন এগৰাকী জনপ্ৰিয় কবি। দুই দশকৰো অধিককাল কবিতা চৰ্চা কৰা কবিগৰাকীৰ কাব্যসংকলন দুখন হ'ল— 'পিৰালি কুঁৱৰী' আৰু 'জি.এন.আৰ.চি.ত হৃদয় বিচাৰি'। লুটফা হানুম চেলিমা বেগম আন এগৰাকী কবি। 'সেউজীয়া বাট এটা বিচাৰিছে সৰা পাতবোৰে', 'উৰণীয়া বাগিছাত তৰাৰ চৰাই' তেখেতৰ কাব্যসংকলন। অসমীয়া আলোচনী, বাতৰি কাকতত তেখেতৰ অনেক কবিতা প্ৰকাশিত হৈ আহিছে।

অসমীয়া শিশু সাহিত্যলৈ মহিলাসকলৰ অনেক অৱদান আছে। শিশু কবিতা ৰচনা কৰা প্ৰথম কবি যমুনেশ্বৰী খাটনিয়াৰ। ইয়াৰ পিছতে প্ৰণীতা দেৱী, অনু বৰুৱা, দীপিকা গগৈ, মনোৰমা বৰুৱা, তৰুলতা দত্ত বৰুৱা আদিয়ে অনে শিশু গ্ৰন্থ লিখিছিল। ৰামায়ণ, মহাভাৰতৰ কাহিনী লৈ বিষ্ণুপ্ৰিয়া দত্ত বৰুৱা, কেশদা মহন্ত, শুচিব্ৰতা ৰায়চৌধুৰী, নিৰুপমা বৰুৱা আদিয়ে শিশু উপযোগী অনেক গ্ৰন্থ ৰচনা কৰি গৈছে।

এনেদৰে দেখা যায় অসমীয়া সাহিত্যৰ বিশাল পৰিসৰত মহিলা লিখকৰ অজস্ৰ অৱদানসমূহ সিঁচৰতি হৈ আছে।

**প্ৰসংগ পুথি ঃ**


ক) অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ সম্পাদনা- হোমেন বৰগোহাঞিঁ
খ) এশ বছৰৰ অসমীয়া উপন্যাস ঃ ড° নগেন ঠাকুৰ
গ) অসমীয়া চুটিগল্পৰ অধ্যয়ন ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা
ঘ) অসমীয়া উপন্যাসৰ গতিধাৰা ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা
ঙ) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা
চ) আধুনিক অসমীয়া সাহিতৰ পৰিচয় ঃ লীলা গগৈ
ছ) অসমীয়া কবি আৰু কবিতা ঃ ড° কৰবী ডেকা হাজৰিকা
জ) সাহিত্য সঞ্চয়ন ঃ ড° কৰবী ডেকা হাজৰিকা




# পিতৃতন্ত্ৰ ঃ বৰ্তমান প্ৰাসঙ্গিকতা

**ড° স্বপ্না নাথ**
সহযোগী আধ্যাপক
ডি.এইচ.এছ. কে. কমাৰ্চ মহাবিদ্যালয়, ডিব্ৰুগড়

**প্ৰস্তাৱনা ঃ** পিতৃতন্ত্ৰ শব্দটো মূল গ্ৰীক ভাষাৰ পৰা লোৱা হৈছে। ভাৰতবৰ্ষত এই সমাজ ব্যৱস্থা তথা ধাৰণা আমি বৈদিক যুগৰ পৰাই দেখা পাঁও। ভাৰতবৰ্ষ আৰ্য-অনাৰ্য জাতিৰ মাজতো পুৰুষ প্ৰাধান্য আছিল। তথাপি সমগ্ৰ ভাৰতবৰ্ষত মোগল আক্ৰমণ আৰু ৰাজত্বকালৰ পৰাই এই পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ কঠোৰ নিয়ম-নীতি বলবৎ হয়। মোগল জাতিৰ পৰা ভাৰতীয় নাৰীসকলৰ সন্মান ৰক্ষা কৰাৰ বাবে পৰ্দা প্ৰথাৰ প্ৰচলন হয়। তথাপি দুৰ্গম পাহাৰ অঞ্চলত থকা মানুহৰ মাজত এই শাসন ব্যৱস্থাই ইমান প্ৰভাৱ পেলাব নোৱাৰিলে। বৰ্তমান আমাৰ অসমখন পাহাৰ-ভৈয়ামত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ। অসমৰ জনজাতি যেনে মিছিং, ৰাভা, বড়ো, টিবা, কাৰ্বি, কছাৰী আদিৰ মাজত যি নাৰী পৰিসৰ পৰিলক্ষিত হয়, উপত্যকাবাসী মহিলাৰ ক্ষেত্ৰত সেই পৰিসৰ সীমিত।

**উদ্দেশ্য ঃ** হেজাৰ হেজাৰ বছৰ ধৰি সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰাত যি পিতৃকেন্দ্ৰিক সমাজ ব্যৱস্থা চলি আহিছে, তাৰে বিকল্প ৰূপত মাতৃকেন্দ্ৰিক সমাজ ব্যৱস্থা আমি নাৰী-পুৰুষ কোনেও নিবিচাৰো; কিন্তু এই পিতৃতন্ত্ৰ য'ত অমানবিক নিষ্ঠুৰ তাৰ প্ৰতিবাদৰ প্ৰয়োজন আৰু সেই ধাৰণাক পৰিশুদ্ধ কৰি নাৰী-পুৰুষৰ মাজত সাম্য, মৈত্ৰী ৰক্ষা কৰি এখন সংবেদনশীল, নিৰ্মল, নিকা, সুন্দৰ শান্তিপূৰ্ণ অসমীয়া সমাজ গঢ়াৰ দায়িত্ব আমাৰ।

**আলোচনা ঃ** গ্ৰীক ভাষাৰ Patria শব্দ যাৰ অৰ্থ পৰিয়াল / গোষ্ঠী আৰু arkhis অৰ্থাৎ শাসনৰ পৰাই patriachy শব্দটোৰ উদ্ভৱ হৈছে। ল্যাটিন pater শব্দটোৰ অৰ্থ পিতা। সেইবাবে patriachyৰ অৰ্থ হ'ল পিতাৰ শাসন। প্ৰাচীন গ্ৰীচ দেশত পৰিয়াল বুলি ক'লে স্বামী-স্ত্ৰী-সন্তানৰ লগতে ক্ৰীতদাস বা ক্ৰীতদাসীক বুজোৱা হৈছিল। গ্ৰীক দাৰ্শনিক অ্যাৰিষ্টটল (খ্ৰীঃপূঃ ৩৮৪-৩২২) এটা পৰিয়াল গঢ়ি উঠাৰ মূলতে পুৰুষ ও নাৰীৰ জৈৱিক সম্পৰ্ক, মালিক-ক্ৰীতদাসৰ অৰ্থনৈতিক সম্পৰ্ক আৰু সন্তানৰ লগতে মা-দেউতাৰ আৱেগিক সম্পৰ্কৰে গঢ়ি উঠা এটা স্বাভাৱিক সংগঠন বুলিহে কৈছিল। তেওঁৰ মতে, পিতৃ যেনেকৈ পৰিয়ালৰ শাসক, তেনেকৈ এখন ৰাষ্ট্ৰৰ বাবেও স্বাভাৱিক শাসকৰ প্ৰয়োজন। ১৫৭৬ খ্ৰীষ্টাব্দত ফৰাচী দাৰ্শনিক জাঁ বোঁদা (Jean Bodin, 1530 - 1596) তাৰ Six Books on the State গ্ৰন্থখনত ৰাষ্ট্ৰ এখনৰ নিয়ন্ত্ৰণ ক্ষমতাৰ প্ৰকৃতি এটা পৰিয়ালৰ পিতৃৰ নিচিনা বুলি কৈছিল। পৰিয়ালৰ পিতাৰ কৰ্তৃত্ব পৰিয়ালৰ সদস্যৰ মাজৰ বৈষম্যৰ ওপৰত ভিত্তি কৰিহে গঢ়ি উঠে। একে ধৰণে ৰাষ্ট্ৰৰ ভিত্তি হ'ল কৰ্তত্ব আৰু বৈষম্য। 'দ্য নিউ শৰ্টাৰ অক্সফৰ্ড ইংলিছ ডিক্চনাৰীখনিত patriachy শব্দটোৰ সংজ্ঞা নিৰ্দ্ধাৰণ কৰা হৈছে। এনেধৰণেৰে - সমাজত পিতা অথবা বয়োজ্যেষ্ঠ কোনো পুৰুষ, পৰিয়াল অথবা গোষ্ঠীৰ

প্ৰধান আৰু তেওঁক কেন্দ্ৰ কৰি বংশধাৰা প্ৰবাহিত হয় অৰ্থাৎ পিতৃতন্ত্ৰ এনে এটা ধাৰণা য'ত পৰিয়াল, ৰাষ্ট্ৰব্যৱস্থা, ধৰ্ম, পুঁজিবাদী ব্যৱস্থাপনা, শিক্ষাব্যৱস্থা আৰু আন সামাজিক প্ৰতিষ্ঠানবিলাকত পুৰুষৰ প্ৰাধান্যকে বুজোৱা হয়। নাৰী মনস্তত্বত সেইবাবে পুৰুষৰ অধীনতা, পুৰুষক সেৱা কৰাৰ মানসিকতাত জন্ম লয়। যুগ যুগ ধৰি এই পিতৃতন্ত্ৰই নাৰীৰ মনস্তত্বত সোমোৱাই দিলে যে যুক্তি, বুদ্ধি, সহনশীলতা, দৃঢ়তা, নেতৃত্ব; বিহিৰ্বিশ্বখন পুৰুষৰ আৰু আৱেগ, ৰূপচৰ্চা, দুৰ্বলতা, ঘৰুৱা হোৱা নাৰীৰ অন্তৰ্লীন সৌন্দৰ্য বা নাৰীত্ব।

এই পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা সমাজ বিকাশৰ এটা বিশেষ সময়ত সৃষ্টি হয়। ফ্ৰেডৰিক এঙ্গেলস তাৰ The Origin of the Family Private property & the State (1884) গ্ৰন্থখনত কয় যে, মাতৃতান্ত্ৰিক সমাজৰ ব্যৱস্থাৰ ৰূপ হৈছে পিতৃতন্ত্ৰ। এই বিৱৰ্তনৰ ধাৰাত মাতৃতান্ত্ৰিক ব্যৱস্থাত সম্পদৰ যৌথ-মালিকীস্বত্ব আছিল। কিন্তু কৃষি আৰু পশুপালনৰ সম্প্ৰসাৰণৰ লগে লগে পুৰুযে ফচল, পোহনীয়া জীৱজন্তু আৰু মাটিৰ মালিকীস্বত্ব দাবী কৰিবলৈ ল'লে আৰু এনে ধৰণেৰে ব্যক্তিগত মালিকীস্বত্বৰ বিকাশ হয়। ব্যক্তিগত মালিকীস্বত্বৰ অধিকাৰী হোৱাৰ পাছৰ পৰা পুৰুযে সেই সম্পত্তিক পৰৱৰ্তী প্ৰজন্মৰ ওচৰত হস্তান্তৰ কৰাৰ বিষয়ত সচেতন হৈ উঠে। তাৰ বাবেই নাৰীৰ যৌন জীৱনৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰয়োজন আহি পৰে। পুৰুষজনো সুনিশ্চিত হ'ব পাৰে যে সন্তানটো বৈধ আৰু এজনৰ পুৰুষৰে ঔৰসজাত। তাৰ ফলত আহে নাৰীৰ একগামিতা (পুৰুষৰ ক্ষেত্ৰত ব্যতিক্ৰম)। পিতৃকেন্দ্ৰিক পৰিয়াল আৰু তাৰে সম্প্ৰসাৰিত ৰূপ ৰাষ্ট্ৰ, য'ত পুৰুষৰ মালিকীস্বত্ব আৰু আধিপত্য বৈধ হ'ল আৰু নাৰী অৰ্থনৈতিক উৎপাদন আৰু সন্তান পুনৰ উৎপাদনৰ এটা যন্ত্ৰত পৰিণত হ'ল। নাৰীৰ এই অধীনতাকে এঙ্গেলসে নাৰীৰ ঐতিহাসিক পৰাজয় বুলি কৈছে।

সেই কাৰণে আমি আজি দেখা পাওঁ দৰিদ্ৰ শ্ৰমজীৱী পৰিয়ালৰ অথবা আদিবাসী জনজাতি গোষ্ঠীৰ মহিলা, যিসকল অৰ্থনৈতিক কাম-কাজৰ লগত যুক্ত, তেওঁলোক এই পিতৃতান্ত্ৰিক কঠোৰ নিয়ম-শৃঙ্খলাৰ পৰা মুক্ত। আমেৰিকাৰ নাৰীবাদী Kate Millet-এ তেওঁৰ 'The sexual politics' গ্ৰন্থখনত কয়, 'An ox dominates a cow like a man dominates a woman'। প্ৰকৃতিৰ এই নিময় অনুসাৰী পুৰুষ লিঙ্গ ৰাজনীতি কৰি সদায় নাৰীৰ ওপৰত থাকিব বিচাৰে আৰু পুৰুষত্বৰ সংগ্ৰামী মনোভাৱ প্ৰায় দেখা পোৱা যায়। আজি আমি অসমৰ ভোগালী বিহুতেই দেখো কুকুৰা যুঁজ, ম'হ যুঁজ আদি যি যুঁজ ৰামায়ণ, মহাভাৰত, ইলিয়াড, ওডিসিৰ যুগৰ পৰা আজিলৈকে সভ্য সমাজৰ পুৰুষসকলেও নিজ সমাজ তথা কৰ্মভূমিৰ ক্ষেত্ৰতো নিজৰ মাজত যুঁজে। যুঁজে বহুক্ষেত্ৰত পৌৰুষৰ গুণ প্ৰমাণ কৰিবৰ কাৰণেহে। সেই যুঁজি থকা ৰৌদ্ৰৰূপী ভোলানাথসকলক শান্ত শিৱৰূপী কৰিবলৈযে কোনো সামাজিক তথা সাংস্কৃতিক সংগঠনত নাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তাৰ বাবে বৰ্তমান প্ৰেক্ষাপটত Women in peace politics ৰাজনীতিৰ এটা অঙ্গ হৈ পৰিছে। শান্তিপূৰ্ণ আলোচনাৰ মাধ্যমেৰে সমস্যাৰ সমাধান কৰাটো নাৰী মনসতত্ব। সংঘাত নহয়, সমন্বয়ৰ মন্ত্ৰয় আমাৰ একতা।

নাৰী-পুৰুষ মিলিত আমাৰ সমাজখনত এগৰাকী মহিলাৰ মৰ্যদা, আত্মসম্মান আৰু ব্যক্তিত্ব সমাজ নিৰপেক্ষ হ'ব নোৱাৰে। তাৰ বাবে অগ্ৰণী ভূমিকা লোৱা মহিলাক পদচ্যুতি কৰিবলৈ পুৰুষপ্ৰধান মানসিকতাৰ এচাম ব্যক্তিয়ে সেই মহিলাৰ চৰিত্ৰ দোষ উলিয়াব বিচাৰে। সমাজৰ আগতে সেইগৰাকী যে সতী নাৰী নহয়, তাৰ আলোচনা কৰি image বেয়া কৰিব বিচৰা এনে ধৰণৰ পুৰুষতান্ত্ৰিক ৰাজনীতি আমি বহুক্ষেত্ৰত দেখা পাওঁ। কিন্তু শিক্ষিত মহিলাসকলে বুজি লোৱা উচিত নাৰীত্ব, সতীত্ব, পৱিত্ৰতা সেইবিলাক বিষেশণতেকও ডাঙৰ কথা এগৰাকী দায়িত্বশীলা, সহৃদয়, যুক্তিবাদী আৰু ব্যক্তিত্বশালী নাৰীয়ে পৰিয়াল, সন্তানৰ শিক্ষা, লালন-পালনকে ধৰি সমাজখনক আগবঢ়াই লৈ যাব পাৰে। অগ্নিপৰীক্ষা দিয়াৰ যুগৰ অৱসান হ'ল। মিথিল হৈ আছিল সময়ৰ লগত পিতৃতন্ত্ৰৰ শৃঙ্খলও। তথাপি নাৰীয়ে বহিৰ্বিশ্বখনত ওলাই আহি স্বাভিমানেৰে জীৱন ধাৰণ কৰিবলৈ দেখি পুৰুষতান্ত্ৰিক মানসিকতাৰ মাজত এক ভাবুকিৰ সৃষ্টি হোৱা যেন পৰিলক্ষিত হয়। তাৰ বাবেই আমি দেখিছো নাৰী নিৰ্যাতন আৰু ধৰ্ষণৰ





ঘটনাবিলাক দিনে দিনে বাঢ়ি গৈ আছে।

নাৰী-পুৰুষ আমাৰ লৈঙ্গিক (sex) বৈশিষ্ট। যি প্ৰকৃতিৰ সৃষ্টি। কিন্তু নাৰীত্ব বা পুৰুষত্ব (gender) এটা সামাজিক-সাংস্কৃতি গঠন প্ৰক্ৰিয়াহে। সেই গঠন কৌশলৰ মাধ্যমে সৰুৰে পৰা এগৰাকী ছোৱালীক শিকাই দিয়া হয়, কেনে সৰুকৈ হঁহা, ডাঙৰকৈ কথা নোকোৱা, লাহেকে খোজকঢ়া, শৰীৰটো কাপোৰেৰে ঢাকি থোৱা (যাতে পুৰুষৰ উত্তেজনাৰ কাৰণ নহয়), প্ৰতিবাদ নকৰা, সকলো কথা মানি লোৱা ইত্যাদি ভাল ছোৱালীৰ গুণ। ল'ৰাক বাহিৰত খেলিব দিয়া, ছোৱালীক পুতুলা দি বহাই থোৱা এইবিলাক লিঙ্গ নিৰ্মাণ প্ৰক্ৰিয়া। বৰ্তমান সমাজখনত এই প্ৰক্ৰিয়াটো সলনি হৈ আছে বাস্তৱ কাৰণত। পিতৃ এগৰাকীও উপলব্ধি কৰে ছোৱালী পঢ়া-শুনা কৰি মানুহ হ'ব লাগে, নিজৰ ভৰিত থিয় হ'লে পৰিয়াল তথা সমাজৰ কল্যাণ হয়। দেউতাৰ হাতত ধৰি ৰাতিপুৱা স্কুললৈ অহা ছোৱালীজনীৰ ভৱিষ্যতকেই নাৰীত্ব, সতীত্ব আদি ধাৰণাৰে গঢ় দিব নোৱাৰে। যৌন নিৰ্যাতনৰ পৰা বাচিবলৈ প্ৰতিবাদী হোৱাৰ শিক্ষাই বৰ্তমান সময়ৰ আহ্বান। সৰুৰে পৰা প্ৰতিবাদী ছোৱালীৰ মনত গঢ়ি উঠক সেই নি-সংকোচ ভাৱনা, নিৰ্বিক মন আৰু ল'ৰাৰ মনত গঢ়ি উঠক শিক্ষাৰ সঙ্গী ৰূপে ছোৱালীৰ প্ৰতি বন্ধুত্বপূৰ্ণ ব্যৱহাৰ, ছোৱালীৰ প্ৰতি সম্মান। পাৰিবাৰিক তথা কৰ্মক্ষেত্ৰতও পুৰুষতন্ত্ৰৰ অৱসান হোৱাৰ লগতে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো এই পিতৃতন্ত্ৰৰ অৱসান নহ'লে প্ৰকৃত অৰ্থত নাৰীমুক্তি বা সামগ্ৰিক সমাজৰ মঙ্গল সাধন সম্ভৱ নহয়। ◗

গ্ৰন্থপঞ্জী ঃ

1. Engels, Frederick (1884) - The Origin of the private property, family and the state, Moscow Publcation.
2. Millett, Kate (1970) - Sexual Politics, N.Y. Ballantine Books, U.S.

# জ্যোতির্ময়ী অভিনেত্ৰী মাকণ দত্ত, মোহিনী ৰাজকুমাৰী আৰু ধৰ্মেশ্বৰী গগৈ বৰা

ড° থুনু কলিতা

## পাহাৰী কন্যা ডালিমী

জ্যোতিপ্ৰসাদৰ 'জয়মতী' ছবিৰ আন এক আকৰ্ষণীয় নাৰী চৰিত্ৰ - ডালিমী। জয়মতী আৰু গদাপাণিৰ কাহিনীৰ লগত জৰিত ৰূপকথাৰ পাহাৰী কন্যা নাগিনী ডালিমীৰ উপস্থিতিয়ে 'জয়মতী'ক এক নতুন মাত্ৰা প্ৰদান কৰিলে।

তুংখুঙীয়া ফৈদৰ চাৰিঙ্গ ৰজা লাঙ্গি গদাপাণি। ৰাজনৈতিক ঘটনাচক্ৰত ল'ৰাৰজাই অঙ্গক্ষত কৰাৰ ভয়ত নিজক ৰক্ষা কৰিবলৈ নগা পাহাৰলৈ পলাই যায় আৰু নগা পাহাৰত নগাৰ বেশ ধৰি ঘূৰি ফুৰে। এই দৰে নগাপাহাৰত থাকোঁতেই গদাপাণিয়ে ডালিমীক লগ পায়। এই কাহিনীৰ আলমতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে 'জয়মতী' চিনেমাত ডালিমীক জীৱন্ত ৰূপ দিবলৈ সক্ষম হয়। নগা পাহাৰৰ নৈসৰ্গিক পটভূমিৰ সংযোগ আৰু ডালিমীৰ প্ৰাণ চঞ্চল জীৱন্ত ৰূপে 'জয়মতী'ত সোণত সুৱগা চৰায়।

'জয়মতী' বোলছবিৰ বাবে নায়িকা বিচাৰি হাবাথুৰি খাই ফুৰাৰ সময়তে জ্যোতিপ্ৰসাদে বিচাৰি পালে তেওঁৰ ৰূপকথাৰ উপযুক্ত নায়িকা স্বৰ্গজ্যোতি-দত্ত ওৰফে মাকণ দত্তক। আনুমানিক ১৯২৪ চনত শিৱসাগৰৰ গোলাঘাটত তেওঁৰ জন্ম হয়। পিতৃ শিৱসাগৰৰ বিখ্যাত মজিন্দাৰ বৰুৱাৰ বংশৰ ৰামু মজিন্দাৰ বৰুৱা।

অভিনয় কৰাৰ সময়ত মাকণ দত্তৰ বয়স আছিল মাত্ৰ ১১ বছৰ। জ্যোতিপ্ৰসাদে মাকণক তেজপুৰলৈ আনি বামুনী পাহাৰত থকা এটা ঘৰত মাকৰ সৈতে ৰাখি নৃত্য-গীত আদিৰ শিক্ষা দিছিল। নৃত্য-গীত শিকোৱাৰ উপৰিও জ্যোতিপ্ৰসাদে তেওঁক ডালিমীৰ চৰিত্ৰত অভিনয় কৰিবলৈ শিকাইছিল। জ্যোতিপ্ৰসাদে এটা কোঠাত এখন দীঘল আইনাৰ আগত গীত গাই গাই তাইক দুৱাৰ বন্ধ কৰি নাচিবলৈ দিয়ে। প্ৰকৃতিৰ লগত সম্পৰ্ক গঢ়ি তুলিবলৈ বাগিছাৰ মাজে মাজে আৰু কেতিয়াবা লুইতৰ বালিচৰত ফুৰাবলৈ নিয়ে। এইদৰে তেওঁ মাকণক পাহাৰী ডালিমী ৰূপত গঢ়ি তোলে। জ্যোতিপ্ৰসাদে অকল মাকণকে ডালিমী সজাই এৰা নাই। বৰং তেওঁ নগা পাহাৰৰ দৃশ্যও সজালে গুৱাহাটীৰ খাৰঘুলি পাহাৰতে। এইদৰে গছৰ পাত পৰিধান কৰি মাকণ জ্যোতিৰ কেমেৰাত আজলী নাগিনী ডালিমী হৈ ধৰা দিলে। জ্যোতিপ্ৰসাদে শিকোৱাৰ দৰেই নাচি-বাগি গীত গাই প্ৰাণ ঢালি অভিনয় কৰিলে। ডালিমীক চাই সকলো যেন আপোন পাহৰা হৈ পৰিল। ডালিমী চৰিত্ৰৰ সম্পৰ্কে চিনেমাখন চাই আনকি লক্ষ্মীনাথ বেজবৰুৱাইও এইদৰে মন্তব্য কৰে - "ডালিমী সম্পূৰ্ণৰূপে মোৰ মানস প্ৰতিমা। মই কেতিয়াও ভবা নাছিলোঁ যে ডালিমীক মোৰ মানসপটৰ বাহিৰে এই জনমত দেখিবলৈ পাম। কিন্তু জয়মতী ফিল্মৰ ডালিমীয়ে মোৰ সপোন দিঠকত পৰিণত কৰিলে। মোৰ চিত্ৰপটত থকা সেই চঞ্চল, সৰল আনন্দময়ী প্ৰকৃতিৰ জীয়াৰী ডালিমীক মই ফিল্মত সোঁশৰীৰে পখিলাটিৰ দৰে উৰি ফুৰা দেখিলোঁ।"

ডালিমীয়ে নগা পাহাৰত গদাপাণিৰ লগত ছাঁৰ দৰে লাগি ফুৰে। গদাপাণিক আক্ৰমণ কৰিবলৈ অহা চাউডাংহঁতক কাঁড় মাৰি খেদি দিয়ে। গছৰ পাত পৰিধান কৰিলেও ডালিমীয়ে খোপাত পিন্ধে বিজুলীৰ ফুল, কাণত পিন্ধে পদুমৰ কেৰু, হাতত মৃণালৰ খাৰু। ডালিমীয়ে যেন ল'ৰাবুঢ়া কাক কয় সঁচায়ে নুবুজে। কেতিয়াও অভিনয়ৰ আওভাও নোপোৱা অকণমানি ছোৱালীজনীয়ে জ্যোতিপ্ৰসাদে যেনেকৈ শিকালে তেনেকৈয়ে অভিনয় কৰিলে আৰু অভিনয় জগতত যাউতিযুগীয়া খ্যাতি ৰাখিবলৈ সক্ষম হ'ল। ডালিমী চৰিত্ৰ জ্যোতিপ্ৰসাদৰ মহৎ সৃষ্টি।

মাকণ দত্তৰ অভিনয় প্ৰতিভাৰ উমান পাই জ্যোতিপ্ৰসাদে তেওঁক ভৱিষ্যতে সুঅভিনেত্ৰী কৰি গঢ়ি তোলাৰ সপোন দেখিছিল। তেওঁ অত্যন্ত সুন্দৰী হোৱাৰ বাবে স্বৰ্গজ্যোতি নাম পাইছিল। স্বৰ্গজ্যোতিৰ প্ৰতিভাক অকল অসমৰে নহয়, সৰ্বভাৰতীয় ছবি জগতত প্ৰতিষ্ঠা কৰাৰ মানসেৰে জ্যোতিয়ে তেওঁক অশেষ কষ্ট কৰি নৃত্য-গীত আৰু অভিনয় শিকাইছিল।

কিন্তু জ্যোতিপ্ৰসাদৰ আশা পূৰ্ণ নহ'ল। অৱশ্যে ইয়াৰ কাৰণ বেলেগ। স্বৰ্গজ্যোতি গোলাঘাটলৈ ঘূৰি আহি গোলাঘাটৰ প্ৰখ্যাত উকীল তৰু বৰুৱাৰ লগত সাংসাৰিক জীৱনৰ এক নতুন অধ্যায়ৰ পাতনি তৰে।

## ৰাজমাও মোহিনী ৰাজকুমাৰী

১৯৩৫ চনত মুক্তি লাভ কৰা প্ৰথম অসমীয়া ছবি জ্যোতিপ্ৰসাদৰ "জয়মতী"ৰ অন্য এক ঐতিহাসিক চৰিত্ৰ ৰাজমাও, অভিনেত্ৰী দক্ষ শিল্পী - মোহিনী ৰাজকুমাৰী, যাৰ অভিনয় কৌশলত উদ্ভাষিত হৈ পৰিছিল অসমৰ আহোম ৰাজত্বৰ আভিজাত্য।

আহোম-চুতীয়া ৰণৰ সেনাপতি কনচেং বৰপাত্ৰগোহাঁইৰ আজোনাতি মহুৱা মৌজাৰ সৰু ৰজা ৰূপে খ্যাত চক্ৰেশ্বৰ বৰপাত্ৰগোহাঁই। তেওঁৰ পত্নী মৰঙ্গীখোৱা বৰগোহাঁইৰ বংশধৰ থিৰেশ্বৰী ৰাণী। ১৮৯৮ চনৰ আঘোণ মাহৰ পূৰ্ণিমা তিথিত পিতৃ চক্ৰেশ্বৰ গোহাঁইৰ ঔৰষত আৰু মাতৃ থিৰেশ্বৰী ৰাণীৰ গৰ্ভত মহুৱা গাঁৱত মোহিনী ৰাজকুমাৰীৰ জন্ম হয়।

১৯ বছৰ বয়সতে মোহিনী ৰাজকুমাৰীক শিৱসাগৰ জিলাৰ মেচাগড়ৰৰ বসন্ত বৰগোহাঁইলৈ বিয়া দিয়া হৈছিল। কিন্তু এটা ল'ৰা আৰু এজনী ছোৱালী জন্ম হোৱাৰ পিছত বৰগোহাঁইৰ মৃত্যু হয়। কিছুদিনৰ পিছতে একমাত্ৰ পুত্ৰৰো মৃত্যু হোৱাত তেওঁ পিতৃগৃহলৈ গুচি আহে।

আওহতীয়া মহুৱামুখ সেই সময়ত আছিল অতি পিছপৰা ঠাই। যাতায়তৰ কোনো সুবিধা নথকা মহুৱামুখলৈ মানুহে হাবিতলীয়া লংলুঙীয়া বাটেৰে যাবলগীয়া হৈছিল। মানুহৰ বসতিও আছিল তেনেই সেৰেঙা। বনৰীয়া ম'হে ৰাইজৰ খেতি-বাতি ধ্বংস কৰিছিল। গএগ ৰাইজে একগোট হৈ বনৰীয়া ম'হৰ জাক লুৰাই-লুৰাই কাষৰ অৰণ্যলৈ খেদিহে পথাৰৰ কাম কৰিব পাৰিছিল। ম'হ লুৰাই-লুৰাই খেদোৱাৰ বাবে গাওঁখনৰ নাম মহুৱামুখ হৈছিল বুলি জনা যায়। কিন্তু এনে এখন গাঁৱত জন্ম গ্ৰহণ কৰিলেও মোহিনী ৰাজকুমাৰী এক ৰাজকীয় পৰিবেশত ডাঙৰ দীঘল হৈছিল। পিতৃগৃহত থাকোঁতেই তেওঁ ঘোঁৰা দৌৰাইছিল আৰু চিকাৰ কৰিবলৈ গৈছিল। সেই সময়ত ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰাত বাধা আছিল যদিও ৰাজকুমাৰীয়ে চতুৰ্থ শ্ৰেণীলৈকে পঢ়িছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাই "জয়মতী" ছবি কৰিবলৈ লৈ বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ উপৰিও নিজে গাড়ী চলাই চলাই ঘূৰি ফুৰিও অভিনেত্ৰী গোটাব নোৱাৰা কথা

অসমবাসী সকলোৰে জ্ঞাত। শেষত এই সমস্যা সমাধানৰ দায়িত্ব পৰে জ্যোতিপ্ৰসাদৰ বন্ধু আৰু আইদেউ সন্দিকৈৰ সম্বন্ধীয় ককায়েক ডিম্ব গোহাঁইৰ ওপৰত। ডিম্ব গোহাঁয়েও মনোৰম নাটকীয় ঘটনাৰ নিচিনা অশেষ চেষ্টাৰে আইদেউ সন্দিকৈ, মোহিনী ৰাজকুমাৰী আৰু ব্ৰতেশ্বৰী ৰাজকুমাৰীক ধনশিৰিৰ বুকুয়েদি জাহাজেৰে আনি গৰিমিঘাটত উপস্থিত হৈ ভোলাগুৰি চাহ বাগিছাত জ্যোতিপ্ৰসাদক দিয়ে।

উল্লেখযোগ্য কথা যে"জয়মতী'ৰ পাঁচোগৰাকী অভিনেত্ৰী আছিল গোলাঘাট জিলাৰ। তেওঁলোক হ'ল - আইদেউ সন্দিকৈ - জয়মতী, মোহিনী ৰাজকুমাৰী - ৰাজমাও, মাকণ দত্ত - ডালিমী, ব্ৰতেশ্বৰী ৰাজকুমাৰী - ল'ৰাৰজাৰ ৰাজসভাৰ এটা সৰু ভাও, ভনিটি বুঢ়াগোহাঁই - (লিগিৰী তৰবৰী)।

কিন্তু তেজপুৰলৈ যোৱাৰ আগলৈকে ডিম্ব গোহাঁয়ে যে ৰাজকুমাৰীহঁতক চলচিত্ৰত অভিনয় কৰিবলৈ নিছিল এই কথা তেওঁলোকে জনা নাছিল। ডিম্ব গোহাঁয়ে তেওঁলোকক গেলাবিল নদীয়েদি নাৱত আৰু ধনশিৰিমুখৰ পৰা জাহাজেৰে তেজপুৰলৈ নিছিল। ব্ৰহ্মপুত্ৰৰ সিপাৰে জ্যোতিপ্ৰসাদে তেওঁলোকৰ বাবে অপেক্ষা কৰি আছিল। জ্যোতিপ্ৰসাদে তেওঁলোকক ভোলাগুৰি চাহ বাগিছালৈ নিয়ে আৰু চিত্ৰবনত থাকিবলৈ দিয়ে।

চিত্ৰবনত মোহিনী ৰাজকুমাৰীয়ে জ্যোতিপ্ৰসাদৰ নিৰ্দেশমতে প্ৰাণ ঢালি অভিনয় কৰিলে। মোহিনী ৰাজকুমাৰী সৰুৰে পৰাই ৰাজকীয় সন্মানৰ অধিকাৰিণী আছিল, তাতে ভাও পালে ৰাজমাওৰ দৰে এটা উচ্চ পদমৰ্যাদা থকা চৰিত্ৰৰ। গতিকে তেওঁৰ মাজত শুই থকা ৰাজকীয় সত্ত্বাটোৱে যেন সাৰ পাই উঠিল। প্ৰথম অভিনয়তে তেওঁ নিজৰ দক্ষতা আৰু শিল্প নৈপুণ্যৰ পৰিচয় দিবলৈ সক্ষম হ'ল। তেওঁৰ অভিনয় আছিল অতি মননশীল আৰু উচ্চ পৰ্যায়ৰ। মোহিনী ৰাজকুমাৰীৰ মতে - জয়মতী চলচিত্ৰত ব্যৱহাৰ কৰা বয়-বস্তু, সাজ-পোছাক সকলো নিখুঁত আছিল। একেবাৰে আহোম ৰাজসভাত ব্যৱহাৰ কৰা বস্তুৰ দৰে। আহোম ৰাজপৰিয়ালত থকা বিভিন্ন ধৰণৰ শৰাই, বাচন-বৰ্তন, মেৰঢৰা, পাটীঢৰা, চতাইঢৰা, সোণ-ৰূপৰ ধোঁৱাখোৱা, কেঁকোৰা দোলা, ভোগজৰা, জাপি, তামুলীপীৰা, চালপীৰা, হেংডাং, তৰোৱাল আদি বিভিন্ন বস্তু আছিল অতি আটকধুনীয়া। জয়মতী আৰু ৰাজমাওক ৰাজকীয় সাজ-পোছাক; পাট-মুগাৰ মেখেলা-চাদৰ পৰিধান কৰিবলৈ দিয়া হৈছিল। তেওঁলোকক কাণত সোণৰ থুৰীয়া, আঙুলিত ৰজাদিনীয়া জেঠিনেজীয়া আঙঠি, হাতত গামখাৰু আৰু নতুন ডিজাইনৰ হাতীশুৰীয়া ব্লাউজ পিন্ধিবলৈ দিয়া হৈছিল।

চিত্ৰবনত তেওঁলোক কেইবামাহো থাকিবলগীয়া হৈছিল। অভিনয় কৰি ঘৰলৈ উভতি অহাৰ সময়ত জ্যোতিপ্ৰসাদে তেওঁলোকক মাননি দিবলৈ বিচাৰোঁতে তেওঁলোকে নিজৰ দেশৰ বুৰঞ্জীৰ কাহিনীতহে অভিনয় কৰা বুলি মাননি লবলৈ অস্বীকাৰ কৰিছিল। সেয়ে জ্যোতিপ্ৰসাদে অভিনেত্ৰীসকলক পাট-মুগাৰ কাপোৰহে উপহাৰ দিছিল।

বোলছবিত অভিনয় কৰি ঘূৰি অহাৰ পিছত আইদেউ সন্দিকৈৰ দৰেই মোহিনী ৰাজকুমাৰী আৰু ব্ৰতেশ্বৰী ৰাজকুমাৰীও সমাজৰ কটু সমালোচনাৰ সন্মুখীন হৈছিল। পৰিয়ালৰ লোকে আনকি তেওঁলোকক গুলীয়াই মাৰিবলৈও খুজিছিল বুলি জনা যায়। কিন্তু মোহিনী ৰাজকুমাৰীয়ে সাহসেৰে এই সকলোবোৰ সমস্যাৰ সন্মুখীন হৈছিল। ৰাজপৰিয়ালৰ জীয়াৰী সাহসী আৰু আত্মবিশ্বাসী মোহিনী ৰাজকুমাৰীয়ে সমাজৰ কটু কথালৈ কাণ নিদি, কু-সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে ভৰা গাঁৱলীয়া সমাজখনলৈ নতুন আদৰ্শ আনিবলৈ আৰু প্ৰকৃত পথৰ সন্ধান দিবলৈ যত্ন কৰিলে। ১৯৭৮ চনত নামৰূপত এখন সম্বৰ্দ্ধনা সভা অনুষ্ঠিত হৈছিল। তাত জয়মতী ছবিৰ নায়ক ফুনু বৰুৱা (পৰশুৰাম), জয়মতী আইদেউ সন্দিকৈ আৰু ৰাজমাও মোহিনী ৰাজকুমাৰীক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনোৱা হৈছিল। তাতে ৰাজকুমাৰীয়ে ক'লে, "মানুহে বহুত কথা উলিয়ালে। কথাবোৰ শুনি মই বেচিকৈয়ে সাহসী হ'লোঁ। ইংৰাজ চাহাবৰ পৰা ৰাস্তা বন্ধা ঠিকা ল'লোঁ। গাড়ী-মটৰৰ সুবিধা নথকাত ঘোঁৰা এটা কিনি লৈ পিঠিত উঠি ঠিকা কাম চাই ফুৰিলোঁ। মাইকীমুৱা ল'ৰা দুটাই পিছৰ পৰা কেতিয়াবা চিঞৰে। মুখৰ আগত মাতিবলৈ সাহস নকৰে।" (প্ৰথম নায়ক, অখিল চক্ৰৱৰ্ত্তীৰ প্ৰবন্ধ ঃ সান্নিধ্যৰ অমৃতময় মুহূৰ্ত, পৃষ্ঠা ৩১)।

প্ৰথমে তেওঁ মহুৰামুখত "মূলাগাভৰু মঞ্চ" নাম দি এখন ৰঙ্গমঞ্চ প্ৰতিষ্ঠা কৰিলে। তাৰ পিছত আইদেউ সন্দিকৈৰ লগত লগ হৈ সেই ৰঙ্গমঞ্চতে মূলাগাভৰু, জয়মতী,পিয়লি ফুকন, চক্ৰধ্বজ সিংহ, মণিৰাম দেৱান আদি বুৰঞ্জীমূলক নাটক অভিনয় কৰি নতুন প্ৰজন্মৰ বাবে সহ-অভিনয়ৰ বাট মুকলি কৰাৰ লগতে ৰাইজক অভিনয়ৰ প্ৰতি আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিলে। তেওঁ আছিল অতি স্পষ্টবাদী, জেদী আৰু সৎসাহসী। সেয়েহে বোলছবিত অভিনয় কৰাৰ পিছত সমাজে যি লাঞ্ছনা-গঞ্জনা কৰিলে সেইবোৰে তেওঁৰ মনোবল ভাঙি দিয়াৰ পৰিবৰ্তে দুগুণে বৃদ্ধিহে কৰিলে।

মহাত্মা গান্ধী আৰু মীৰাবেনৰ সান্নিধ্যৰে মহীয়ান হৈ কপাহৰ সূতা কাটি তেওঁ নিজৰ পোছাক নিজে তৈয়াৰ কৰি লৈছিল আৰু মহিলাসকলকো উদ্‌গনি যোগাইছিল। মহুৰামুখত মহিলা সমিতি পাতি মহিলাসকলক বয়নশিল্প আৰু সামাজিক কামৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। বয়নকেন্দ্ৰ প্ৰতিষ্ঠা কৰি ছোৱালীক প্ৰশিক্ষণ দিয়াই চৰকাৰৰ পৰাও সাহায্য আদায় কৰিছিল। তেওঁ কেৱল জয়মতীৰ 'ৰাজমাও'ৰ মাজতে বন্দী হৈ নাথাকিল। গণশিল্পী জ্যোতিপ্ৰসাদৰ প্ৰেৰণাৰে সমাজত এচাম নতুন মানুহ সৃষ্টি কৰিলে আৰু সেইবোৰৰ মাজতে ব্যস্ত থাকি পাহৰি যাবলৈ চেষ্টা কৰিলে ব্যক্তিগত জীৱনৰ দুখৰ যন্ত্ৰণা। তেওঁ ভাৱৰীয়াৰ সাজ-পোছাক তৈয়াৰ কৰা এক শ্ৰেণীৰ শিল্পীৰো সৃষ্টি কৰিলে।

মোহিনী ৰাজকুমাৰীয়ে ১৯৩৯ চনতেই মহুৰা আলিটো নিৰ্মাণ কৰোৱা বৰ্তমান শিল্পী মোহিনী ৰাজকুমাৰী পথ নামেৰে নামকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ আছিল প্ৰথম অসমীয়া মহিলা ঠিকাদাৰ। তাৰোপৰি তেওঁ বিদ্যালয় পাতি অঞ্চলটোলৈ পোহৰ আনিছিল। তেওঁ আছিল লোকেল বৰ্ডৰ সদস্যা, যোৰহাট কৰ্টৰ জুৰীৰ সদস্যা, পঞ্চায়ত আৰু মণ্ডল কংগ্ৰেছৰ সদস্যা। সকলোতে তেওঁ একনিষ্ঠা আৰু পাৰদৰ্শিতাৰে নিজৰ কৰ্তব্য সমাধা কৰিছিল। পুৰুষৰ সমানেই নাও চলাই, ঘোঁৰা দৌৰাই জয়মতী মূলাগাভৰুৰ দেশৰ নাৰীয়েহে সকলো কাম কৰিব পাৰে তাৰে নিদৰ্শন দি থৈ গৈছে। বৃটিছ চৰকাৰে তেখেতৰ কামৰ স্বীকৃতি স্বৰূপে, নপমুৱা গ্ৰেজিঙত বাৰ পুৰা মাটি দি সন্মান জনাইছিল।

১৯৮৩ চনৰ এপ্ৰিল মাহত ৮৮ বছৰ বয়সত মোহিনী ৰাজকুমাৰীৰ মৃত্যু হয় যদিও তেখেতৰ কৰ্মৰাজিৰ মাজেৰে তেখেত আজিও আমাৰ মাজত জীয়াই আছে। তেখেতৰ সাহস, চিন্তা, কৰ্ম আৰু জীৱনৰ আদৰ্শ সকলোৰে প্ৰেৰণাৰ উৎস।

এইগৰাকী বৰেণ্য মহিলাই ৰাজপৰিয়ালৰ বহুতো আপুৰুগীয়া সম্পদ সযতনে ৰাখি থৈ গৈছে। তেখেতৰ জীৱিত কালতেই এই ঐতিহাসিক সম্পদসমূহ সংৰক্ষণৰ বাবে এটি ক্ষুদ্ৰ সংগ্ৰহালয় স্থাপন কৰাৰ ইচ্ছা আছিল। অৱশ্যে পলমকৈ হলেও ১২/৪/১৯৯৯ তাৰিখে তেখেতৰ ইচ্ছাক সঁহাৰি জনাই শিল্পীগৰাকীৰ মহুৰামুখৰ বাসগৃহ প্ৰাঙ্গণত ক্ষুদ্ৰ সংগ্ৰহালয়টিৰ আধাৰশিলা স্থাপন কৰে সেই সময়ৰ বোকাখাত সমষ্টিৰ বিধায়ক ভূপেন্দ্ৰ নাথ ভূঞাই। সুখৰ খবৰ যে তেখেতৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি গোলাঘাট জিলা সাহিত্য সভা, মহুৰামুখ শাখা সাহিত্য সভা, মহুৰামুখ নাট্যসংঘ, কমাৰগাঁও আঞ্চলিক লেখিকা সমাৰোহ সমিতি আৰু ৰাইজৰ উমৈহতীয়া প্ৰচেষ্টাত ৰংঘৰৰ আৰ্হিতে এই সংগ্ৰহালয়টিৰ কাম সম্পূৰ্ণ কৰি ৬/৭/২০০২ তাৰিখে উদ্বোধন কৰা হয়।

## ইন্দ্ৰমালতীৰ উপিনা

অসমীয়া বোলছবি জগতৰ আন এগৰাকী উপেক্ষিতা



অসম কলেজ শিক্ষক সংস্থা, মহিলা কোষ

নাৰী ধৰ্মেশ্বৰী (গগৈ) বৰা।

'জয়মতী'ৰ পিছত কিছুদিন নিটাল মাৰি থাকি ১৯৩৯ চনত কলিকতালৈ গৈ জ্যোতিপ্ৰসাদে কম দিনৰ ভিতৰতে 'ইন্দ্ৰমালতী' নামৰ দ্বিতীয়খন অসমীয়া ছবি নিৰ্মাণ কৰে। ছবিৰ কাহিনী জ্যোতিপ্ৰসাদৰ নিজৰ। নায়ক ইন্দ্ৰৰ ভূমিকাত অভিনয় কৰিছিল জ্ঞানাদাভিৰাম বৰুৱাৰ পুত্ৰ মনোভিৰাম বৰুৱাই। নায়িকা 'মালতী' আছিল গহপুৰ ডেকাগাঁৱৰ ৰাসেশ্বৰী।

'ইন্দ্ৰমালতী'ৰ আন এটা নাৰী চৰিত্ৰ 'উপিনা'ৰ ভূমিকাত অভিনয় কৰা আনগৰাকী অভিনেত্ৰী আছিল - ধৰ্মেশ্বৰী (গগৈ) বৰা। ১৯২৪ চনত গহপুৰৰ অন্তৰ্গত বৰগুাবাৰী গাঁৱত তেওঁৰ জন্ম হয়। দেউতাক পুনাৰাম গগৈ আৰু মাকৰ নাম আছিল তিলেশ্বৰী গগৈ।

সেই সময়ত যিহেতু সাধাৰণ মানুহৰ ছোৱালীয়ে পঢ়া-শুনা কৰাৰ বিশেষ সুবিধা নাছিল গতিকে ধৰ্মেশ্বৰী বৰাও পঢ়াৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। বৰং ১৯৩৯ চনত ১৫ বছৰ বয়সতে দক্ষিণ ঘাঁহী গাঁৱৰ মুখেশ্বৰ বৰাৰ লগত তেওঁ বিবাহ-পাশত আবদ্ধ হ'বলগীয়া হ'ল।

বিয়াৰ দুমাহমানৰ পিছতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ সম্পৰ্কীয় ধনবাবু আগৰৱালা নামৰ এজন মানুহ তেওঁলোকৰ ঘৰলৈ আহে আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই কৰিবলৈ লোৱা আন এখন ছবিত এটা চৰিত্ৰত ধৰ্মেশ্বৰীয়ে অভিনয় কৰিব লাগে বুলি জোৰ কৰে। প্ৰথমে স্বামী মুখেশ্বৰ বৰা এই প্ৰস্তাৱত সন্মত হোৱা নাছিল। ধনবাবুয়ে তেওঁক জোৰ কৰি কয় যে - "তাই যাব লাগিব। মই এই অঞ্চলত তাইৰ নিচিনা ছোৱালী বিচাৰি পোৱা নাই।" শেষত মুখেশ্বৰ বৰা চৰ্ত-সাপেক্ষে সন্মত হয়। চৰ্তটো আছিল এই যে ধৰ্মেশ্বৰীৰ লগত যদি স্বামীক যাবলৈ আৰু থাকিবলৈ দিয়ে তেতিয়া যাবলৈ দিব পাৰে। ধনবাবু সন্তুষ্ট হৈ ক'লে- "ভালহে পাওঁ কথা ইমানেই। কথামতেই ধনবাবুয়ে দুয়োকে লৈ গৈ ভোলাগুৰি চাহবাগিচাত জ্যোতিপ্ৰসাদক গতাই দিলে।

পিছত তেওঁলোকক তেজপুৰলৈ নিয়া হ'ল। তেজপুৰত 'ইন্দ্ৰমালতী'ৰ শ্বুটিং আৰম্ভ হ'ল। মাত্ৰ ১৫ বছৰীয়া আৰু অভিনয়ৰ বিশেষ একো আও ভাও নোপোৱা ধৰ্মেশ্বৰীয়ে জ্যোতিপ্ৰসাদে যি কৰিবলৈ দিলে, যিদৰে দেখুৱাই দিলে তেনেদৰেই কৰি গ'ল।

প্ৰথম জ্যোতিপ্ৰসাদক লগ পাই কেনে লাগিছিল বুলি সোধাত তেওঁ কয় যে, "তেখেতৰ কথা শুনি আছিলোঁ দেখা নাছিলোঁ। ইমান ওচৰৰ পৰা লগ পোৱাতো দূৰৰ কথা। কিন্তু লগ পাই বৰ ভাল লাগিছিল। সকলো সংকোচ ভাৱ আঁতৰি গৈছিল। তেজপুৰৰ কেম্পত, ইন্দ্ৰমালতীত অভিনয় কৰা গোটেইবোৰ মানুহ আছিল। পুৰুষ আৰু মহিলাক বেলেগে বেলেগে ৰখা হৈছিল। সুন্দৰ ব্যৱস্থা। মই আৰু কথাছবিখনৰ 'মালতী' চৰিত্ৰত অভিনয় কৰা ৰাসেশ্বৰী একেলগে আছিলোঁ। আমাক সময়ে সময়ে খোৱা-বোৱাৰ যোগাৰ ধৰিছিল। সকলো সুন্দৰ বন্দোবস্ত। প্ৰথমে ডাঙৰ ডাঙৰ লাইটৰ কেমেৰাবোৰৰ আগত কিবা কিবা লাগিছিল। কি বা কৰিব লাগে কি বা কৰিব নালাগে মনটো খেলিমেলি লাগিছিল। পিছত ভাল লাগি গ'ল।"

শ্বুটিঙৰ সময়ৰ স্মৃতি ৰোমন্থন কৰি তেখেতে কয় যে, "মই এজনী মিৰি ছোৱালীৰ ভাও লৈছিলোঁ। নাম - উপিনা। ডেকাগাঁৱৰ ৰাসেশ্বৰীয়ে মালতীৰ চৰিত্ৰত অভিনয় কৰিছিল। ইন্দ্ৰ আছিল মনোভিৰাম বৰুৱা। মোৰ লগৰ মিৰি ল'ৰা হোৱাটো আছিল কলিয়াবৰৰ ল'ৰা। সি 'লেহেম' নামৰ ভাওটো কৰিছিল। তাৰ আচল নামটো পাহৰিলোঁ। এতিয়া জীয়াই আছেনে নাই তাকো নাজানোঁ। আমি দুয়ো ব্ৰহ্মপুত্ৰ নদীৰ বুকুত নাৱত উঠি অভিনয় কৰিছিলোঁ। জ্যোতি ককাই দেউয়ে যেনেকৈ কৰিবলৈ দিছিল তেনেকৈয়ে কৰিছিলোঁ। মই পিন্ধা মিৰি সাজ-পোছাক ওচৰৰ ক'ৰবাৰ মিৰি গাঁৱৰ মিৰি ছোৱালীৰ পৰা অনা হৈছিল। পিছত ঘূৰাই দিলে।"

শ্বুটিঙৰ শেষত ১০০ টকা মাননি দি ধৰ্মেশ্বৰী আৰু মুখেশ্বৰক দক্ষিণ ঘাঁহীগাঁৱত থোৱা হ'ল।





"গাঁৱত বু-বু বা-বা। লগত স্বামী আছিল বাবে মই সাহস পালোঁ। গাঁৱৰ মানুহে তেখেতকে নানা কটু কথা কলে, ভৰ্ৎসনা কৰিলে। কেইবছৰমান আমাক গাঁৱৰ ৰাইজে এঘৰীয়া কৰি থলে। পিছত অৱশ্যে ঠিক হ'ল।"

"আমালৈ আকৌ অভিনয় কৰাৰ খবৰ আহিছিল, মাতিছিল। এখেতে নালাগে যাব বুলি ক'লে। তেতিয়াৰে পৰা আৰু অভিনয় কৰা নাই।"

বৰ্তমান ৯০ বছৰীয়া ধৰ্মেশ্বৰী বৰা ঘাঁহীৰ নতুনকৈ হোৱা ঘাঁহী মিলন গাঁৱত সৰু পুতেক তিলক বৰাৰ লগত থাকে।

তেওঁৰ ছোৱালী দুজনী, ল'ৰা চাৰিটা। ছোৱালী এজনী আৰু ল'ৰা এটা মৰিল। বাকী থকা ছোৱালীজনী নলবাৰীত থাকে। নাতিৰ নাতিৰো মুখ দেখা ৯০ বছৰীয়া ধৰ্মেশ্বৰী বৰা যেন আজি অসহায়। অভাৱ আৰু বয়সে আক্ৰান্ত কৰা মানুহগৰাকীয়ে কেইটামান বৃদ্ধ পেঞ্চন পোৱাৰ বাহিৰে কেইবাবাৰো দৰ্খাস্ত কৰি দিছপুৰলৈ অহা-যোৱা কৰিও ২০০৮ চনলৈকে শিল্পী পেঞ্চন পোৱা নাছিল।

অৱশ্যে কেইগৰাকীমান শুভাকাংক্ষীৰ চেষ্টাত এইবাৰ ২০০৯ চনত অসম চৰকাৰে তেওঁলৈ শিল্পী পেঞ্চন আগবঢ়াইছে। ■

# মামণি ৰয়চম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' ঃ এটি আলোচনা

**অমিয়া পাটৰ**

মামণি ৰয়চম গোস্বামী অসমীয়া সাহিত্য জগতৰ এটি উজজল নক্ষত্ৰ। কলেজীয়া ছাত্ৰী অৱস্থাতে চুটিগল্পৰ যোগেদি সাহিত্য জগতত প্ৰৱেশ কৰা গোস্বামী বৰ্তমান অসমীয়া সাহিত্যৰ কাণ্ডাৰীস্বৰূপ। এগৰাকী সংবেদনশীল লেখিকাৰূপে খ্যাত মামণি ৰয়চম গোস্বামীৰ গল্প, উপন্যাসত সমাজৰ বিভিন্ন দিশসমূহ প্ৰতিফলিত হৈছে যদিও তেওঁৰ উপন্যাস ৰচয়িতাৰূপে খ্যাতি অধিক। ৰয়চমৰ উপন্যাস সমূহত চিত্ৰিত হৈছে মানুহৰ দুখ, দৈন্য, অত্যাচাৰ-অনাচাৰত জৰ্জৰিত আৰ্ত্তজনৰ চিৎকাৰ আৰু ইয়াৰ প্ৰতিবাদ। এইবোৰ মানুহৰ জীৱনৰ সঙ্গী হোৱাৰ দৰে প্ৰকৃতিও মানুহৰ জীৱনৰ সঙ্গী। গতিকে লেখিকাগৰাকীৰ লেখনিত প্ৰকৃতিৰ অনুপম সৌন্দৰ্যক অবজ্ঞা কৰা হোৱা নাই।

উপন্যাস সাহিত্য ঘাইকৈ আধুনিক সাহিত্য, অসমীয়া আধুনিক সাহিত্যৰ ভেটি গঢ়ি উঠিছিল পাশ্চাত্য সাহিত্যৰ ৰীতিক অনুকৰণ কৰি । উপন্যাস সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। গতিকে পশ্চিমীয়া সাহিত্যৰ বাদ-বৈচিত্ৰ্যৰ ভিত্তিত অসমীয়া উপন্যাস সাহিত্যই বাট বুলিছিল।

অতিবাস্তৱবাদ বা ডাডাবাদ সাহিত্যৰ এটি বাদ। ই অভিব্যক্তিবাদৰ এটি শাখা। অভিব্যক্তিবাদৰ প্ৰতিক্ৰিয়াত প্ৰথমতে ডাডাবাদৰ সৃষ্টি হয় আৰু ইয়াৰ পিছতে অতিবাস্তৱবাদৰ সৃষ্টি হয়। সূক্ষ্ম ভাবানুভূতিৰ আৰু সূক্ষ্ম কুশলী প্ৰকাশৰ সমৰ্থনেই অতিবাস্তৱবাদ (Surrealism) ৰ মূল লক্ষণ। সূক্ষ্ম অনুভূতিৰ কলাসন্মত প্ৰকাশেৰে সভ্যতাৰ সমালোচনা কৰা হয় যদিও সপোনৰ ছঁয়াময়া ছবি এটিয়ে ইয়াত ভুমুকি মাৰেহি। কিন্তু এই ছবি ছঁয়াময়া হ'লেও অলৌকিক নহয়, বাস্তৱৰ লগত খাপ খোৱা, ক'বলৈ গ'লে সমাজৰ কিছুমান নীতি-নিয়মৰ বিৰুদ্ধে পৰোক্ষ তীক্ষ্ণ সমালোচনা। কাফ্‌কাৰ *'দ্য কাচল'* (The Castle) এখন অতিবাস্তৱবাদী উপন্যাস। মামণি ৰয়চম গোস্বামীৰ উপন্যাস নীলকণ্ঠী ব্ৰজতো অতিবাস্তৱবাদৰ লক্ষণ দেখিবলৈ পোৱা যায়।

নীলকণ্ঠী ব্ৰজৰ কাহিনীভাগ আৰ  হৈছে মথুৰা ছাউনী ৰেল ষ্টেচনত। উপন্যাসখনৰ বিধৱা নায়িকা





সৌদামিনীক লৈ পিতৃ ৰায়চৌধুৰী আৰু মাতৃ অনুপমাই ব্ৰজধামলৈ আহিছে। কোমল বয়সতে বিধৱা হোৱা সৌদামিনীৰ মানসিক পৰিৱৰ্তনৰ বাবেই এই যাত্ৰা। এগৰাকী বিধৱাৰ বাবে সমাজে যি নিয়ম বান্ধি দিছে সেই নিয়ম সৌদামিনীয়ে সহজভাৱে মানি ল'ব পৰা নাই। সেইবাবেই তাই এটি খ্ৰীষ্টান যুৱকৰ প্ৰেমত পৰিছে। এই যুৱকটিৰ হাত খামুচি তাই জীৱনটোক এটি মাত্ৰা দান কৰিব খোজে। কিন্তু গোড়া সমাজ তাইৰ এই জীৱন যাত্ৰাৰ সুদীৰ্ঘ প্ৰাচীৰ। মাক-দেউতাকে বিশেষকৈ মাক অনুপমা সমাজৰ বিধিত সম্পূৰ্ণ সহমত। সৌদামিনীক ব্ৰজধামলৈ লৈ আনিছে মানসিক পৰিৱৰ্তনৰ বাবে। ব্ৰজধামতে আজোককাকৰ দিনৰ পৰা চলি থকা হস্পিতাল এখন নতুনকৈ সজাই-পৰাই ডাঃ ৰায়চৌধুৰী আৰ্তজনৰ সেৱাত ব্ৰতী হৈছে। কিন্তু ব্ৰজধামলৈ গৈয়ো সৌদামিনীৰ মানসিক পৰিৱৰ্তন হোৱা নাই। তাই দেউতাকৰ দৰে ৰোগীক সেৱা কৰিয়েই জীৱনটো অতিবাহিত কৰিব নোখোজে। সৌদামিনীৰ অপৰিৱৰ্তিত চিন্তাই মাক অনুপমাক অধিক চিন্তিত কৰি তুলিছে আৰু তেওঁ পুনৰ যক্ষ্মা ৰোগত আক্ৰান্ত হৈছে। সৌদামিনীয়ে নিজ খেয়াল-খুচি মতে জীয়াই থাকিব বিচাৰে। কেৱল সেয়ে নহয়, তাইৰ কাৰ্যকলাপৰ যোগেদি উক্ত কথা স্পষ্টকৈ প্ৰকাশ কৰি দিয়ে। ইফালে ডাঃ ৰায়চৌধুৰীৰো আৰ্থিক স্বচ্ছলতা হ্ৰাস পাই আহিছে। ফলত মানুহক সেৱা কৰা কামত বাধা আহিছে। মাতৃ অনুপমাও মৃতপ্ৰায় অৱস্থাত। অৱশেষত ডাঃ ৰায়চৌধুৰীয়ে জীয়েকৰ মানসিক অৱস্থাৰ ওচৰত হাৰ মানিছে। তেওঁ সেই খ্ৰীষ্টান যুৱকটিক ব্ৰজধামলৈ মাতি আনিছে। জীয়েকক যুৱকটিৰ স'তে মিলিত হ'বলৈ যমুনাৰ পাৰলৈ তেওঁ নিজেই আগবঢ়াই দিছে। সৌদামিনীয়ে খ্ৰীষ্টান যুৱকজনক লগ পোৱাৰ পাছত পিতৃ-মাতৃৰ কথা মনলৈ আনি যমুনাৰ বুকুত জাপ দি আত্মহত্যা কৰিছে। উপন্যাসখনৰ মূল কাহিনী ইমানেই। কাহিনীভাগক আগবঢ়াই নিবৰ বাবে অবিবাহিতা মৃণালিনী, কেও কিছু নোহোৱা শশী, চিত্ৰশিল্পী ৰাকেশ, ভাঙ্গী গাভৰু ইত্যাদিৰ লগত জড়িত উপ-কাহিনী কিছুমানো সংযোগ কৰা হৈছে।

চৰিত্ৰ উপন্যাসৰ এক অন্যতম উপাদান। উপন্যাসখনত ভালে সংখ্যক চৰিত্ৰৰ সমাৱেশ ঘটোৱা হৈছে। ঔপন্যাসিকাই তেওৰ ৰচনাশৈলীৰ যোগেদি প্ৰায়বোৰ চৰিত্ৰকে পাঠকৰ আগত স্পষ্টৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। উপন্যাসখনৰ নায়িকা সৌদামিনী। তাই মৃত স্বামীৰ স্মৃতি পাহৰি গৈছে। এগৰাকী বিধৱা নাৰীৰ বাবে যি সামাজিক বাধা-নিষেধ আছে তাক তাই অন্তৰেৰে মানি ল'ব খোজা নাই। জাত-পাতৰ বিচাৰ থকা তথাকথিত সমাজখনৰ বাবে এই কথা একেবাৰে অপ্ৰাসঙ্গিক। বিশেষকৈ সেইখন সমাজত প্ৰতিপালিত হোৱা মাতৃ অনুপমাই মুঠেই গ্ৰহণ কৰিব পৰা নাই। সেইবাবেই সৌদামিনীক লৈ অহা হৈছে ব্ৰজধামলৈ। কিন্তু উৰ্ধ্ব দৈহিকৰ বাবে কঁকালৰ খোঁচনাত পয়চা সঁচা ভিক্ষাৰী ৰাধেশ্যামী বুঢ়ীসকলৰ সান্নিধ্যলৈ অহা সত্ত্বেও অথবা জড়া-ব্যাধি-মৃত্যুৰ নিৰ্মমতা দেখিও সৌদামিনীয়ে জীৱনটো নতুনকৈ চোৱাৰ মোহ এৰিব পৰা নাই। বৰঞ্চ এনেবিলাক দৃশ্যই তাইক তাইৰ মনে বিচৰা জীৱনটোৰ প্ৰতি অধিক আকৰ্ষিতহে কৰি তুলিছে। যুগ্ম জীৱন এটাৰ আকাংক্ষাই যেন তাইক দহি-পুৰি মাৰিবলৈ ধৰে। ঔপন্যাসিকে সৌদামিনীৰ কোঠাৰ ভিতৰত সাপ দেখা পোৱা ঘটনাৰ অৱতাৰণা কৰি প্ৰতীকীৰূপত যেন ফ্ৰয়েদীয় মনস্তত্ত্বকে প্ৰকাশ কৰিব খুজিছে। কাৰণ সাপডাল কোঠালৈ সোমাই অহাৰ আগে-আগে তাইৰ খ্ৰীষ্টান প্ৰেমিকজনৰ কথা মনলৈ আহিছে – সেই খ্ৰীষ্টান যুৱকটি ? তাইৰ ভাৱ হয় তাইৰ মনে যেন কোনো এক অন্ধকাৰ সুৰঙ্গক উ   শ্য কৰি গতি কৰিছে আৰু কোনো এক মূহূৰ্ত্তত ভাব হৈছে এই অন্ধকাৰ

পোহৰৰো অধিক। (নীলকণ্ঠী ব্ৰজ -পৃঃ, ৬৯) ইয়াৰ পিছতে সাপডাল সোমাই অহাৰ বৰ্ণনা আছে – এদিন পুৰা শুকান কাগজৰ খৰ্মৰণিৰ দৰে শব্দ এটি শুনি সৌদামিনী সাৰ পাই উঠিল। ..........এইবোৰ বাঁকে বিহাৰীৰ সেই কেলেঙ্কেৰীৰ কাগজবোৰ নেকি বাৰু ? .......কিন্তু ওপৰলৈ মূৰ তুলি চাই তাইৰ বিস্ময়ৰ সীমা নাথাকিল। ওপৰত কাঠ আৰু ভগ্ন ইটাৰ অন্ধকাৰ সুৰঙ্গেৰে বাহিৰলৈ ওলাই আহিছে এডাল গোক্ষুৰ সাপ। (নীলকণ্ঠী ব্ৰজ -পৃঃ, ৬৯)

সৌদামিনীয়ে জীৱনটোক নিজে বিচৰা ধৰণে যাপন কৰিবলৈ বিচাৰিছিল। খ্ৰীষ্টান যুৱকজনৰ লগত মিলিত হোৱাৰ পাছতো তেনেহলে কিয় তাইৰ জীৱনৰ মোহ হেৰাই গ'ল। প্ৰকৃততে তাই কি বিচাৰিছিল ? মানুহৰ মন বৈচিত্ৰ্যময়! এই বিচিত্ৰতা যেন সৌদামিনীৰ চৰিত্ৰটোত বাৰুকৈয়ে ফুটি ওলাইছে। খ্ৰীষ্টান যুৱকজনৰ লগত মিলিত হোৱাৰ পাছতো পিতৃ-মাতৃৰ কথা মনত পেলাই তাই যমুনাৰ বুকুত জাহ গৈছে। পিতৃ-মাতৃক লোক-লজ্জাৰ পৰা বচাবলৈ নে নিজৰ মানসিক অন্তৰ্দ্বন্দৰ ফলশ্ৰুতি ?

উপন্যাসখনৰ কাহিনীভাগক গতিশীলতা দান কৰিবৰ বাবে যি উপ-কাহিনীৰ অৱতাৰণা কৰা হৈছে তাৰ দুটা চৰিত্ৰ হৈছে মৃণালিনী আৰু শশী। মৃণালিনী অবিবাহিতা। বৃদ্ধ অন্ধ পিতৃ ঠাকুৰ চাহাব আৰু মাতৃৰ লালন-পালনৰ দায়িত্বই মৃণালিনীক নিজৰ এখন সংসাৰ কৰাৰ পৰা আঁতৰাই ৰাখিলে। কিন্তু মৃণালিনীয়ে এই কথা মনে-প্ৰাণে গ্ৰহণ কৰিব পৰা নাই। সেইবাবেই মাজে মাজে পিতৃ-মাতৃকলৈ মৃণালিনীৰ অন্তৰত বিৰক্তি ভাৱ এটাই গা কৰি উঠে। শশী এগৰাকী কম বয়সীয়া অনাথ ছোৱালী। তাই আশ্ৰিতা হ'ল মন্দিৰ এটাৰ বুঢ়া পূজাৰী আলমগড়ীৰ ঘৰত। আলমগড়ীৰ মৃত্যুয়ে তাইক পুনৰ আশ্ৰয়হীনা কৰি তুলিলে। বৃদ্ধা ৰাধেশ্যামীসকলৰ জীৱন যন্ত্ৰণা দেখি তাই ভৱিষ্যতৰ চিন্তাত শংকিত হৈ পৰিছে।

উপন্যাসখনত সৌদামিনীৰ চৰিত্ৰটোক যিদৰে বাস্তৱবাদী দৃষ্টিৰে সজাই তোলা হৈছে, আনহাতে ভাঙ্গী গাভৰু চৰিত্ৰটোক স্বপ্নৰ কুহেলিকাময় অন্তৰ্জগতত প্ৰৱেশ কৰা এটি চৰিত্ৰৰূপে ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। সেইদৰে ডাঃ ৰায়চৌধুৰী, অনুপমা, ঠাকুৰ, মৃণালিনীৰ মাতৃ, আলমগড়ী, শিল্পী চন্দ্ৰভানু ৰাকেশ ইত্যাদি চৰিত্ৰ সমূহকো ঔপন্যাসিকে নিজস্ব বৈশিষ্ট্যৰে উপস্থাপন কৰিবলৈ যত্ন কৰিছে।

উপন্যাসখনৰ পটভূমি ব্ৰজধাম। ব্ৰজধামলৈ ঈশ্বৰ চিন্তাত নিৱিষ্ট হৈ জীৱনৰ দিনকেইটা অতিবাহিত কৰিবলৈ অহা ব্ৰাহ্মণ বিধৱা সকলৰ এটি যন্ত্ৰণাকাতৰ জীৱন ইয়াত ফুটাই তোলা হৈছে। উৰ্ধ দৈহিকৰ বাবে কেনেকৈ খোচনাত সাঁচি ৰখা সামান্য টকাকেইটাও দৈত্যৰূপী পাণ্ডাকেইটাৰ হাতৰ পৰা সাৰি যাব নোৱাৰে তাৰ এটি নিৰ্মম আৰু অন্তৰস্পৰ্শী চিত্ৰ উপন্যাসখনৰ মাজেদি অতি সুন্দৰকৈ ফুটাই তোলা হৈছে। ভক্ত সমাজে কল্পনা কৰা ব্ৰজধামক যান্ত্ৰিকতাই যেন এক নৰক কুণ্ডলৈ পৰিণত কৰিছে। ইয়াত আছে মানুহৰ বুভুক্ষাৰ হাঁহাঁকাৰ। তদুপৰি চৰণ বিহাৰীৰ বক্তৃতাত আৰু শিল্পী চন্দ্ৰভানু ৰাকেশৰ কথা-বতৰাত ঔৰংগজেৱৰ হিন্দু মন্দিৰৰ ধ্বংসলীলা, কিম্বদন্তীৰ পৰা সাম্প্ৰতিকলৈকে ব্ৰজধামৰ এটি চিত্ৰ ফুটি উঠিছে। লগতে সৌদামিনীৰ অন্তৰত সমগ্ৰ ক্ষয়িষ্ণু ভাৰতক উদ্ধাৰ কৰিবলৈ যুৱ সমাজৰ যোগেদি বিদ্ৰোহ স ৱ হ'বনে নহয় তাৰ এটি প্ৰশ্নও উপন্যাসখনত উত্থাপিত হৈছে।

*'নীলকণ্ঠী ব্ৰজ'* উপন্যাসখন অতি কলাত্মকৰূপত উপস্থাপন কৰা হৈছে। সেইবাবেই ঔপন্যাসিকে কাহিনীভাগ নিজৰ মুখেদি প্ৰত্যক্ষভাৱে উপস্থাপন নকৰি টাংগাত গৈ থকা নবাগত তীৰ্থযাত্ৰীসকলৰ উ শ্যে চৰণ বিহাৰীৰ যোগেদি মথুৰাৰ প্ৰাচীন কাহিনী





অৱতাৰণাৰ জৰিয়তে মূল কাহিনীভাগ উপস্থাপন কৰাৰ বাট উলিয়াই লৈছে। উপন্যাসখনত সৌদামিনী, মৃণালিনী আৰু শশী তিনিও গৰাকী গাভৰুৰে জীৱন কাহিনী সমান্তৰাল ৰূপত আগবঢ়াই নিছে। উপন্যাসখনৰ কেইটামান মূহূৰ্ত্তৰ বৰ্ণনাত লেখিকাৰ সংবেদনশীল আৰু কাব্যিক অন্তৰ্মুখিতাৰ এক আৱেদন লক্ষ্য কৰা যায়। নায়িকাৰ আত্মজাহৰ প্ৰাক্-মূহূৰ্ত্তত খ্ৰীষ্টান যুৱকটিক উ শ্য কৰি কোৱা কথা কেইটাত সংবেদনশীলতা প্ৰকাশ পাইছে। সেই খ্ৰীষ্টান যুৱকটিক তাইৰ অভিন্ন হৃদয় প্ৰেমিকটিক উ শ্য কৰি তাই ফুচ্‌ফুচাই কোৱাৰ দৰে কলে - ক্ষমা কৰা আৰু উভতি যোৱা। ক্ষমা কৰা ! (পৃঃ ১২৬, নীলকণ্ঠী ব্ৰজ)

সেইদৰে কাব্যিক অন্তৰ্মুখিতাৰ প্ৰতিফলন ঘটিছে নিম্নলিখিত কথাখিনিত— বৰষুণৰ ডাঙৰ টোপাল কিছুমান সৰি পৰিব ধৰিলে। আকাশৰ ডাৱৰৰ ছটা কিছুমান তললৈ খহি পৰিল, প্ৰচণ্ড বতাহ এজাকে তাইৰ এই দুৰ্বল দেহাটি যেন এই মূহূৰ্তত ছিৰাছিৰ কৰি পেলোৱাৰ আয়োজন কৰিলে আৰু সৌ শিপাৰ পুলৰ ওচৰত ব্ৰজপাত হোৱাৰ শব্দ শুনা গ'ল। (পৃঃ ১২৬, নীলকণ্ঠী ব্ৰজ)

তদুপৰি উপন্যাসখনত বিভিন্ন আকৰ্ষণীয় প্ৰাসংগিক বিৱৰণৰ সংযোগ ঘটাইছে। ইয়াত লেখিকাৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ পূৰ্ণাঙ্গ প্ৰতিফলন ঘটা দেখা যায়। ব্ৰজধামৰ পৰিৱৰ্তিত ৰূপ আৰু ইয়াৰ ফলশ্ৰুতিৰূপে প্ৰতিফলন ঘটিছে অট্টালিকাৰ ভগ্ন খণ্ডত, অৰ্ধাহাৰী ৰাধেশ্যামীৰ প্ৰাত্যহিক জীৱনৰ তুচ্ছতাত, অভাৱগ্ৰস্থতাত, ধৰ্মৰ নামত স্ত্ৰী সংস্ৰৱৰ বীভৎস কাণ্ডত, শিল্পী চন্দ্ৰভানুৰ সম্বলহীনতাত আৰু অনেকবোৰ ঘটনাত।

উপন্যাসখনত মানৱীয় আৱেদন এটাও অতি স্পষ্টৰূপত ফুটি উঠা দেখিবলৈ পোৱা যায়। ডাঃ ৰায়চৌধুৰীয়ে বিধৱা কন্যাক মানসিক শান্তি প্ৰদানৰ বাবে ব্ৰজধামলৈ আনিছে, কিন্তু ব্ৰজধামত আহিও তেওঁ আজুককাকৰ দিনৰ চিকিৎসালয়খন পুনৰ চলাবলৈ লৈ আৰ্তজনক মৃত্যুৰ মুখৰ পৰা বচাবলৈ চেষ্টা চলাইছে। জীয়েককো তেনে কামত জড়িত কৰিছে। অৱশ্যে সৌদামিনীৰ মানসিক জগতখন অন্য এটি দিশত বিচৰণ কৰি থকা বাবে সেই কামত সম্পূৰ্ণৰূপে ব্ৰতী হ'ব পৰা নাই। উপন্যাসৰ তিনিটা চৰিত্ৰ সৌদামিনী, শশী আৰু মৃণালিনী উভয়ৰ প্ৰতি সহানুভূতিশীল। মানৱতাবোধৰ গভীৰ আবেদন এটা থকা বাবেই ব্ৰজধামৰ কিছুমান দৃশ্যই সিহঁতৰ হিয়া-মন জোকাৰি গৈছে। শিল্পী চন্দ্ৰভানু ৰাকেশৰ বক্তব্যত মানৱীয় অনুভূতি বিশেষভাৱে প্ৰকাশ পাইছে। মানৱতাবোধৰ তাৰণাতেই আলমগড়ীয়ে মন্দিৰ বিক্ৰী হোৱাৰ প্ৰাক্-মূহূৰ্ত্তত শশীক কিবা এটা আশ্ৰয়ৰ ব্যৱস্থা কৰি ল'বলৈ পৰামৰ্শ আগবঢ়াইছে। আৰু বোধকৰো তেনে এক তাৰণাৰ বশবৰ্ত্তী হৈয়েই নায়িকা সৌদামিনীয়ে খ্ৰীষ্টান প্ৰেমিকটিৰ লগত সুখৰ জীৱন কটাবলৈ গুচি যোৱাৰ পৰিৱৰ্ত্তে বৃদ্ধ পিতৃ-মাতৃৰ কথা চিন্তা কৰি আত্মহত্যাৰ পথ বাছি লৈছে। অৱশ্যে নায়িকাক পৰিস্থিতিৰ সতে মোকাবিলা কৰিবলৈ দিয়া হ'লে চৰিত্ৰটোক অধিক সৱল কৰি তোলা হ'লহেতেঁন।

'নীলকণ্ঠী ব্ৰজ'ৰ ভালেমান ঠাইত প্ৰকৃতিৰ চিত্ৰ দাঙি ধৰা হৈছে। ব্ৰজধামৰ আকাশ, পানী, যমুনাৰ বালি আৰু পানীৰ সোঁত, কাছ, বিভিন্ন ধৰণৰ চৰাই, প্ৰাচীন ভগ্ন অট্টালিকাৰ খুপৰিত সোমাই থকা সোণালী গোক্ষুৰ সাপ, মন্দিৰৰ প্ৰাঙ্গণত চালি ধৰি থকা ময়ূৰ আৰু ব্ৰজধামৰ বিভিন্ন লতা— গুল্ম, ফল-ফুল কাবুলী ৰমনা ইত্যাদিৰ বৰ্ণনাই প্ৰকৃতিৰ একোটি চিত্ৰ দাঙি ধৰিছে। তদুপৰি সৌদামিনীয়ে যমুনাৰ বুকুত আত্মজাহ দিয়াৰ প্ৰাক্ মুহূৰ্তত প্ৰকৃতিৰ অন্য এটি সংহাৰী ৰূপৰ বৰ্ণনা দিয়া হৈছে।

বৰষুণৰ ডাঙৰ টোপাল কিছুমান সৰি পৰিব ধৰিলে। আকাশৰ ডাৱৰৰ ছটা কিছুমান তললৈ খহি পৰিল, প্ৰচণ্ড বতাহ এজাকে তাইৰ দুৰ্বল দেহাটি যেন এই মুহূৰ্তত ছিৰাছিৰ

কৰি পেলোৱাৰ আয়োজন কৰিলে আৰু সৌ পিপাৰ পুলৰ ওচৰৰ বজ্রপাত হোৱাৰ শব্দ শুনা গ'ল। (নীলকণ্ঠী ব্রজ, পৃঃ ১২৬)।

উপন্যাসখনত কেও কিছু নোহোৱা, অন্ধকাৰ ভৱিষ্যতৰ কৰাল গ্রাসলৈ অগ্রসৰ হোৱা মানুহৰ কাহিনী কোৱা হৈছে। শতছিন্ন বস্ত্র পৰিহিত ৰাধেশ্যামীহঁতৰ কথা, অন্ধকাৰ খুপৰিত বাস কৰা দাৰিদ্রক্লিষ্ট বিধৱাসকলৰ কথা আৰু গলিতাংগীহঁতৰ কথা স্পষ্টৰূপত প্রকাশ কৰা হৈছে। এই দুৰ্ভগীয়া লোকসকলক শোষণ কৰি খোৱা এদল শোষণকাৰী লোককো উপন্যাসখনৰ যোগেদি উদঙাই দেখুওৱা হৈছে। এই শোষণৰ বিৰুদ্ধে মহাদেৱ পণ্ডিতৰ যোগেদি যেন ঔপন্যাসিকে বিদ্রোহ ঘোষণা কৰিছে।

'তহঁতে কোনোবা দিনা ব্রজৰ অন্ধকাৰ গলিত তেজ বমি কৰি মৰিবি। তহঁতে ভৰিৰ কলাফুলবোৰ লক্ষ্য কৰিছনে মৰা তেজে কেনেকৈ টেমুনা বান্ধিছে। কিহৰ বাবে ইমান ভয়? তহঁত অমৃতৰ সন্তান! দুৱাৰ খোল! মুৰুলীধৰৰ প্রসাদৰ ওপৰত হামখুৰি খাই পৰ, কাক ভয় কৰিছ? মূৰ্খ নেজান তহঁতৰ হাজাৰ বছৰৰ তেজ চেলেকি মুৰুলীধৰে কেনেকৈ খিলখিলাই হাঁহি আছে।' (নীলকণ্ঠী ব্রজ, পৃঃ ৮৪)

প্রকৃতাৰ্থত উপন্যাসখনৰ সৃষ্টিৰ আঁৰত এক বিদ্রোহ লুকাই আছে। সেই বিদ্রোহ প্রাপ্যৰ পৰা বঞ্চিতজনৰ, উচ্চ-নীচ ভেদা-ভেদৰ, জাতি-ধৰ্মৰ, সমাজে বান্ধি দিয়া কিছুমান অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বলি হোৱা নিষ্পেষিত ব্রাহ্মণ বিধৱাসকলৰ। লগতে শিল্পী চন্দ্রভানু ৰাকেশৰ চিত্রত যেন চিত্রিত হৈছে এই সকলোবোৰ চিত্র। লেখিকাৰ দৃষ্টিত এনে এক বিপ্লৱৰ প্রয়োজন, যি বিপ্লৱে বিভিন্ন ক্ষেত্রত নিষ্পেষিত হৈ থকা আৰ্তজনৰ জীৱনলৈ সুস্থিৰতা কঢ়িয়াই আনিব পাৰে। এনেদৰে উপন্যাসখনৰ একাধিক ঠাইত বিদ্রোহৰ চিটিকনি পৰিছে।

আগতেই উল্লেখ কৰা হৈছে 'নীলকণ্ঠী ব্রজ' উপন্যাসখন এখন অতিবাস্তৱবাদী উপন্যাস। কিন্তু নিজস্ব শৈলীৰে সামাজিক সমস্যাকো স্বপ্নময় কৰি তোলা হৈছে। এই ক্ষেত্রত ভাষা প্রয়োগ লক্ষ্য কৰিবলগীয়া। মামণি ৰয়ছম গোস্বামীৰ নিজস্ব এটি ভাষা শৈলী তেওঁৰ সকলোবোৰ উপন্যাসতে লক্ষ্য কৰা যায়। উক্ত উপন্যাসতো ইয়াৰ যোগেদি বাস্তৱ পৰিবেশ একোটাকো ঐন্দ্রজালিক আবেশেৰে সজাই তোলা হৈছে। ফলত উপন্যাসখনত ৰসহস্যঘন পৰিৱেশ একোটিয়ে ভূমুকি মাৰিছেহি। এটি উদাহৰণ দাঙি ধৰা হ'ল—

'সেই অতীতৰ ৰমণীয় নিকুঞ্জ বন য'ত বগা ফুলৰ জোপোহাবোৰ তলমূৰ কৰি ব্রজৰ অমূল্য ৰাজ সাবটি আত্মহাৰা হৈ আছে। এটা সময়ত এই জোপোহাবোৰে ৰাধাৰ ভৰিৰ নূপুৰৰ দৰে ফুল প্রসৱ কৰে আৰু গভীৰভাৱে কাণ পাতি থাকিলে ভাব হয় সেই 'ঝন্ ঝন্' অলৌকিক শব্দৰে যেন ব্রজৰ চৌদিশ মুখৰ হৈ আছে।'

এইটো মাথোন এটা উদাহৰণ। এনেদৰে উপন্যাসখনত যিবোৰ উক্তি ব্যৱহাৰ কৰা হৈছে সেই উক্তিসমূহে কেৱল আভিধানিক অৰ্থই বহন কৰা নাই। আৱেগঘন, অস্বাভাৱিক, অলৌকিক, ইংগিতময় এটি ভাবো প্রকাশ কৰিছে!

উপন্যাসখনত বিভিন্ন কল্পচিত্রৰ সমাহাৰ ঘটিছে। কাবুলি ৰমনা আৰু প্রেতাত্মা এই দুটি কল্পচিত্র সঘনে ব্যৱহৃত হৈছে। প্রায়ভাগতে বিভিন্ন প্রসঙ্গত কাবুলী ৰমনাৰ বৰ্ণনা দিয়া হৈছে। তদুপৰি প্রেতাত্মা শব্দটো বিভিন্ন পৰিবেশত আৰু অৰ্ধাহাৰে থকা বৃদ্ধা ৰাধেশ্যামীহঁতৰ প্রসঙ্গত আৰু অন্ধকাৰত থকা কোনো ছায়ামূৰ্তিৰ উল্লেখ প্রসঙ্গত প্রয়োগ কৰা হৈছে। আনকি ব্রজধামখনেই যেন দুৰ্ভগীয়াসকলৰ বাসস্থলী প্রেতাত্মাপুৰীলৈ পৰিণত হৈছে। উপন্যাসখনত এনে এটি চিত্রই বাৰে বাৰে ভূমুকি মৰা লক্ষ্য কৰা যায়।

তদুপৰি আৰু দুটি কল্পাচিত্রৰ সঘন প্রয়োগ দেখা যায়— কুকুৰ নেচীয়া আৰু চামেলি ফুল। ব্রজধামৰ এটি নিৰাপত্তাহীন পৰিৱেশ চিত্রিত কৰিবৰ বাবে লেখিকাই কুকুৰনেচীয়া শব্দটোৰ প্রয়োগ কৰা দেখা যায়। কুকুৰনেচীয়াৰ জাক, অসতী তিৰোতাৰ গোন্ধ লৈ ফুৰা কুকুৰনেচীয়া ইত্যাদি বাক্যাংশ প্রয়োগে ব্রজধামৰ নৈতিকতাৰ নামত কলঙ্কসনা নাৰীসম্ভোগকাতৰ একশ্রেণী মানুহৰ ইংগিত বহন কৰিছে। সেইদৰে চামেলি ফুলৰ সঘন উল্লেখ





উপন্যাসখনত লক্ষ্য কৰা যায়। চামেলি ফুল সুন্দৰ আৰু শুভ্র। ব্রজধামৰ ভক্তিময় পৰিৱেশত নাৰীসকলে ইয়াক এক অলংকাৰৰূপে পৰিধান কৰে। এই ফুলে ভক্তি আৰু সৌন্দৰ্য উভয়ৰে ইংগিত বহন কৰিছে। হ'লেও ব্রজধামত কেৱল ভক্তি আৰু সৌন্দৰ্যই নাই। নহ'লে নাৰীমাংসলোভী একশ্রেণী কুকুৰনেচীয়াৰ বিচৰণ নঘটিলহেঁতেন। গতিকে কোনো কোনো সময়ত লেখিকাই ইয়াক ভক্তি আৰু সৌন্দৰ্যৰ প্রতীক ৰূপত ব্যৱহাৰ কৰিছে যদিও মাজে মাজে শ্লেষ হিচাপেও ব্যৱহাৰ কৰিছে যেন মনে ধৰে।

'নীলকণ্ঠী ব্রজ'ত বিভিন্ন ধৰণৰ কল্পচিত্রৰ লগতে প্রতীকৰ ব্যৱহাৰো মনকৰিবলগীয়া। প্রতীকৰ ব্যৱহাৰে ইয়াৰ শৈলীক এক বিশেষ মাত্রা দান কৰিছে। 'নীলকণ্ঠী ব্রজ' নামটোৱেই প্রতীকী ৰূপত ব্যৱহৃত হৈছে। কৃষ্ণৰ লীলাভূমি ব্রজ। কৃষ্ণ প্রেমত বলীয়া হৈ গোপিনীসকলে নিজৰ ঘৰ সংসাৰৰ মোহ এৰি ঢপলিয়াই আহিছিল বৃন্দাবনলৈ। আজিৰ অনাথ ব্রাহ্মণ বিধৱাসকলেও কৃষ্ণৰ চিন্তাতে নিমগ্ন হৈ জীৱনৰ সময়খিনি অতিবাহিত কৰাৰ সাৰ্থকতা সমাজে বান্ধি দিছে। কিন্তু এই ব্রজধাম আগৰদৰে হৈ থকা নাই। কলুষতাৰ হলাহল গৰলেৰে আবৃত হৈ পৰিছে। সদাশিৱই সমুদ্র মন্থনত হলাহল বিষপান কৰি জীৱজগতক সেই বিষৰ পৰা পৰিত্রাণ কৰাৰ দৰে ব্রজধামতো সত্য আৰু সুন্দৰৰ যোগেদি কলুষিত হোৱা ব্রজধামক পৱিত্র কৰি তোলাৰ যেন অহৰহ প্রচেষ্টা চলিছে। কাৰণ শিৱ সত্য আৰু সুন্দৰৰ প্রতীক। সেইবাবেই উপন্যাসখনৰ নামটো যথাৰ্থ হৈছে বুলি ক'ব পাৰি। ময়ূৰ, সাপ, সধৱা তিৰোতাৰ উত্তৰীয়, গান্ধী টুপী, চামেলি ফুল, কুকুৰনেচীয়া, প্রেতাত্মা ইত্যাদি সকলোবোৰ শব্দই প্রতীকীৰূপত ব্যৱহাৰ হোৱা দেখা যায়। ময়ূৰ পখী সৌন্দৰ্যৰ প্রতীক। কিন্তু এনে সুন্দৰ পখী এটি নিষ্ঠুৰ পৰিস্থিতিত অসুন্দৰলৈ আৰু পুতৌজনক অৱস্থালৈ ৰূপ লোৱা দেখা যায়। ইয়াৰ যোগেদি যেন লেখিকাই ব্রজত গোট খোৱা সৌদামিনী, শশী, মৃণালিনী, ভাংগী গাভৰু আৰু অনেক সুন্দৰীৰ জীৱনলৈ নামি অহা অসুন্দৰ ঘটনাৰ ইংগিতকে বহন কৰিছে। সমাজৰ নিষ্ঠুৰতাই সৌদামিনীৰ প্রকৃত অস্তিত্বক হত্যা কৰি ছাল চেলাই পেলাইছে। এনে ইংগিত বহন কৰিছে উপন্যাসখনত উল্লেখিত সাপ চেলোৱা দৃশ্যৰ অৱতাৰণাৰে। লগতে সৌদামিনীয়ে সাপ দেখা কাৰ্যক সৌদামিনীৰ জৈৱিক লিপ্সাৰ এক প্রতীকী ৰূপ বুলিও ভাবিব পাৰি। সেইবাবেই সাপডাল সৌদামিনীৰ কোঠালৈ সোমাই অহাৰ আগতে তাইৰ খ্রীষ্টান যুৱকটিলৈ মনত পৰিছে। তাইৰ প্রেম আৰু জৈৱিক লিপ্সাই সমাজলৈকো যেন ভ্রূক্ষেপ কৰিব খোজা নাই। সেইদৰে সাপডালৰ বৰণ হালধীয়া বুলি উল্লেখ কৰা হৈছে। হালধীয়া ৰঙৰ প্রয়োগে যৌৱনৰ অদম্য বাসনাৰে ইংগিত বহন কৰিছে।

উপন্যাসখনত ব্যৱহৃত অন্য এটি প্রতীক হৈছে ৰঙীন উত্তৰীয়। ই সধৱাৰ প্রতীক। উপন্যাসখনৰ শেষৰফালে সৌদামিনীয়ে যেতিয়া নদীৰ ঘাটত ৰৈ থকা খ্রীষ্টান প্রেমিকটিৰ ওচৰলৈ বাট বুলিছে সেই সময়ত যমুনাৰ বালিত লেটি লৈ থকা কোনো সধৱাৰ উত্তৰীয়ই তাইৰ ভৰিত সাবটি ধৰিছে। ইয়াৰ যোগেদি লেখিকাই ইয়াকে ক'ব বিচাৰিছে যে বিধবা সৌদামিনী সধৱা হৈছে আৰু কোনো স্বৰ্গগামী সধৱাৰ দৰে তাইয়ো যে স্বৰ্গগামী হ'ব তাৰে ইংগিত দিছে। সেইবাবেই পিছদিনা যমুনাৰ পাৰলৈ তাইক চাবলৈ আহি সেই উত্তৰীয়খনকে মানুহে দেখা পাইছে।

উপন্যাসখনত ব্যৱহৃত এটি প্রতীক হৈছে গান্ধী টুপী। মথুৰাৰ অষ্ঠধাতুৰ শিল্পী চন্দ্রভানু ৰাকেশে পুণ্যভূমি মথুৰা-বৃন্দাবনৰ পাপ-পুণ্য, সদাচাৰ-কদাচাৰ সকলোবোৰ নিৰীক্ষণ কৰি মানসিকভাৱে ভাগি পৰিছে। সৌদামিনীৰ মৃত্যুৱে তেওঁক অধিক অস্থিৰ কৰি তুলিছে। তেওঁ ব্রজধাম এৰি গুচি যোৱাৰ সংকল্প লৈছে। মথুৰা জংছনত ৰেলত উঠাৰ সময়ত পাণ্ডাৰী দল এটিয়ে তেওঁক যেতিয়া সুধিলে— কেতিয়াবা ক'ৰবাত আপোনাক দেখিলে আমি কেনেকৈ চিনি পাম? তাৰ উত্তৰত তেওঁ ক'লে যে তেওঁৰ মূৰত এটি গান্ধী টুপী থাকিব। গান্ধী আছিল সততা আৰু সাধুতাৰ প্রতিনিধি। আৰ্থিক দুৰৱস্থা থকা সত্ত্বেও শিল্পী ৰাকেশে

সদায় সততা আৰু সাধুতাক লগত লৈয়ে ফুৰিব। অৰ্থাৎ উপন্যাসখনত গান্ধী টুপী শব্দটো সততা আৰু সাধুতাৰ প্ৰতীক ৰূপত ব্যৱহাৰ হৈছে।

উপন্যাসখনত সঘনে উল্লেখ হোৱা এটি শব্দ হৈছে চামেলি ফুল। বুকুত চামেলি ফুলৰ মালা, ডিঙিত চামেলি ফুলৰ মালা, খোপাত চামেলি ফুল, আসনত চামেলি ফুল ইত্যাদি অনেক ঠাইত চামেলি ফুলৰ উল্লেখ কৰা হৈছে। চামেলি ফুল সৌন্দৰ্য আৰু ভক্তিৰ প্ৰতীক। ব্ৰজধাম ভক্তৰ আশ্ৰয়স্থল। য'ত ভক্তি আছে, তাত নিশ্চয় সৌন্দৰ্যও আছে। তৎসত্ত্বেও সঘনে এই শব্দৰ প্ৰয়োগৰ অৰ্থ কি? নিশ্চয় ভক্তি আৰু সৌন্দৰ্যৰ স্থান ব্ৰজধামখন আগৰদৰে হৈ থকা নাই। ইয়াৰ আকাশ-বায়ু অসুন্দৰ আৰু কলুষতাই গোমা কৰি তুলিছে। গতিকে পুনৰ ইয়াক সৌন্দৰ্য আৰু ভক্তিৰ উপাচাৰেৰে বুৰাই পেলাব লাগে। এনে এক প্ৰতীকী অৰ্থতে নিশ্চয় লেখিকাই চামেলি ফুলৰ মালাৰ কথা সঘনে উচ্চাৰণ কৰিছে।

সেইদৰে কুকুৰনেচীয়া আৰু প্ৰেতাত্মা এই শব্দ দুটাৰো প্ৰতীকী ৰূপত ব্যৱহাৰ কৰা দেখা যায়। কুকুৰনেচীয়া শব্দটোৰ যোগেদি সুস্থ সমাজখন ছিৰাছিৰ কৰি এক কলীয়া ডাৱৰে আৱৰি ৰখা পৰিবেশৰ প্ৰধান হোতাসকলৰ ৰূপটো ডাঙি ধৰা হৈছে। অৰ্থাৎ কুকুৰনেচীয়া সমাজৰ অশুভকাৰী লোকৰ প্ৰতীকী ৰূপ। উপন্যাসখনত প্ৰেতাত্মা শব্দটোকো প্ৰতীকীৰূপত ব্যৱহাৰ কৰা হৈছে। খাবলৈ নোপোৱা শৰীৰৰ নামত কেৱল জকাটোহে বাকী থকা আৰু এক শিহৰণকাৰী ৰহস্যঘন অনুভূতি এটিৰ প্ৰতীকীৰূপত প্ৰেতাত্মা শব্দটো ব্যৱহাৰ কৰা হৈছে।

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত আঞ্চলিক উপন্যাসৰো কিছু লক্ষণ থকা দেখিবলৈ পোৱা যায়। ব্ৰজধামৰ শান্ত বৈষ্ণৱ পৰিৱেশ এটা ফুটাই তোলাত লেখিকা সমৰ্থ হৈছে বুলি ক'ব পাৰি। গোৰোচনা, গোপীচন্দন, বংশীবট, চামেলীৰ মালা, তুলসীৰ মালা, ৰংগনাথ মহাপ্ৰভু, গোদা, মুৰুলীধৰ, কদম, ঝুলন, ৰাধেশ্যামী ইত্যাদিৰ অহৰহ প্ৰয়োগে পাঠকক সততে সেই পৰিৱেশ সম্বন্ধে সজাগ কৰি ৰাখে। লেখিকা ব্ৰজধামৰ এটি সুবিস্তৃত প্ৰাচীন ইতিহাস আৰু বৰ্তমান অৱস্থাৰ এটি ব্যাপক ৰূপৰ বৰ্ণনা দিয়াত সফল হৈছে। উপন্যাসখনত কেৱল বাহ্যিক অবয়বটোৱেই প্ৰকাশ হোৱা নাই। ইয়াৰ মাজত সোমাই থকা হৃদয়ানুভূতি এটাও প্ৰকাশ পাইছে। বিভিন্ন চৰিত্ৰসমূহৰ কাৰ্যকলাপ বৰ্ণনাত এই হৃদয়ানুভূতিয়ে ভূমুকি মাৰিছে। ঈশ্বৰ চিন্তা কৰি জীৱনৰ দিনবোৰ অতিবাহিত কৰিবলৈ অহা ৰাধেশ্যামীসকলে যেতিয়া অভাৱগ্ৰস্ততাত নিজক পাহৰি গৈছে, তেতিয়া কোনো চৰিত্ৰৰ যোগেদি তেওঁলোকৰ প্ৰকৃত জীৱনটোৰ কথা সকিয়াই দি ব্ৰজধামৰ প্ৰকৃত পৰিবেশ এটাৰ পুনৰ ৰূপ দিবৰ যত্ন কৰা হৈছে।

পৰিশেষত এটা কথা ক'ব পাৰি যে নীলকণ্ঠী ব্ৰজএখন সাৰ্থক উপন্যাস। উপন্যাসখনত প্ৰকাশ পোৱা লেখিকাৰ চিন্তাধাৰা সঁচাকৈয়ে প্ৰশংসনীয়। প্ৰাচীন ভাৰতীয় ঐতিহ্য, দৰ্শন আৰু সামাজিক চিন্তাত এক সুস্থ জীৱনবোধৰ আদৰ্শ নিহিত হৈ থকাৰ কথা সময়োপযোগীকৈ আঙুলিয়াই দি পাঠক সমাজক সচেতন কৰি তুলিছে। গতিকে কোনো এটা প্ৰসঙ্গত বিদ্ৰোহ আহিলেও আমি আমাৰ ঐতিহ্যক চেৰাই যাব নোৱাৰো। ইয়াৰ যোগেদি লেখিকাগৰাকীৰ ভাৰতীয় আদৰ্শৰ প্ৰতি থকা বিশ্বাস অতি প্ৰকট হৈ পৰিছে। সেইবাবেই হয়তো সৌদামিনীয়ে ভাৰতীয় আদৰ্শ আৰু নিজৰ মনৰ হেপাহ দুয়োটাৰ দোমোজাত উত্তৰ উলিয়াব নোৱাৰি যমুনাৰ বুকুত নিজকে বিলীন কৰি দিছে। তদুপৰি উপন্যাসখনৰ কাহিনীৰ কথকতা, চৰিত্ৰ আৰু পৰিবেশ চিত্ৰণ, মানৱজীৱন আৰু প্ৰকৃতিজীৱনৰ সূক্ষ্ম পৰ্যবেশন ইত্যাদিত লেখিকাগৰাকীৰ শিল্প নিপুনতাৰ প্ৰকাশ ঘটিছে। ◎

### সহায়ক গ্ৰন্থসমূহ

১। গোস্বামী, মামণি ৰয়চম, নীলকণ্ঠী ব্ৰজ
২। শৰ্মা গোবিন্দ প্ৰসাদ, উপন্যাস আৰু অসমীয়া উপন্যাস
৩। কটকী, ড° প্ৰফুল্ল, স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা
৪। গোস্বামী, মামণি ৰয়চম, উপন্যাস সমগ্ৰ



# ধুবুৰী জিলাৰ সাহিত্য চৰ্চা ঃ এটি চমু অৱলোকন

**ড° গীতা সৰকাৰ**
সহযোগী অধ্যাপিকা,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ

পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাখন প্ৰধানকৈ তিনিখন মহকুমাৰ সমষ্টি আছিল - ধুবুৰী, গোৱালপাৰা আৰু কোকৰাঝাৰ। প্ৰথম পৰ্য্যায়ত গোৱালপাৰা জিলাৰ সদৰ গোৱালপাৰা আছিল। তাৰ পিছত গোৱালপাৰা জিলাৰ সদৰ ধুবুৰীলৈ (১৮৭৯ খৃঃ) স্থানান্তৰ কৰা হয়। প্ৰশাসনিক সুবিধাৰ্থে ১৯৮৩ খৃঃ গোৱালপাৰা জিলাৰ তিনিটা মহকুমা ক্ৰমে ধুবুৰী, কোকৰাঝাৰ আৰু গোৱালপাৰা তিনিখন স্বতন্ত্ৰ জিলালৈ পৰ্যবসিত হয়। তাৰ পৰবৰ্ত্তী সময়ত অৰ্থাৎ ১৯৮৯ খৃঃত বঙ্গাইগাওঁ জিলা আৰু ২০০৪ চনত চিৰাং জিলা গঠন কৰা হয়। উল্লেখ্য কোকৰাঝাৰ আৰু চিৰাং জিলা বৰ্ত্তমানৰ বি.টি.এ.ডি.ৰ অৰ্ন্তগত।

সময়ৰ জোখাৰে ধুবুৰী জিলাৰ বয়সে মাত্ৰ হৈ চাৰি দশকত ভৰি দিছে যদিও এই অঞ্চলৰ সাহিত্য চৰ্চা বহুকাল আগৰপৰাই চলি আহিছে। ধুবুৰী জিলা গঠন হোৱাৰ বহুকাল আগৰেপৰাই ইতিহাস প্ৰসিদ্ধ কোচ ৰাজ্যতো সাহিত্য চৰ্চাৰ গৌৰৱোজ্বল ইতিহাস সৰ্বজন বিদিত। সম্প্ৰতি আধুনিক কালৰ লেখক-লেখিকাসকলেও বিভিন্ন দিশত সাহিত্য চৰ্চা কৰি আছে। অবিভক্ত গোৱালপাৰা জিলাৰ ইতিহাস ইয়াৰ ভাষা, সাহিত্য, সংস্কৃতি সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ ইতিমধ্যে বিভিন্নজনে প্ৰণয়ণ কৰি থৈ গৈছে। উল্লেখ্য অতীতৰপৰা বৰ্ত্তমানলৈকে অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত লেখকসকলৰ উপৰিও এই জিলাৰ বাহিৰৰ লেখকেও এই অঞ্চলৰ বিষয়বস্তুৰে নানা বিষয়ক ভালেমান গ্ৰন্থ ৰচনা কৰিছে। কেবাজনো গৱেষকে এই অঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কেও গৱেষণা কৰি কৃতিত্ব অৰ্জন কৰিছে। অসমৰ পশ্চিম প্ৰান্তৰ এই অঞ্চল ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত যে অতি চহকী সেয়া সহজে অনুমেয়। থোৰতে ক'ব পাৰি যে এই অঞ্চল অসমৰ এক অন্যতম সাংস্কৃতিক পৃষ্ঠভূমি।

এই নিবন্ধটিৰ মাজেৰে এই অঞ্চলৰ সাহিত্য চৰ্চাৰ চমু আভাস দিবলৈ যত্ন কৰা হৈছে। গোৱালপাৰা জিলাৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতিৰ নানা দিশ সামৰা বিভিন্ন বিষয়ক কেইখনমান উল্লেখ্য গ্ৰন্থ হ'ল — 'গোৱালপাৰা জিলাৰ ইতিহাস' - শিবানন্দ শৰ্ম্মা ; অমলেন্দু গুহৰ - 'জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থাঃ এটি ঐতিহাসিক দৃষ্টিপাত' - (১৯৮৪), আনন্দ চন্দ্ৰ আগৰৱালাৰ 'গোৱালপাৰাৰ পুৰণি বিবৰণ' (১৯২৬), বীৰেন্দ্ৰ নাথ দত্তৰ 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ' (১৯৭৪), 'গোৱালপাৰাৰ লোক সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান', (১৯৮২) শিবানন্দ

শৰ্ম্মাৰ 'গোৱালপাৰা জিলাৰ স্মৃতি সংৰক্ষণ সমিতি' (১৯৭১) 'গোৱালপাৰা জিলাৰ ইতিহাস' -(১৯৭৬)। কালীন্দ্ৰ নাথৰ 'স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান' (১৯৭১), আৰু 'গোৱালপাৰাৰ ডায়েৰী' (১৯৭৭), দ্বিজেন নাথৰ 'গোৱালপাৰৰ লোক সাহিত্যত দৃষ্টিপাত'।

ইতিহাস আৰু ভাষা-সাহিত্য-সংস্কৃতি আদি বিষয়ক গ্ৰন্থসমূহৰ উপৰিও সম্প্ৰতি কবিতা, চুটিগল্প, নাটক, উপন্যাস আদি সৃজনীমূলক সাহিত্যৰ সৃষ্টিতো জিলাখনৰ লেখকসকলে কৃতিত্ব অৰ্জন কৰিছে। উল্লেখ্য সংস্কৃত, অসমীয়া, বাংলা, ৰাজবংশী, বড়ো আদি কেবাটাও ভাষাত ধুবুৰী জিলাত সাহিত্য চৰ্চ্চা কৰা হয়। বড়ো আৰু ইংৰাজী ভাষাৰ সাহিত্য চৰ্চ্চা অৱশ্যে সীমিত। উল্লেখযোগ্য যে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে অসম ব্ৰীটিছৰ অধীনলৈ যোৱাৰ পিছত এই অঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতি চৰ্চ্চাৰ পৰিবেশ বহু পৰিমানে বিনষ্ট হয়। দেশ স্বাধীন হোৱাৰ আগত আৰু তাৰ বহু পিছলৈকে ৰাজনৈতিক, প্ৰশাসনিক আদি নানা কাৰণত এই অঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতি নানা বিপৰ্য্যয়ৰ সন্মুখীন হৈছিল। স্বাধীনতাৰ বহু পিছতো নামনি অসম বিশেষকৈ পশ্চিম বঙ্গৰ সীমামুৰীয়া ধুবুৰী অঞ্চলত বঙলা ভাষাৰ প্ৰভুত্ব চলিছিল। স্বাধীনতাৰ আগে পিছেও প্ৰথ ম পৰ্য্যায়ত এই অঞ্চলত বাংলা ভাষাতে শিক্ষা আঁচনিৰ লগতে বাংলা ভাষাতে সাহিত্য চৰ্চ্চাও আৰম্ভ হৈছিল।

প্ৰাক্ শংকৰী যুগৰূপৰা উত্তৰ শংকৰী যুগলৈকে ভালেমান সাহিত্যানুৰাগীৰ ৰাজ পৃষ্ঠপোষকতাত সাহিত্য ৰচনা হৈছিল। সেইবোৰেই অসমীয়া ভাষাৰ ভেটি সুদৃঢ় কৰিছিল। ঠিক সেইদৰে পৰবৰ্ত্তী সময়তো অঞ্চলটোৰ ঠায়ে ঠায়ে সাহিত্যপ্ৰেমী জমিদাৰসকলৰ পৃষ্ঠপোষকতাত সাহিত্য সৃষ্টিৰ পৰিবেশ গঢ়ি উঠিছিল। জমিদাৰ কালীন ধুবুৰী ইষ্টেটত গৌৰীপুৰৰ জমিদাৰেও এই ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছিল। যোৱা শতিকাৰ তৃতীয় দশকৰপৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ আৰু পত্ৰিকা প্ৰকাশ পায়। তাৰ ভিতৰত পণ্ডিত গৌৰীনাথ শাস্ত্ৰীৰদ্বাৰা সম্পাদিত বাংলা আৰু সংস্কৃত ভাষাৰ সাপ্তাহিক পত্ৰিকা 'প্ৰান্তবাসী'- (১৯২৫-৩০) আৰু কবিন্দ্ৰ পাত্ৰৰ 'অষ্টাদশ পৰ্ব মহাভাৰত' (১৩৩৬ সাল) প্ৰকাশিত হয়। প্ৰতাপচন্দ্ৰ বৰুৱাৰ পৃষ্ঠপোষকতাত কবিন্দ্ৰ পাত্ৰৰ 'শিশু মহাভাৰত' আৰু 'কথা ৰামায়ণ' ৰচনা কৰা হয় আৰু তাৰ প্ৰকাশৰ দায়িত্ব বহন কৰে ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱাই। তাৰ পিছত বলৰাম ফুকনৰ 'যোগবাশিষ্ট ৰামায়ণ'খনো ছপা কৰি প্ৰকাশ কৰি উলিয়ায় ৰাজা প্ৰতাপ চন্দ্ৰ বৰুৱাই। পৰৱৰ্ত্তী সময়ত প্ৰভাত চন্দ্ৰ বৰুৱাৰ পৃষ্ঠপোষকতাত অসম সাহিত্য সভাৰ পঞ্চমগৰাকী সভাপতি ঁঅমৃত ভূষণ দেৱ-অধিকাৰীয়ে 'শ্ৰীমন্নাম ঘোষা'ৰ ব্যাখ্যা কৰে। তেখেত শিক্ষানুৰাগী হোৱাৰ লগতে সঙ্গীতানুৰাগীও আছিল বাবেই নিজে 'সঙ্গীত সোপান' আৰু 'তবলা তৰঙ্গিনী' নামৰ দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। হস্তীপ্ৰেমী প্ৰকৃতিশ চন্দ্ৰ বৰুৱাই প্ৰকাশ কৰি উলিয়ায় - 'হস্তীৰ সংগে পঞ্চাশ বছৰ' আৰু 'গৌৰীপুৰ ৰাজবংশ'। তেওঁলোকৰ পৰিয়ালৰ এগৰাকী অগ্ৰণী মহিলা নীহাৰ বালা বৰুৱাইও বাংলা ভাষাৰ মাধ্যমতে যোৱা শতিকাৰ ষষ্ঠ দশকৰূপৰা 'দেশ', 'বিশ্বভাৰতী' আৰু 'পৰিচয়' নামৰ বাংলা পত্ৰিকাত 'প্ৰান্তবাসীৰ ঝুলি' শিতানত এই অঞ্চলৰ লোক-সংস্কৃতিমূলক প্ৰবন্ধ পাতি ৰচনা কৰিছিল। পৰবৰ্ত্তী সময়ত কলিকতাৰ চন্দ্ৰা মুখাৰ্জীয়ে তেওঁৰ প্ৰকাশিত সকলো প্ৰবন্ধ একত্ৰিত কৰি, 'প্ৰান্তবাসীৰ ঝুলি' নামেৰে সম্পাদনা কৰি প্ৰকাশ কৰে।

১৯২৫-৩০ চনলৈ গৌৰীনাথ শাস্ত্ৰীয়ে সম্পাদনা কৰা 'প্ৰান্তবাসী' নামৰ পত্ৰিকাখন পিছলৈ প্ৰয়াত শিৰেন্দ্ৰ নাৰায়ণ মণ্ডলৰ সম্পাদনাত 'অসমীয়া' আৰু 'বাংলা' ভাষাত ১৯৬৭-১৯৮১ চনলৈ প্ৰকাশ হয়। শিৰেন্দ্ৰ নাথ মণ্ডলে নিজে অসমীয়াত ৰচনা কৰা গ্ৰন্থ কেইখনমান হ'ল — 'পল্লী গীতিকা' (১৯৫৪), 'গোৱালপৰীয়া লোকগীতৰ ৰূপৰেখা', 'ৰাজবংশী ক্ষত্ৰিয় জাতিৰ ইতিবৃত্ত' (১৯৭২), ' জাগো ক্ষত্ৰিয় জাগো' ইত্যাদি। তেখেতৰ জ্যেষ্ঠ পুত্ৰ কণকেন্দু নাৰায়ণ মণ্ডলে 'গোৱালপাৰীয়া সমাজ-সংস্কৃতি ও শিৰেন্দ্ৰ নাৰায়ণ মণ্ডল' নামৰ এখন গ্ৰন্থ প্ৰণয়ন কৰে। ড° ৰমেন্দ্ৰ নাৰায়ণ অধিকাৰীয়েও বাংলা আৰু ৰাজবংশী দুয়োটা ভাষাতে সাহিত্য চৰ্চ্চা কৰে। তেওঁৰ ৰচিত গ্ৰন্থ দুখন হ'ল — ' ৰায়সাহেব পঞ্চানন বাৰ্মা ৰচনাৱলী' (সম্পাঃ বাংলা), 'সাতশো বছৰীয়া



অসম কলেজ শিক্ষক সংস্থা, মহিলা কোষ

কোচ কামতা ৰাজ্যেৰ ইতিহাস' (ৰাজবংশী)। প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড°ধীৰেন দাসে ভাষা সাহিত্য সংস্কৃতি মূলক মুঠ ওঠৰখন গ্ৰন্থ ৰচনা কৰি তেতিয়াৰ দিনত সাহিত্যৰসিকসকলৰ মাজত অন্য এক আদৰ্শ সৃষ্টি কৰিছিল। তেওঁ অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাত সাহিত্য চৰ্চ্চা কৰিছিল। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ কেইখন হ'ল —'Kamtai Language', 'ও মোৰ হায় হস্তীৰ কন্যাৰে', 'গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত' (১৯৯৪)। 'গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত' গ্ৰন্থখনৰ বাবে তেওঁ অসম সাহিত্য সভাৰ 'সীতানাথ ব্ৰহ্মচৌধুৰী' বঁটা লাভ কৰিছিল। ড° দাসৰ নিজৰ গৱেষণা গ্ৰন্থসহ বহুকেইখন গ্ৰন্থ এতিয়াও অপ্ৰকাশিত হৈ আছে। তেওঁৰ 'ও মোৰ হায় হস্তীৰ কন্যাৰে' প্ৰতিমা বৰুৱা পাণ্ডেৰ জীৱন ভিত্তিক এখন অন্যতম গ্ৰন্থ। ড° কমল নাৰায়ণ চৌধুৰীৰ 'লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্য প্ৰতিভা' আৰু 'Folk Culture of North East tribes' দুখন উল্লেখযোগ্য গ্ৰন্থ। বৰ্তমানে প্ৰশাসনৰ সুবিধাৰ্থে নতুন জিলা সৃষ্টিৰ ফলত ধুবুৰীৰ ভৌগোলিক আকাৰ সীমিত হৈ আহিছে যদিও ইয়াত সাহিত্য চৰ্চ্চা অব্যাহত আছে আৰু ই সময়ৰ অগ্ৰগতিত বিস্তৃতি লাভ কৰিছে।

প্ৰয়াত আছগাৰ আলীয়েও এই অঞ্চলৰ থলুৱা ভাষাত প্ৰকাশিত অপ্ৰকাশিত মুঠ একৈশখন গ্ৰন্থ লিখি থৈ গৈছে। তেওঁৰ 'মাহুতেৰ পীৰিতি', 'ফুলমতী', 'কবাৰো নাপাই সবাৰো নাপাই', 'সতালমাও' প্ৰকাশিত নাটক। তেওঁ বিশেষকৈ নাটক আৰু জীৱনীমূলক গ্ৰন্থহে প্ৰণয়ন কৰিছিল। অসমীয়া ভাষাতো তেও ঁগ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ জীৱনীমূলক গ্ৰন্থৰ ভিতৰত 'লোকশিল্পী প্ৰতিমা বৰুৱাৰ সান্নিধ্যত', 'জননেতা শৰৎচন্দ্ৰ সিংহ- আৰো কিছু কথা', 'গৌৰীপুৰেৰ মন্টু বাবু আসামেৰ শীলভদ্ৰ' প্ৰধান।

গৌৰীপুৰ ছোৱালী হাইস্কুলৰ অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী অঞ্জলি ব্ৰহ্মাইও 'বড়ো' আৰু 'অসমীয়া' উভয় ভাষাতে সাহিত্য-সংস্কৃতি চৰ্চ্চা কৰি আহিছে। তেওঁ বিশেষকৈ কবিতা আৰু প্ৰবন্ধ ৰচয়িতা। বৰ্ত্তমানলৈকে তেওঁ পাঁচখন গ্ৰন্থ ৰচনা কৰিছে আৰু কেইবাখনো গ্ৰন্থ সম্পাদনা কৰিছে। তেওঁ তেওঁৰ 'বড়ো সংস্কৃতিৰ কিঞ্চিৎ আভাস' নামৰ গ্ৰন্থ (প্ৰবন্ধ সংকলন)খনৰ বাবে ২০০৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ শ্ৰেষ্ঠ প্ৰৱন্ধ সংকলনৰ বঁটা লাভ কৰে। এয়া আমাৰ বাবে গৌৰবৰ বিষয়।

গৌৰীপুৰৰ প্ৰবীণ সাহিত্যিক কাছেমা খাতুনে যোৱা শতিকাৰ শেষ দশকৰপৰাই অসমীয়া ভাষাত বহু কেইখন গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত বৰঙণি যোগায়। তেওঁ তেওঁৰ উপন্যাস 'ৰূপালী বালিৰ সপোন'কে ধৰি মুঠ সোতৰখন গ্ৰন্থ প্ৰণয়ন কৰে। এই উপন্যাসখনৰ বাবে তেওঁ ২০০৩ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ 'গোৱালপাৰীয়া অভিধান' অন্য এক উল্লেখযোগ্য গ্ৰন্থ। তেওঁ অসমীয়াৰ বাহিৰেও বাংলা, গোৱালপাৰীয়া, হিন্দীতো কবিতা লিখে। ড° গীতা সৰকাৰেও দুখন কবিতা পুথি ৰচনা কৰি প্ৰকাশ কৰিছে -- 'আহত সময়' আৰু 'সেউজীয়া হৃদয়ৰ সন্ধানত'। তেওঁৰ ভালেমান লিখনি নানা কাকত, আলোচনীতো প্ৰকাশ পাইছে। আন এগৰাকী শিক্ষক তথা লিখক ড° প্ৰমথেশ বায়নৰো দুখন গ্ৰন্থ প্ৰকাশ হৈছে - - গৱেষণা গ্ৰন্থ 'ঊনবিংশ শতিকাৰ অসমীয়া গদ্যৰ ধাৰা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (অ ৰুণোদইৰ গদ্যৰ বিশেষ অধ্যয়ন সহ)' আৰু প্ৰৱন্ধ সংকলন 'প্ৰৱন্ধ গুচ্ছ'। নানা কাকত-আলোচনীতো তেওঁৰ ৰচনা প্ৰকাশ হৈছে।

এই অঞ্চলৰ কিছু সংখ্যক লেখক-লেখিকা একেবাৰে প্ৰচাৰ বিমুখ। সেইসকলৰ ভিতৰত গৌৰীমোহন ৰায়, ৰন্ধীৰ দেৱ অধিকাৰী, সিজুমোহন ৰায় মণ্ডল প্ৰধান। গৌৰীমোহন ৰায় প্ৰধানকৈ ৰাজবংশী আৰু অসমীয়া ভাষাৰ লেখক। তেওঁৰ অসমীয়া ভাষাত লিখা ৰাজবংশী লোক-সংস্কৃতি আৰু লোকগীতৰ উল্লেখযোগ্য পুথি 'কাষ্ঠেৰ দোতৰা কৰে ৰাও'। প্ৰয়াত গায়ত্ৰী শৰ্ম্মা আৰু গৌৰীমোহন ৰায়ৰ যৌথ সম্পাদনাৰ এখন গ্ৰন্থ হ'ল — 'পশ্চিম অসমৰ লোক-সংস্কৃতিৰ আভাস'। গায়ত্ৰী শৰ্ম্মাৰ কবিতা পুথি 'সুগন্ধি সপোন'ৰ উপৰিও বিভিন্ন আলোচনী, বাতৰি কাকত, স্মৃতি গ্ৰন্থ আদিতো তেওঁৰ লেখা প্ৰকাশ পাইছে। গৌৰীমোহন ৰায়

আৰু ৰণ্ধীৰ দেৱ অধিকাৰীৰ যৌথ ভাৱে সংকলিত এখন অনুপম কবিতা পুথি হ'ল 'দোক মোকালি'। গৌৰীমোহন ৰায়ৰ মুঠ গ্ৰন্থৰ সংখ্যা হ'ল ছয়খন।

এইদৰে সাম্প্ৰতিক কালত নবীন-প্ৰবীন বহুতো লেখক-লেখিকাই নিজৰ নিজৰ ৰুচি অনুসৰি নানা সাহিত্য সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ কিঞ্চিত হ'লেও অৱদান আগবঢ়াইছে। ৰাণু গোস্বামী, প্ৰণৱ কুমাৰ বৰ্ম্মণ, অমিতাভ ৰঞ্জন কানু, মনিতা বৰুৱা, চুলতানা ছেলিমা আহমেদ, ৰীতাৰাণী ৰামচিয়াৰীৰ অৱদান প্ৰধানতঃ কাব্য সাহিত্যলৈ। ৰাণু গোস্বামীৰ 'গোৱালপাৰীয়া ফঁকৰা যোজনা' একমাত্ৰ গ্ৰন্থ। প্ৰণৱ কুমাৰ বৰ্ম্মণৰ 'মোৰ গাওঁ আৰু অন্যান্য কবিতা', অমিতাভ ৰঞ্জন কানুৰ - 'নাভিত বৈ যোৱা ছাঁ', 'হৰপ্পা হৈ হেৰাম', 'মাতিলদে উৰুতিয়া' আৰু হিৰেণ ভট্টাচাৰ্য্যৰ কিছুমান কবিতাৰ ইংৰাজী অনুবাদ 'The River' প্ৰধান।

সৃজনী মূলক সাহিত্যৰ উপৰিও ভালেমান জীৱনীমূলক গ্ৰন্থ আৰু অনুবাদ গ্ৰন্থও ধুবুৰী জিলাত ৰচিত হৈছে। তাৰ ভিতৰত ৰত্নেশ্বৰ ৰায়ে অনুবাদ কৰা 'শ্ৰীমদ্ভাগৱত গীতাৰ ৰাজবংশী ভাষাত ভাংনি' এখন উল্লেখ্য গ্ৰন্থ।

পৰবৰ্ত্তী সময়ত বহুতো নতুন লেখক-লেখিকাই অসমীয়া ভাষাক ফলে-ফুলে জাতিষ্কাৰ কৰিবলৈ বিভিন্ন বিষয়ত আগ্ৰহেৰে অনুশীলন কৰি আহিছে। নানা কাৰণত বিধ্বস্ত হোৱা ভাষা সাহিত্য সংস্কৃতিক পুনৰ সজীৱ কৰি তুলিবলৈ বিশেষকৈ অসমৰ ভাষা আন্দোলনৰ পিছৰপৰা জাতি-বৰ্ণ-নিৰ্বিশেষে কিছুমান সেনানীয়ে দেহে কেহে আগবাঢ়ি আহিছে। ইয়াৰ ফলতে অঞ্চলটোৰ স্কুল-আদালতত অসমীয়া ভাষাৰ প্ৰচলন হয় আৰু সাহিত্যৰ চিন্তা চৰ্চ্চাইও গভীৰতা লাভ কৰিবলৈ ধৰে।

ধুবুৰী জিলাৰ একেবাৰে সীমামূৰীয়া অঞ্চল সত্ৰশাল, জিনকাটা, আগমনি, হালাকুৰা, বক্সীৰহাট, তামাৰহাট আদি প্ৰত্যন্ত অঞ্চলৰ নবীন-প্ৰবীন লেখক-লেখিকাইও কম-বেছি পৰিমানে সাহিত্যৰ বিভিন্ন দিশৰ চিন্তা-চৰ্চ্চা কৰি আহিছে। সত্ৰশালৰ একনিষ্ঠ সমাজসেৱক প্ৰয়াত দ্বিজেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীয়ে 'শ্ৰীশ্ৰী লক্ষীমাৰ ব্ৰতকথা' নামৰ সৰু পুস্তিকাখন 'দেশীভাষা'ত ছপা কৰি উলিয়ায়। এইখন পুস্তিকা হ'লেও ইয়াৰ সাহিত্যিক মূল্য যথেষ্ট। 'ৰামৰায় কুটী সত্ৰ'ৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ নাথ প্ৰধানীয়েও ৰচনা কৰে 'শ্ৰী শ্ৰীধাম ৰামৰায়কুটী সত্ৰৰ ইতিবৃত্ত'। সত্ৰশালৰ আধুনিক কালৰ এগৰাকী অগ্ৰণী নাট্যপ্ৰেমী নাট্যকাৰ প্ৰয়াত ভৰত দাসে অসমীয়া ভাষাত আধুনিক নাট্য চৰ্চ্চাত মনোনিবেশ কৰে। তেওঁ প্ৰকাশিত অপ্ৰকাশিত বহুকেইখন নাটক ৰচনা কৰিছে। তাৰ ভিতৰত এইকেইখন উল্লেখযোগ্য — 'জোনবাই', 'আমি ডকাইত কিয়', 'আশাৰ বন্তি নুমাই গ'ল' ইত্যাদি। তেওঁৰ বহুকেইখন নাটকৰ ইতিমধ্যে সফল মঞ্চায়ন হৈছে। দাসে ৰাজবংশী ভাষাৰ নাটক লিখাৰ উপৰিও অসমীয়া থিয়েটাৰৰ অনুকৰণত 'ৰাজবংশী থিয়েটাৰ' আৰম্ভ কৰে। তেওঁৰ ৰচিত আৰু মঞ্চস্থ কৰা ৰাজবংশী নাটককেইখন হ'ল — 'ঘোমটাৰ তলত খেম্‌টা', 'বিধাতা', 'ৰক্তচোষা', 'বাওকুমটা', 'পালাটিৰ মাও' ইত্যাদি।

আগমনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, বিধায়ক তথা বিশিষ্ট নাট্যকাৰ আলাউদ্দিন সৰকাৰে ৰাজবংশী আৰু অসমীয়া দুটা ভাষাতে সাহিত্য চৰ্চ্চা কৰিছিল। তেওঁ অসমীয়া ভাষাত কবিতা আৰু গীত আৰু 'ৰাজবংশী' ভাষাত নাটক ৰচনা কৰিছিল। কবিতা পুথি, গীতৰ সংকলন, নাটককে ধৰি মুঠ বাৰখন গ্ৰন্থ তেওঁ প্ৰণয়ন কৰি থৈ গৈছে। তেওঁৰ কবিতা পুথি 'মোৰ প্ৰিয় মোহনমালাৰ পথাৰ' গীতৰ সংকলন 'ভাওয়াইয়া' (১ম আৰু ২য় খণ্ড) আৰু 'মংগা' আৰু 'গঙ্গাধাৰেৰ পাৰে পাৰে' ৰাজবংশী ভাষাত ৰচিত তেওঁৰ উল্লেখ্য নাটক। তেওঁ বিভিন্ন বঁটাও লাভ কৰিছিল। ৰাজনীতিৰ লগত প্ৰত্যক্ষভাৱে জড়িত হোৱা স্বত্বেও সাহিত্যৰ লগতো তেওঁৰ ওতঃপ্ৰোত সম্পৰ্ক আছিল। আগমনিৰ আন এগৰাকী লিখক ড°সুশীল কুমাৰ ৰায়ৰ 'বিষহৰি পূজাৰ গান'ও উল্লেখ্য। বাতৰি কাকত, আলোচনী আদিতো ভালেকেইজন লেখকে নিজৰ লেখা প্ৰকাশ কৰে । ধুবুৰী জিলাত বিভিন্ন সময়ত প্ৰচলিত আলোচনী বা বাতৰি কাকতেও জিলাখনত সাহিত্য চৰ্চ্চাৰ অনুশীলনৰ ক্ষেত্ৰ মুকলি কৰে। বৰ্ত্তমান সময়ত সাহিত্যৰ লগত জড়িত নানা অনুষ্ঠানৰ জন্ম হোৱাৰ ফলতো ইয়াত





সাহিত্য চৰ্চ্চাৰ বাট প্ৰশস্ত হৈ পৰিছে। ধুবুৰী জিলাৰ সাহিত্য সভাৰ শাখাবোৰৰ দ্বাৰা সময়ে সময়ে প্ৰকাশ পোৱা মাহেকীয়া, ছয়মহীয়া, বছৰেকীয়া মুখপত্ৰবোৰ, লেখিকা সমাৰোহ সমিতিৰ শাখাৰ মুখ্য পত্ৰবোৰৰ বাহিৰেও 'গদাধৰ কবিচক্ৰ', 'ঈশান' আদি সাহিত্য অনুষ্ঠানবোৰৰ জৰিয়তেও সাহিত্য চৰ্চ্চা অব্যাহত আছে। গোলকগঞ্জ অঞ্চলতো কেইবাগৰাকীও প্ৰবীন-নবীন লেখিকাই সাহিত্য চৰ্চ্চাত ৰত হৈ অসমীয়া সাহিত্য-পূজাৰ বেদীলৈ অঞ্জলি আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত অগ্ৰণী ৰেণুপ্ৰভা দাস হাজৰিকা। তেওঁ 'বিশিষ্ট্য ব্যক্তিৰ জীৱনীমালা'ৰ উপৰি কেবাখনো কবিতাপুথি আৰু এখন প্ৰবন্ধ সংকলন প্ৰকাশ কৰি উলিয়াইছে। তেওঁৰ মুঠ গ্ৰন্থৰ সংখ্যা সাতখন। তেওঁৰ শেহতীয়া গ্ৰন্থখন হৈছে, 'অন্তিম সুৰৰ পানচৈ'। লেখিকা সবিতা প্ৰধানীয়ে 'সানমিহলি এমুঠি কবিতা' শীৰ্ষক কবিতা পুথিৰে সাহিত্য সেৱাত মনোনিবেশ কৰিছে। নতুন লেখিকা দীপিকা দাস সৰকাৰৰ ইতিমধ্যে এখন প্ৰবন্ধ সংকলন আৰু দুখন কবিতা পুথি প্ৰকাশ হৈছে। গোলকগঞ্জ অঞ্চলৰ নৃপেন্দ্ৰ নাথ ৰায়, প্ৰমেশ কান্তি ৰায়, দীপক সৰকাৰেও ছেগা-চোৰোকাকৈ লেখাৰ প্ৰয়াস কৰি আহিছে।

আনহাতে লক্ষ্যনীয় যে ভালেমান লেখকে কোনো সাহিত্য অনুষ্ঠানৰ লগত জড়িত নোহোৱাকৈও স্বতন্ত্ৰভাৱে সাহিত্য চৰ্চ্চা কৰি সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াইছে। তামাৰহাট অঞ্চলৰ প্ৰয়াত ড°উপেন্দ্ৰ নাথ চৰকাৰকে ধৰি বহুকেইগৰাকী নবীন-প্ৰবীন লেখক-লেখিকাই সাহিত্য চৰ্চাত মনোনিবেশ কৰাটো অসমীয়া সাহিত্যৰ উত্তৰণৰ দিশৰ এটা শুভ লক্ষণ। ড° উপেন্দ্ৰ নাথ চৰকাৰৰ প্ৰকাশিত কোনো উল্লেখযোগ্য গ্ৰন্থ নাথাকিলেও বিভিন্ন আলোচনী স্মৃতিগ্ৰন্থ, বাতৰি কাকত আদিত বিভিন্ন বিষয়ক তথ্য গধূৰ তথা ৰসাল প্ৰবন্ধ প্ৰকাশ হৈছে। উল্লেখ্য যে চৰকাৰে 'কবীন্দ্ৰ পাত্ৰ'ৰ অষ্টম পৰ্ব মহাভাৰতৰ বিষয়ে গবেষণা কৰি ডক্তৰেট ডিগ্ৰী লাভ কৰিছিল। সেই অঞ্চলৰ এগৰাকী অগ্ৰণী লেখক ক্ষিৰোদ দাসেও কবিতা, প্ৰবন্ধ লিখাৰ উপৰিও চলচিত্ৰৰ স্ক্ৰিপ্ট ৰাইটিঙলৈকে নিৰলস চেষ্টা কৰিছিল। তেওঁৰ ৰচিত গায়ত্ৰী দেৱীৰ জীৱন ভিত্তিক ৰচনা 'এক আছিল ৰাজাৰ বেটী' আৰু প্ৰকৃতিশ বৰুৱাৰ জীৱনভিত্তিক ৰচনা 'হাতীয়ে মোৰ জীৱন সঙ্গী, হাতীয়ে মোৰ সউগ' দুখন উল্লেখযোগ্য গ্ৰন্থ ৰাজবংশী ভাষাত ৰচনা কৰিছিল।

তাহানিৰ অবিভক্ত গোৱালপাৰা জিলাৰ সদৰ ধুবুৰী তথা আজিৰ ধুবুৰী জিলাৰ সদৰ ধুবুৰীক কেন্দ্ৰ কৰিও সৃষ্টি হৈছে ন-ন সাহিত্য সম্ভাৰ। নামনি অসমৰ অন্যতম প্ৰাণকেন্দ্ৰ ধুবুৰী বিভিন্ন ভাষা-ভাষী মানুহৰ বসতিস্থল হোৱা বাবে বিভিন্ন ভাষাত সাহিত্য সৃষ্টি হৈ আছে যদিও অসমীয়া ভাষাৰ সাহিত্য চৰ্চ্চাই অধিক প্ৰাধান্য লাভ কৰিছে। অসমীয়া ভাষা চৰ্চ্চাৰ আগতে এই অঞ্চলত ছেগা-চোৰোকাকৈ ইংৰাজী ভাষাৰ চৰ্চ্চাও হৈছিল। উদাহৰণ স্বৰূপে যোৱা শতিকাৰ অষ্টম দশকত ইংৰাজী ভাষাত সংস্কৃত সাহিত্যৰ বিষয়ে মুঠ চাৰিখন গ্ৰন্থ ৰচনা কৰিছিল বেদমূৰ্ত্তি উমা চক্ৰৱৰ্ত্তীয়ে। ধুবুৰীৰ জীয়ৰী তথা বৰ্ত্তমান গুৱাহাটীৰ বাসিন্দা ড° অনিমা গুহইও অসমীয়া ভাষা সাহিত্যলৈ বহু গ্ৰন্থ উপহাৰ দিছে আৰু তাৰ বাবে তেওঁ কেবাটাও বঁটা লাভ কৰিছে।। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ 'বাকীছোৱা জীৱন', 'জোৱাৰ ভাটাৰ মাজেদি' ( আত্মজীৱনী মূলক), 'এৰি অহা দিনৰ কলম', 'বুকুত একুৰা জুই' আৰু 'তৃতীয় বিশ্ববাসিনীৰ আমেৰিকা দৰ্শন'। তেওঁ 'খবৰ' কাকতৰ নিয়মীয়া স্তম্ভ লেখকো।

বিজ্ঞানৰ শিক্ষক হৈও অসমীয়া সাহিত্যৰ অনুশীলন কৰা বহুকেইগৰাকী ব্যক্তিৰ ভিতৰত দেবেন্দ্ৰ নাথ শৰ্ম্মাৰ নাম উল্লেখ্য। ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি শৰ্ম্মাই 'হৈম্য', 'প্ৰান্তভূমি', 'ধুবুৰী দৰ্পন' সম্পাদনা কৰে। বৰ্ষীয়ান সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি পাচুগোপাল চক্ৰৱৰ্ত্তীয়েও একাধাৰে কেবাখনো গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙণি আগবঢ়াইছে। 'সময়ৰ দলিল', 'তাহানিৰ দিনবোৰ' আৰু এখন অনুবাদ গ্ৰন্থকে (কাব্যৰ অনুবাদ) ধৰি মুঠ সাতখন গ্ৰন্থ তেওঁ প্ৰণয়ন কৰে। তেওঁৰ শেহতীয়া উল্লেখযোগ্য গ্ৰন্থখন হ'ল 'অসমৰ আদি ৰূপ প্ৰাগজ্যোতিষ, লৌহিত্য আৰু কামৰূপ কমতা' (২০১৫)। ভোলানাথ কলেজ, ধুবুৰীৰ অসমীয়া বিভাগৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ড° দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰীয়ে 'সংক্ষিপ্ত ভাষা

বিজ্ঞান' ৰচনা কৰাৰ উপৰিও তেওঁৰ গবেষণামূলক বিভিন্ন প্ৰবন্ধ-পাতি বিভিন্ন আলোচনী, বাতৰি কাকতত সিচঁৰতি হৈ আছে। আন কেবাগৰাকীও জ্যেষ্ঠ লেখকে সাহিত্য চৰ্চ্চাৰ বাট মুকলি কৰি দিছে। তেওঁলোক হ'ল ভূৱন শইকীয়া, কালীন্দ্ৰ নাথ, সদানন্দ বেজবৰুৱা আদি।

যোৱা শতিকাৰ শেষ দশকৰপৰা বৰ্ত্তমানলৈ চিলাৰায় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দ্বিজেন্দ্ৰ নাথ ভকতেও যথেষ্ট সংখ্যক গ্ৰন্থ সম্পাদনা কৰাৰ উপৰি নিজেও বহুকেইখন অসমীয়া ভাষাৰ গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। বৰ্ত্তমানে তেওঁ অনুবাদ গ্ৰন্থ, সম্পাদনা গ্ৰন্থ, মৌলিক গ্ৰন্থসহ সাতত্ৰিশখন গ্ৰন্থ প্ৰকাশ কৰি অভিলেখ সৃষ্টি কৰিছে। তেওঁ একেধাৰে অসমীয়া, বাংলা, ৰাজবংশী আৰু ইংৰাজী ভাষাত সাহিত্য চৰ্চ্চা কৰি আহিছে। ইংৰাজীত প্ৰকাশ কৰা তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ দুখন হ'ল — 'The Assamese Vaisnavaite Satras of Assam and North Bengal' আৰু 'Rajbangshi Language'. এই দুখনৰ বাহিৰেও তেওঁৰ আন কেইখন গ্ৰন্থ হ'ল — অসমৰ 'কোচ-ৰাজবংশী জনজাতি', 'ৰাজবংশী লোক সাহিত্য', 'সত্ৰৰ সমীক্ষাত্মক ইতিবৃত্ত', 'নৰনাৰায়ণ চিলাৰায়' ইত্যাদি। তেওঁৰ শেহতীয়া গ্ৰন্থ — 'ভাওয়াইয়া গান সমীক্ষা' (২০১৬)। চিলাৰায় মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ আন এগৰাকী অধ্যাপিকা ড° প্ৰতিমা নিয়োগীয়েও চলিত শতিকাটোতে লেখা-মেলা আৰম্ভ কৰিছে যদিও ইতিমধ্যে তেওঁৰ বহুকেইখন গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁৰ 'পশ্চিম অসমৰ লোকগীত', 'প্ৰতিমা এক সোণালী কণ্ঠৰ উৎস সন্ধান', যৌথ সম্পাদনা গ্ৰন্থ 'ভাওয়াইয়া' আৰু শেহতীয়া ভাৱে নীহাৰ বালা বৰুৱাৰ 'প্ৰান্তবাসীৰ ঝুলি' বাংলাৰপৰা অসমীয়ালৈ অনুবাদ কৰা উল্লেখযোগ্য গ্ৰন্থ। ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্ম্মাইও বহু কেইখন গ্ৰন্থ সম্পাদনা কৰি উলিওৱাৰ উপৰি কেবাখনো মৌলিক গ্ৰন্থ প্ৰকাশ কৰে। তেওঁৰ 'মনসা পূজা দেৱধ্বনি উৎসৱ', 'পশ্চিম অসমৰ লোক নাট্য', মাধৱ কন্দলিৰ 'দেৱজিৎ কাব্য' ইত্যাদি মৌলিক গ্ৰন্থ, 'পশ্চিম অসমৰ চৰ-চাপৰিৰ লোক-সংস্কৃতি', 'শৰৎ স্মৃতি আৰু নমানি ব্ৰহ্মপুত্ৰ উৎসৱৰ 'স্মৃতিগ্ৰন্থ' শেহতীয়া সম্পাদনা গ্ৰন্থ। ধুবুৰী জিলা সাহিত্য সভাৰ বৰ্ত্তমানৰ সভাপতি আবুল হাচান শ্বেখেও মুঠ দহখন গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যলৈ বৰঙণি যোগাইছে। তেওঁৰ কবিতা পুথি মুঠ সাতখন, বাকী তিনিখন প্ৰৱন্ধ সংকলন। তেওঁৰ শেহতীয়া সংকলন 'স্বাধীনতাৰ ৰ'দ' (২০১৬)। ধুবুৰী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নীলিমা চক্ৰৱৰ্ত্তীয়েও মুঠ দহখন পুথি ৰচনা কৰি উলিয়াইছে, দুখন কবিতা পুথি 'হৃদয়ৰ ৰং' আৰু 'হৃদয়ৰ উৰ্ম্মিমালা' আন এখন প্ৰৱন্ধ সংকলন। তেওঁৰ শেষৰখন পুথি — 'মনিৰাম দেৱানৰ জীৱনাদৰ্শ'। এই শতিকাৰ আন এগৰাকী অগ্ৰনী লেখিকা ড° লাবণ্য ভকত। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থখন হৈছে 'ৰাজবংশী লোকসংস্কৃতি' (২০১৪)। ২০১৬ চনৰ প্ৰবন্ধ সংকলন প্ৰতিযোগিতাত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে এই গ্ৰন্থখনৰ বাবে তেওঁক পুৰস্কৃত কৰে। বাকীকেইখন তেওঁৰ ৰাজবংশী ভাষাত লিখা 'ৰাজবংশী গীত', 'কেচ্চা' আৰু 'ৰাজবংশী ৰামায়ণ'।

যোৱা শতিকাৰ ষষ্ঠ দশকৰপৰা সংস্কৃত ভাষাত সাহিত্যানুশীলন কৰা দুগৰাকী পুৰোধা ব্যক্তিৰ নাম নললে নহ'ব। তেওঁলোক দুজন হ'ল - বৈকুণ্ঠ নাথ চক্ৰৱৰ্ত্তী, 'তৰ্কতীৰ্থ' আৰু ৰাম প্ৰসন্ন ভট্টাচাৰ্য্য। 'তৰ্কতীৰ্থ'দেৱে ১৯৬১ চনতে 'শ্ৰীকৃষ্ণ লীলামৃত' সংস্কৃত ভাষাত ৰচনা কৰে। তাৰ পিছতো 'দেবাৰ্চ্চনা পদ্ধতি', 'ব্ৰহ্মপুত্ৰ স্নান বিধি', 'ভট্টিকাব্যম প্ৰথম সৰ্গ' সংস্কৃততে ৰচনা কৰিছিল। তাৰ পিছত তেওঁ অসমীয়া আৰু সংস্কৃত ভাষাত কবিতা, প্ৰবন্ধ আৰু স্তোত্ৰ ৰচনা কৰিছিল। ৰামপ্ৰসন্ন ভট্টাচাৰ্য্যই 'গীতাঞ্জলি'ৰ অনুবাদ সংস্কৃত ভাষাত চাৰিটা খণ্ডত কৰিছিল 'কুসুমাঞ্জলি' নামেৰে। উল্লেখযোগ্য যে এই গ্ৰন্থখন Delhi Sanskrit Academyৰ দ্বাৰা স্বীকৃত হৈছিল আৰু ভূয়সী প্ৰশংসা লাভ কৰিছিল। তাৰ পিছত তেওঁ সংস্কৃত আৰু বাংলা উভয় ভাষাতে তথ্য গধূৰ বিবিধ প্ৰবন্ধ লিখি থৈ গৈছে। পৰবৰ্ত্তী কালত সংস্কৃত ভাষা চৰ্চ্চা আৰু অধ্যয়ন কি কাৰণত স্তিমিত হ'ল তাৰ সঠিক কাৰণ কব পৰা নাযায়। বৰ্ত্তমান সময়ত ধুবুৰী চহৰক কেন্দ্ৰ কৰি ইয়াৰে আশে-পাশে থকা চৰ-চাপৰিৰ যুৱক যুৱতীসকলেও অসমীয়া





ভাষাত শিক্ষা অৰ্জন কৰি অসমীয়া ভাষাতে সাহিত্য ৰচনা কৰিবলৈ লৈছে। এয়া অসম সাহিত্য সভাৰ শাখা সভাসমূহৰ প্ৰভাৱৰ সুফল। ই অসমীয়া ভাষাটোৰ বাবে শুভ লক্ষণ।

সম্প্ৰতি ধুবুৰীত মিহিৰ কান্ত দাস, হেমলতা কাকতি, ড° অলকা শৰ্ম্মা, জাকিৰ হুচেইন, অহিদ খান, ছেলিমা চুলতানা আহমেদ, লোপামুদ্ৰা চক্ৰৱৰ্ত্তী, জুঁই দাস, শ্বাবানা খান, পাঞ্চালী সিন্‌হা আৰু বহুতেই অসমীয়া ভাষাতে সাহিত্য চৰ্চ্চা কৰি আহিছে। এই প্ৰচেষ্টাই সাহিত্য সৃষ্টিৰ পৰিসৰ বৃদ্ধি কৰিছে।

চাপৰ অঞ্চলৰ বহুকেইগৰাকী সাহিত্যানুৰাগীয়ে নিজৰ ৰুচি মতে সাহিত্যৰ অনুশীলন কৰি আছে। সেই অঞ্চলৰ প্ৰবীণ সাহিত্যিকসকলৰ ভিতৰত আব্দল গফুৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ যথেষ্ট বৰঙণি আগবঢ়ায়। তেওঁ মুঠ দহখন গ্ৰন্থ ৰচনা কৰে। তেওঁৰ সম্পাদনা গ্ৰন্থ 'সাহিত্য সভাৰ তিনিগৰাকী সভাপতি', 'ব্যক্তি আৰু জীৱন', 'সংস্কৃতি আৰু সংহতি' আৰু 'গোৱালপৰীয়া সংস্কৃতি' উল্লেখযোগ্য গ্ৰন্থ। আন কেইগৰাকী লেখক লেখিকাৰ ভিতৰত তাছিম উদ্দিন আহমেদ, নিৰদেন্দু ৰায়, বিনয় কুমাৰ নাথ, কমলা দেৱী, চন্দ্ৰা বৰ্ম্মণ, ইন্দিৰা সিংহ, নয়নতৰা বৰ্ম্মণ, নিতুমনি ৰাজবংশী, ৰৌছানাৰা আহমেদ, কিৰণ মেধি, ৰূপালী নিয়োগী, প্ৰসন্ন কুমাৰ দাস, তৰণী কান্ত ৰায়, নিখিল সিংহ, হিৰণ্য কুমাৰ নাথ, যামিনী কুমাৰ বৰুৱা, যতীন্দ্ৰ নাথ চৌধুৰী, মঞ্জুলা সিংহ, আঞ্জুয়াৰা বেগম আদি উল্লেখযোগ্য। চন্দ্ৰা বৰ্ম্মণৰ 'বৃত্তৰ বাহিৰে', 'চম্পাৱতীৰ পাৰে পাৰে', যামিনী কুমাৰ বৰুৱাৰ 'বীৰ চিলাৰায় কাব্য', নিখিল সিংহ-সম্পা-'যাত্ৰা', 'ৰত্নপীঠ', 'নৰনাৰায়ণ ক্ষেত্ৰ' উল্লেখযোগ্য। নিৰদেন্দু ৰায়ৰ 'সংস্কৃতি আৰু শিক্ষা', 'গোৱালপৰীয়া লোক সাহিত্য সংগ্ৰহ', প্ৰসন্ন কুমাৰ দাসৰ 'সৰাফুল', তৰণী কান্ত ৰায়ৰ 'ভ্ৰমন বৃত্তান্ত'ও উল্লেখ্য। তাছিম উদ্দিন আহমেদৰো কেবাখনো পুথি প্ৰকাশ পাইছে। তাৰ ভিতৰত 'জন নেতা শৰৎ চন্দ্ৰ সিংহক মই কিয় শ্ৰদ্ধা কৰোঁ' উল্লেখযোগ্য। কমলা দেৱীৰ কবিতা পুথি 'যুদ্ধ তুমি নিষিদ্ধ হ'লা নেকি?' আৰু 'ফুল, চন্দন, তুলসী' প্ৰবন্ধ সংকলন প্ৰধান।

চাপৰৰ এগৰাকী ৰাজনীতিক-সাহিত্যিকৰ নাম নললে নহ'ব। সেইজন হ'ল অসমৰ প্ৰয়াত মুখ্য মন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়া। এজন ৰাজনীতিক হোৱাৰ উপৰিও সাহিত্য চৰ্চ্চাতো তেওঁৰ ৰাপ আছিল। তেওঁৰ কলমেৰে শব্দ নিগৰি আহি সৃষ্টি কৰিছে কেইবাখনো গ্ৰন্থৰ। তেওঁৰ প্ৰৱন্ধ সংকলনৰ উপৰিও আত্মজীৱনীমূলক গ্ৰন্থ 'এন্ধাৰ বিদৰা কাড়' আৰু 'শব্দবান' আৰু বাঁহ পাতৰ ভেট' দুখন অনুপম কাব্য সংকলন।

বিলাসীপাৰা নিবাসী বিশিষ্ট লেখিকা গীতালি বৰুৱাইও কাব্য ৰচনা কৰি আহিছে। আধুনিক কালত অসমীয়া সাহিত্যলৈ তেওঁৰ অৱদান যথেষ্ট। তেওঁৰ গল্প সংকলন 'ৰ'দৰ ফুল', 'বৈধ কি অবৈধ', কাব্যোপন্যাস 'নীলাটোৰ উচুপনি', প্ৰবন্ধ সংকলন 'ধুবুৰীৰ ঐতিহ্য', শিশুগ্ৰন্থ 'প্ৰতিমা বৰুৱা পাণ্ডে' উল্লেখযোগ্য গ্ৰন্থ।

ধুবুৰী জিলাৰ সাহিত্য চৰ্চাৰ বিৱৰণ প্ৰকৃততে যথেষ্ট দীঘলীয়া। এই জিলাৰ একেবাৰে চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ; তদুপৰি এই অঞ্চল সাংস্কৃতিক আৰু ৰাজনৈতিক ঢৌ- ধুমুহাৰে সময়ে সময়ে বিশেষকৈ ব্ৰীটিছৰ শাসন কালত বিপৰ্যস্ত অঞ্চল। যোৱা শতিকাৰ শেষৰপৰাহে ইয়াত লাহে লাহে এটা সুস্থ বাতাবৰণৰ সৃষ্টি হৈছে, সাহিত্য চৰ্চ্চাৰ পৰিবেশ ঠন ধৰি উঠিছে। তথাপিও বৰ্ত্তমানলৈকে সৃষ্টি হোৱা সাহিত্য ৰাজিয়ে অসমীয়া সাহিত্যৰ ভৰাঁল মেটমৰা কৰাত সামান্য হলেও অৰিহণা যোগাৱাত নিশ্চয় সহায়ক হ'ব এয়া নিশ্চিত। নতুন প্ৰজন্মই এই চেষ্টা নিশ্চয় অব্যাহত ৰাখিব আৰু অসমীয়া সাহিত্য অধিক জাতিষ্কাৰ হ'ব।

তথ্যসূত্ৰ-

ক) 'পশ্চিম অসমৰ গ্ৰন্থপঞ্জী' - সম্পা - ড° দিজেন্দ্ৰ নাথ ভকত, অসম সাহিত্য সভা-২০০৭

খ) 'বেউলা' — স্মৃতিগ্ৰন্থ - সদৌ অসম লেখিকা সমাৰোহ সমিতি - ধুবুৰী অধিবেশন-২০১৬

# Growth and Development of Education in Assam and Women

**Jogesh Changmai**
*Assistant Professor, Department of Education*
D.C.B. Girls' College, Jorhat

**Introduction:**

Assam, a state of India, has at present 33 administrative districts consisting about 26312 villages and having total population 31169272. Majority of the total population, nearly about 86 percent lives in rural areas of Assam consisting about 26,780, 516 people. In 2001, the decadal growth of population in rural areas was 16.51 per cent. In case of urban population, which is 4,388,756 in the 2011 census, the decadal growth is 27.61 per cent, a decline from the decadal growth of 38.24 in 2001. The history of growth and development of formal education in Assam is not so old. In this article, the author makes an attempt to give an overview of the development of primary, secondary and higher education in Assam highlighting women/girls' enrolment. It mainly focuses on general education only not covering technical, vocational and professional education. Without development of education, we can not expect the overall development of Assam. Basically, educational development can be measured on the basis of the indicators like–Number of Educational Institutions, Literacy Rate, Literacy rate of SC/ST, Literacy rate of women, Enrolment Ratios, Teacher Pupil Ratio, Trained Teachers etc.

**Literacy Rate in Assam:**

The literacy rate in Pre-independence Assam was not satisfactory. The literacy rate in Assam is gradually increased after independence. The literacy rate of Assam is 73.18 percent according to 2011 Census. The urban literacy rate of Assam in 2011 is 88.88 percent as against the rural 70.44 per cent. Male literacy rate for 2011 in urban areas is 91.84 per cent and in rural areas 76.51 percent. Female literacy rate for 2011 in urban areas is 85.71 per cent and in rural areas is 64.09 per cent. The literacy rate of women is 67.3% while male literacy rate is 78.8%. The following table shows the literacy rate from 1951 to 2011. Table-1

| Year | Male (%) | Female (%) | Total (%) |
|---|---|---|---|
| 1951 | 32.3 | 9.5 | 21.7 |
| 1961 | 44.3 | 19.6 | 33.0 |
| 1991 | 61.9 | 48.03 | 52.9 |
| 2001 | 71.93 | 56.03 | 64.28 |
